● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন
বিপ্লৱে এখন সমাজক ইয়াৰ দুখ-বেদনাৰ পৰা মুক্ত কৰে আৰু বিজ্ঞানে ব্যক্তিক।
মাৰিঅ' ভাৰ্গিছ য়ছা
*পেৰুৰ ঔপন্যাসিক*



www.dainikagradoot.in

৭ এবছৰত দুগুণ আদানীৰ সম্পত্তিৰ পৰিমাণ
১৫ বিশ্বকাপ শ্যুটিঙত ভাৰত শীৰ্ষত
৪ শ্ৰীলংকাই দেখুৱাইছে গণতান্ত্ৰিক সংগ্ৰামৰ বাট


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ২০ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 20 July 2022 মূল্য ঃ ৯.০০ টকা

■ ভাষিক অথবা ধৰ্মীয় সংখ্যালঘুৰ মৰ্যাদাৰ বিষয়টো ৰাজ্য নিৰ্ভৰশীল ঃ ক'লে উচ্চতম ন্যায়ালয়ে
■ আধিপত্যহীন হিন্দু বঞ্চিত হোৱাৰ অধিক শক্তিশালী উদাহৰণ দিবলৈ নিৰ্দেশ আবেদনকাৰীক

# যিকোনো লোক হ'ব পাৰে সংখ্যালঘু

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ জুলাই ঃ উচ্চতম ন্যায়ালয়ৰ এক স্থিতিয়ে দেশৰ একাধিক ৰাজ্যত হিন্দুসকলৰ সংখ্যালঘু মৰ্যাদা লাভৰ পথ প্ৰশস্ত কৰিলে বুলি চৰ্চা আৰম্ভ হৈছে। উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে এক গোচৰৰ শুনানিকালত কালি কয় যে ভাৰতত প্ৰতিজন লোকেই যিকোনো এখন ৰাজ্যত সংখ্যালঘু হ'ব পাৰে। ধৰ্মীয় অথবা ভাষিক সম্প্ৰদায়সমূহৰ সংখ্যালঘুৰ মৰ্যাদা ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল বুলি উচ্চতম ন্যায়ালয়ে মন্তব্য কৰে। 'এই দেশত প্ৰতিজন লোকেই সংখ্যালঘু হ'ব পাৰে। মই মোৰ ৰাজ্য মহাৰাষ্ট্ৰৰ বাহিৰত সংখ্যালঘু হ'ব পাৰো। একেদৰে কৰ্ণাটকৰ বাহিৰে আন ৰাজ্যসমূহত এজন কানাড়া লোক সংখ্যালঘু হ'ব পাৰে। এই দেশত প্ৰতিজন লোকেই এই বৰ্ণনাৰ উত্তৰ দিব পাৰে।' তিনিজনীয়া বিচাৰপীঠৰ নেতৃত্ব দিয়া ন্যায়াধীশ ইউ ইউ ললিতে এইদৰে কয়। মথুৰাৰ বাসিন্দা দেৱকীনন্দন ঠাকুৰৰ এক আবেদনৰ শুনানি গ্ৰহণ কৰি তিনিজনীয়া বিচাৰপীঠে এনে স্থিতি দাঙি ধৰে। আবেদনকাৰী ঠাকুৰে অভিযোগ কৰিছিল যে লাডাখ, মিজোৰাম, লাক্ষাদ্বীপ, কাশ্মীৰ, নগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ, পঞ্জাৱ আৰু মণিপুৰৰ ইহুদী, বাহাই আৰু হিন্দু ধৰ্মাৱলম্বীসকলে ৰাজ্যিক পৰ্যায়ত সংখ্যালঘুৰূপে চিনাক্ত নোহোৱাৰ বাবেই তেওঁলোকৰ ইচ্ছা অনুসৰি শৈক্ষিক প্ৰতিষ্ঠান পৰিচালনা কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা ভাৰতীয় সংবিধানৰ ২৯ আৰু *১০ পৃষ্ঠাত চাওক*





*দাবী পূৰণৰ বাবে সদৌ অসম প্ৰাদেশিকীকৃত টিউটৰ আৰু কৰ্মচাৰীৰ যুটীয়া মঞ্চৰ প্ৰতিবাদ, মহানগৰীত*

১০ দিনৰ ভিতৰত স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশ

## শ্বেৰমান আলীৰ বিধায়ক পদ খাৰিজৰ আবেদনৰ শুনানি আৰম্ভ



স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদৰ বিধায়ক পদ খাৰিজৰ আবেদনৰ আজি শুনানি অনুষ্ঠিত হয়। দল বিৰোধী *১০ পৃষ্ঠাত চাওক*

এনে চৰিত্ৰসমূহ ৰাইজে জানে ঃ কটাক্ষ শৰ্মাৰ

## দ্ৰৌপদী মুৰ্মু, আদিবাসী সমাজক ক্ষমা প্ৰাৰ্থনা অখিলৰ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ কালি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে আদিবাসী তথা চাহ জনগোষ্ঠীৰ লোকৰ লগতে এনডিএৰ প্ৰাৰ্থী *১০ পৃষ্ঠাত চাওক*

■ অৰুণোদয়ৰ ধন আঢ়ৈশ বৃদ্ধি ঃ হিতাধিকাৰীৰ গৃহত আঁৰিব ল'গ'
■ গোৰ্খাৰ লগতে অনুসূচিত জাতি-জনজাতি-পিছপৰা শ্ৰেণী খিলঞ্জীয়া

## প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰী, লেটাৰ নম্বৰসহ উত্তীৰ্ণ ছাত্ৰলৈ স্কুটী ঃ মুখ্যমন্ত্ৰী

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ সকলক এইবেলি কম্পিউটাৰৰ পৰিৱৰ্তে ১৬ হেজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলি আজি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ লগতে কয় যে দুৰ্গাপূজাৰ আগে-পাছে উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰী সকলক স্কুটি প্ৰদান কৰাৰ লগতে লেটাৰ নম্বৰসহ উচ্চতৰ মাধ্যমিকত উৰ্ত্তীণ ছাত্ৰসকলকো স্কুটি আগবঢ়োৱা হ'ব। আজি ওদালগুৰিত এখন সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু ঘোষণা কৰে যে অহা ১০ অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিৰ ধন এহেজাৰ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ব। সময়মতে যাতে বিদ্যুৎ বিল পৰিশোধ কৰিব পাৰে তাৰ বাবে এই ধন আঢ়ৈশ টকা বৃদ্ধি কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ প্ৰত্যেক সমষ্টি ছহেজাৰকৈ পৰিয়ালে অৰুণোদয় আঁচনি লাভ কৰিব। চলিত মাহৰ পৰা বিষয়া আৰু ছাত্ৰ-ছাত্ৰী সকলে অৰুণোদয় আঁচনিৰ *১০ পৃষ্ঠাত চাওক*

■ সীমান্তৰ দুৰ্গম অঞ্চল ডামিনত পথ সংযোগৰ নিৰ্মাণ কাৰ্যত নিয়োজিত আছিল ■ ঠিকাদাৰে ঈদৰ ছুটী নিদিয়াত জংঘলৰ মাজেৰে পলায়ন কৰোতে কুমেই নদীত পৰি মৃত্যুৰ আশংকা

## চীন সীমান্তত সন্ধানহীন অসমৰ ১৯ শ্ৰমিক

■ কোকৰাঝাৰ-ধুবুৰী জিলাৰ পৰা লৈ গৈছিল ■ পাঁচ জুলাইৰ পৰা সন্ধানহীন ■ ১৩ জুলাইত গোচৰ ৰুজু



স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ চীনৰ সীমান্তত সন্ধানহীন হৈছে ১৯জন শ্ৰমিক। অৰুণাচল প্ৰদেশৰ আওহতীয়া কুৰুং কুমেই জিলাৰ পৰা সন্ধানহীন হোৱা ১৯জন পথ নিৰ্মাণ শ্ৰমিকৰ শুংসূত্ৰ উলিয়াবলৈ অব্যাহত আছে অভিযান। চীনৰ স'তে থকা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (এলএচি)ৰ নাতি দূৰতে অৱস্থিত অঞ্চলৰ পৰা দুসপ্তাহ পূৰ্বে সন্ধানহীন হয় এই শ্ৰমিক কেইজন। সীমান্ত পথ নিৰ্মাণ সংস্থাৰ ডামিন চাৰ্কোলৰ নিৰ্মাণস্থলীত কৰ্মৰত আছিল শ্ৰমিক কেইজন। এই মুহূৰ্তলৈ কুমেই নদীত এজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি চৰ্চা চলিছে যদিও প্ৰকৃতাৰ্থত এই সম্পৰ্কীয় কোনো *১০ পৃষ্ঠাত চাওক*

নাৰ্ছৰ পেঞ্চনৰ ফাইলৰ বিনিময়ত উৎকোচ দাবী


## পাঁচ হেজাৰ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল মুখ্য সহায়ক



স্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
গুৱাহাটী/ মুছলপুৰ, ১৯ জুলাই ঃ চৰকাৰী কাৰ্যালয়সমূহত উৎকোচ অবিহনে যে কাম নহয় *ছয় পৃষ্ঠাত চাওক*

■ সৰ্বাধিকৰ প্ৰব্ৰজন আমেৰিকা যুক্তৰাষ্ট্ৰলৈ

## সংসদৰ তথ্য ঃ ২০২১ত ডেৰ লাখ লোকে ত্যাগ কৰিলে ভাৰতীয় নাগৰিকত্ব



■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ জুলাই ঃ কালিৰে পৰা আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশনত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰা লোকৰ এক পৰিসংখ্যা দাখিল কৰিলে। সংসদত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰা অনুসৰি ২০২১ত প্ৰায় ডেৰ লাখ লোকে ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰিছে। ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰা এইসকল লোকৰ *১০ পৃষ্ঠাত চাওক*

## আকস্মিকভাৱে ইনষ্টিটিউট অব্ লাইভ ছায়েন্সৰ সঞ্চালকৰ মৃত্যু আই আই টিত



অগ্ৰদূত বাৰ্তা
উত্তৰ গুৱাহাটী, ১৯ জুলাই ঃ যোৱা নিশা উত্তৰ গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি)ৰ অতিথিশালাত ইনষ্টিটিউট অব লাইভ *ছয় পৃষ্ঠাত চাওক*

■ উচ্চ শিক্ষাত জালিয়াতিৰ অভিযোগ ■ নতুনকৈ প্ৰাদেশিকীকৃত মহাবিদ্যালয়ৰ ১৯৫ অধ্যাপক-অধ্যাপিকাৰ নথি পৰীক্ষা আৰম্ভ

## বহিঃৰাজ্যৰ পৰা পিএইছডি অৰ্জনৰ প্ৰমাণপত্ৰ লৈ হাজিৰ অধ্যাপকৰ দল




স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ কেৱল পিএইছডিয়ে নহয়, স্নাতকোত্তৰ ডিগ্ৰীৰ ক্ষেত্ৰতো নতুনকৈ প্ৰাদেশিকীকৃত একাংশ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক-অধ্যাপিকা সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। অসম চৰকাৰে বিগত কে'বাবছৰ ধৰি শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া সম্পন্ন কৰি আহিছে। শিক্ষানুষ্ঠানৰ লগতে নিৰ্দিষ্ট শিক্ষকসকলৰ চাকৰিও প্ৰাদেশিকীকৰণৰ আওতাত পৰে; কিন্তু *১০ পৃষ্ঠাত চাওক*

## চাহ শ্ৰমিকৰ মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবীত এবিটাৰ কাৰ্যালয় ঘেৰাও আছাৰ

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ১৯ জুলাই ঃ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবীত আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ই ভাৰতীয় চাহ সন্থাৰ অসম শাখা (এবিটা)ৰ চাউলখোৱাত থকা এক নম্বৰ মণ্ডল *ছয় পৃষ্ঠাত চাওক*

## সুপ্ত অৱস্থাতে পেট্ৰ'ল ঢালি জ্বলাই নৃশংস হত্যা পত্নীক

বিশেষ সংবাদদাতা
নগাঁও, ১৯ জুলাই ঃ নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ খাটোৱালত নিদ্ৰাৰত অৱস্থাত থকা এগৰাকী মহিলাক পেট্ৰ'ল ঢালি স্বামীয়ে জীৱন্তে জ্বলাই অতি নৃশংসভাৱে হত্যা কৰা ঘটনাই অঞ্চলটোত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ২৮° | ২৫° |
| দিল্লী | ৩৬° | ২৮° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২৩° | ১৯° |

*১৯ জুলাই, ২০২২*

■ তাঁতশালত অসমীয়া শিপিনীৰ কৰ্মদক্ষতা অতুলনীয় ঃ মুখ্যমন্ত্ৰী

## পৰম্পৰাগতভাৱে তৈয়াৰী হস্ততাঁত বস্ত্ৰ শিপিনীৰ পৰা ক্ৰয় কৰিব চৰকাৰে

'স্বনিৰ্ভৰ নাৰী' আঁচনি মুকলি শৰ্মাৰ



স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ 'তাঁতশালত অসমীয়া শিপিনীৰ কৰ্ম দক্ষতা অতুলনীয়। অসমৰ প্ৰায় সকলো জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ মহিলাই নিজৰ তথা ঘৰখনৰ ব্যৱহাৰ কৰিবলগীয়া বহু বস্ত্ৰ তাঁতশালত বৈ লয়। অসমৰ গ্ৰাম্য জীৱনত তাঁতশালখনে সুকীয়া গুৰুত্ব বহন কৰি আহিছে। নিজৰ সৃষ্টিশীল দক্ষতাৰে স্বকীয়তাৰ গোন্ধ থকা সাজ-পাৰ তৈয়াৰ কৰি অসমীয়া *১০ পৃষ্ঠাত চাওক*

বটদ্ৰৱা থানাত আক্ৰমণৰ ঘটনাৰ তদন্ত সম্পন্ন

## ১৫ দিনৰ ভিতৰত দাখিল কৰা হ'ব অভিযোগনামা

বিশেষ সংবাদদাতা
নগাঁও, ১৯ জুলাই ঃ যোৱা ২১ মে'ত নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাত ছফিকুল ইছলাম নামৰ এজন লোকৰ আৰক্ষীৰ জিম্মাত মৃত্যুক কেন্দ্ৰ কৰি একাংশ উন্মত্ত লোকে বটদ্ৰৱা আৰক্ষী থানাত ভয়ংকৰ আক্ৰমণ কৰাৰ লগতে থানাখন জ্বলাই ভস্মীভূত কৰা ঘটনাৰ সন্দৰ্ভত আৰক্ষীৰ তদন্ত ইতিমধ্যে সম্পন্ন হৈছে। *ছয় পৃষ্ঠাত চাওক*

একাধিক ৰাজ্যত সক্ৰিয় অপৰাধী চক্ৰ ■ দিল্লীত চিবিআয়ে গ্ৰেপ্তাৰ কৰিলে সাতজনক ■ প্ৰকৃত পৰীক্ষাৰ্থীৰ ভেশচন ধৰি অৱতীৰ্ণ হয়

## এখন আসনৰ বাবদ ২০ লাখ টকা, নীটত বহিল নকল পৰীক্ষাৰ্থী

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ জুলাই ঃ ৰাষ্ট্ৰীয় অৰ্হতা বনাম প্ৰৱেশ পৰীক্ষা (নীট)ত বৃহৎ ধনৰ লেনদেনৰ তথ্য পোহৰলৈ আহিছে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে কালি আঠজন লোকক গ্ৰেপ্তাৰ কৰাৰ পাছত মেডিকেল পাঠ্যক্ৰমত আসন নিশ্চিত কৰাৰ ক্ষেত্ৰত একাধিক ৰাজ্যত এই অপৰাধী চক্ৰ সক্ৰিয় হোৱাৰ তথ্য পোহৰলৈ আহিছে। বিহাৰ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, হাৰিয়ানাত এই চক্ৰটোৱে বৃহৎ জাল পেলাইছে। প্ৰতিখন আসনৰ বিনিময়ত ২০ লাখ টকা পৰ্যন্ত আদায় কৰে এই চক্ৰটোৱে। দিল্লীত চিবিআয়ে ছজন এনে লোকক গ্ৰেপ্তাৰ কৰে, যিসকলে নীটৰ পৰীক্ষাত আন ছাত্ৰ-ছাত্ৰীৰ ৰূপ লৈ অৱতীৰ্ণ হয় আৰু বৃহৎ ধনৰ বিনিময়ত উত্তৰ লিখে। এই সমস্ত ঘটনাৰ মূল চক্ৰী হৈছে দিল্লীৰ সুশীল ৰঞ্জন। এই চক্ৰটোত এই পৰ্যন্ত ১১ অভিযুক্তৰ নাম উদঘাটন হৈছে। পৰৱৰ্তী পৰ্যায়ত তদন্তকাৰী সংস্থাই সংশ্লিষ্ট প্ৰাৰ্থীসকলক সোধ-পোছ *ছয় পৃষ্ঠাত চাওক*

## চেঙা তেল



*সদায় নতুন নতুন অজুহাত দেখুৱাই থকাতকৈ বুষ্টাৰ প্ৰতিষেধক লৈ দায়িত্ব পালন নকৰে কিয়!*

ৰাজ্যত আফ্ৰিকান ছোৱাইন ফিভাৰ ■ তিনিচুকীয়া-জোনাই-শিৱসাগৰত মাংস বিক্ৰী নিষিদ্ধ

## চৰকাৰীভাৱে নিধন কৰা গাহৰি পালকেহে পাব ক্ষতিপূৰণ ঃ বৰা

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ ৰাজ্যৰ শ শ গাহৰি পালকলৈ অমানিশা কঢ়িয়াই আনিছে মাৰাত্মক ডিএনএ ভাইৰাছজনিত ৰোগ আফ্ৰিকান ছোৱাইন ফিভাৰে। শেহতীয়া বানৰ পাছত অধিক গুৰুতৰ ধাৰণ কৰা এই ৰোগত আক্ৰান্ত হৈ যোৱা ৪৮ দিনত ৰাজ্যখনত ১৬০টা গাহৰিৰ মৃত্যু হোৱাৰ লগতে সংক্ৰমণ ৰোধ কৰিবলৈ চৰকাৰীভাৱে ২৬০টা গাহৰি নিধন কৰা হৈছে। এই সন্দৰ্ভত আজি *১০ পৃষ্ঠাত চাওক*

চৰকাৰীভাৱে নিধন হোৱা গাহৰিৰ বাবদ পালকে লাভ কৰিবলগীয়া ক্ষতিপূৰণৰ তালিকা

| নিধন কৰা গাহৰিৰ ওজন(কিলোগ্ৰামত) | পৰিমাণ |
|---|---|
| ১৫ কিলোগ্ৰামৰ ভিতৰত | ২,২০০/- |
| ১৫ৰ ওপৰৰ ৪০ কিলোগ্ৰামৰ ভিতৰত | ৫,৮০০/- |
| ৪০ৰ ওপৰৰ ৭০ কিলোগ্ৰামৰ ভিতৰত | ৮,৪০০/- |
| ৭০ৰ ওপৰৰ এশ কিলোগ্ৰামৰ ভিতৰত | ১২,০০০/- |
| এশ কিলোগ্ৰামৰ ওপৰৰ | ১৫,০০০/- |
| নষ্ট হোৱা দানা প্ৰতি কিলোগ্ৰামত | ২২ টকা |

## শেহতীয়া বানত ৪৬ হেজাৰ পশুধন, হাঁহ-কুকুৰাৰ মৃত্যু



স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ শেহতীয়া বানত ৰাজ্যৰ ২৯ খন জিলাৰ ৪৪,১১,৫৭৬ টা পশুধন আৰু হাঁহ-কুকুৰা আক্ৰান্ত হয় আৰু ইয়াৰ ভিতৰত ৪৬,৫০৭ টা মৃত্যুমুখত পৰে বুলি আজি সদৰী কৰে কৃষি, পশুপালন, দুগ্ধ উন্নয়ন আদি বিভাগৰ *১০ পৃষ্ঠাত চাওক*

## জন্ম-মৃত্যু পঞ্জীয়নৰ অনলাইন সেৱা মুকলিৰ প্ৰস্তুতি চৰকাৰৰ

অতিৰিক্ত মহাপঞ্জীয়কৰ স'তে স্বাস্থ্যমন্ত্ৰীৰ বৈঠক

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৯ জুলাই ঃ ৰাজ্যত জন্ম-মৃত্যু পঞ্জীয়ন ব্যৱস্থা শীঘ্ৰে অনলাইন মাধ্যমৰ জৰিয়তে প্ৰৱৰ্তনৰ কৰিব ৰাজ্য চৰকাৰে। জন্ম-মৃত্যু পঞ্জীয়নৰ বাবে উপলব্ধ বৰ্তমানৰ অফলাইন ব্যৱস্থাটো ডিজিটেল পদ্ধতিলৈ উন্নীত কৰিবলৈ *ছয় পৃষ্ঠাত চাওক*

বিভাগ আবণ্টন হ'ব পৰৱৰ্তী পৰ্যায়ত ঃ তুলিৰাম

## শপতগ্ৰহণৰ এমাহ পাছত কাৰ্বি পৰিষদত ১৩জনক কাৰ্যবাহী সদস্য নিযুক্তি



ডিফু, ১৯ জুলাই ঃ ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সমিতি আজি গঠন কৰা হয়। মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে গঠন কৰা সমিতিত ১৩ গৰাকী সদস্য-সদস্যাক অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোক হ'ল ক্ৰমে অমৰছিং তিছং, মধুৰাম লেকথে, মঙ্গলছিং তিমু, লুনছিং টেৰণ, ডি উফিং মাছলাই, ৰীতেশ ইংহী, প্ৰভাত চন্দ্ৰ তাৰ, ৰিচাৰ্ড টকবী, সূৰ্য ৰংফাৰ, কাংবুৰা কিলিং, ৰীণা তেৰাংপী, বিলিমোহন খাকলাৰী, মুকুট মহন্ত। কাৰ্যবাহী সদস্য-সদস্যাৰ নামৰ তালিকা প্ৰকাশ হোৱাৰ লগে লগে তেওঁলোকৰ সমষ্টিসমূহত আনন্দৰ জোৱাৰ উঠে। ইয়াৰ উপৰি কাৰ্যবাহী সদস্য-সদস্যাসকলক *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২০ জুলাই, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## ৰঙাপৰাত জলজীৱন আঁচনিৰ কামত ব্যৱহাৰ নিম্ন মানৰ সামগ্ৰী

**মন্ত্ৰী, বিধায়কক ক'লেও লাভ নাই বুলি ৰাইজক উপলুঙা ঠিকাদাৰৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনিৰ ৰূপায়ণৰ নামত একাংশ ঠিকাদাৰৰ মইমতালি চলি অহাৰ সময়তে সম্প্ৰতি শোণিতপুৰত জলজীৱন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰটো একেই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। সম্প্ৰতি ৰঙাপৰা বিধানসভা সমষ্টি অন্তৰ্গত বৰজুলি চাহ বাগিচাৰ চাৰি নম্বৰ লাইনত জলজীৱন ছয় পৃষ্ঠাত চাওক

## ■ ১.২৭ কোটি টকীয়া আঁচনিৰ নিৰ্মীয়মান অৱস্থাতে খহি পৰিল গাৰ্ড ৱাল

# খৰমুজাত জল জীৱন মিছন আঁচনিত অনিয়ম



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ জুলাই ঃ** চৰকাৰে ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্যৰে জল জীৱন মিছনৰ অধীনত কোটি কোটি টকা খৰচ কৰি আহিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰী তথা ঠিকাদাৰৰ দুৰ্নীতিৰ বাবেই ৰাইজে আশানুৰূপ সুফল নোপোৱা বুলি অভিযোগ উঠিছে। শেহতীয়াভাৱে গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত খৰমুজা উজানপাৰাত প্ৰায় ১.২৭ কোটি টকীয়া পানী যোগান আঁচনিৰ কামত দায়িত্বৰত ফুলবৰ হুছেইন নামৰ ঠিকাদাৰজনে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। প্ৰায় এমাহ পূৰ্বে আৰম্ভ কৰা কামটোৰ এতিয়ালৈ প্ৰায় ৩০ শতাংশ কাম সম্পন্ন হৈছে। কিন্তু প্ৰাককলনক অংগুষ্ঠ প্ৰদৰ্শন কৰি দায়িত্বৰত ঠিকাদাৰজনে অতি নিম্নমানৰ ৰড, ইটা, চিমেণ্ট আদি ব্যৱহাৰ কৰা বুলি অভিযোগ উঠিছে। টাইবিম নিদিয়াকৈ মাত্ৰ আঠ এম এমৰ ৰড ব্যৱহাৰ কৰি পানী যোগান আঁচনিটোৰ গাৰ্ড ৱাল নিৰ্মাণ কৰা বাবেই খহি পৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰায় ৩০ মিটাৰ দৈৰ্ঘ্যৰ গাৰ্ড ৱালখন নিৰ্মাণ কৰি থকাৰ সময়তে ৰাইজে ঠিকাদাৰক অতি নিম্ন মানৰ সামগ্ৰী তথা প্ৰাককলন অনুসৰি ৰড, ইটা, চিমেণ্ট ব্যৱহাৰ নকৰাৰ অভিযোগ দিছিল। কিন্তু ঠিকাদাৰে ৰাইজৰ অভিযোগক গুৰুত্ব নিদি নিশাৰ ভাগত গাৰ্ড ৱাল নিৰ্মাণ কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। ইফালে গাৰ্ড ৱালখন নিৰ্মাণ কৰাৰ প্ৰায় ১৫ দিন পাছতে খহি পৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ অনুসৰি পানী যোগান আঁচনিখনৰ দায়িত্বত থকা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কনিষ্ঠ অভিযন্তাক ৰাইজে বহুবাৰ মৌখিকভাৱে অৱগত কৰি আহিছে যদিও কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ ৰাইজৰ। এই সন্দৰ্ভত স্থানীয় ৰাইজে কয় যে পানী যোগান আঁচনিখনৰ কাম আৰম্ভ কৰাৰ দিনৰ পৰাই ব্যাপক ছয় পৃষ্ঠাত চাওক

## কামপুৰত অতিৰিক্ত বোজাইবাহী বালি ট্ৰাকৰ সন্ত্ৰাস ঃ ৰাইজৰ প্ৰতিবাদ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** বালি ট্ৰাকৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ যোৱা নিশা কামপুৰ মাজৰআটিত একাংশ মহিলা উত্তেজিত হৈ পৰে। প্ৰাপ্ত তথ্য মতে, মহিলাসকলে কে'বাখনো চালান বিহীন বালি ট্ৰাক আবদ্ধ কৰি বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। তথ্য মতে, গাঁৱৰ মাজেৰে নিশা হ'লেই একাংশ বালি ব্যৱসায়ীয়ে ট্ৰাকেৰে অহৰহ চলাই আহিছে বালিৰ ৰমৰমীয়া ব্যৱসায়। উল্লেখ্য যে কামপুৰ-কঠিয়াতলি গড়কাপ্তানী পথটো বানে ছিঙি নিয়াত বৰ্তমান মাজৰআটি গাঁও হৈ নগাঁৱলৈ যাতায়াত চলি আছে। তেনে ক্ষেত্ৰত অতিৰিক্ত বোজাইবাহী গাড়ীয়ে পথছোৱা ক্ষতি কৰাত স্থানীয় লোক ক্ষোভিত হৈ পৰিছে। পূৰ্বতে ৰাইজে প্ৰতিবাদ কৰাৰ পাছত দুদিনমান ট্ৰাক অহা-যোৱা বন্ধ আছিল যদিও পুনৰ নিশাৰ ভাগত চলাচল অব্যাহত আছে।

## দ্ৰৌপদী মুৰ্মুক চাহ জনগোষ্ঠীৰ বুলি অভিহিত কৰাত প্ৰতিক্ৰিয়া চাওতাল ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৯ জুলাই ঃ** অসমত বসবাস কৰা আদিবাসী জনগোষ্ঠীৰ চাওতাল সম্প্ৰদায়ক ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠী বুলি অভিহিত কৰি ঐতিহাসিক জনগোষ্ঠীটোক অপমান কৰি আহিছে। এইবাৰ ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুকো চাহ জনগোষ্ঠীৰ বুলি অসমৰ একাংশ সাংসদ-বিধায়ক আৰু সংবাদ মাধ্যমে অভিহিত কৰাটো অতি দুৰ্ভাগ্যজনক তথা চাওতাল জাতিটোক অপমান কৰা হৈছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ চাওতাল ছাত্ৰ সন্থাই। চাওতাল জনগোষ্ঠীক চাহ জনগোষ্ঠী বুলি অভিহিত কৰাৰ বিৰুদ্ধে সদৌ চাওতাল ছাত্ৰ সন্থাই তীব্ৰ আন্দোলন কৰি অহাৰ পাছতো সুকীয়া পৰিচয় থকা চাওতালসকলক চাহ জনগোষ্ঠী বুলি অভিহিত কৰাটো জাতিটোক অপমান কৰা বুলি অভিযোগ কৰিছে চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমন চাকু চৰেনে। তেওঁ আজি গোসাঁইগাঁও সদৰ চহৰ সংলগ্ন হাব্ৰুবিলস্থিত এছুৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত আৰু কয়, অসমত বসবাস কৰা চাওতালসকলক চৰকাৰে ৰাজনৈতিক লাভালাভৰ বাবে চাহ জনগোষ্ঠী নামাকৰণ কৰাৰ পাছত এইবাৰ ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক অসমৰ একাংশ সাংসদ- বিধায়ক ছয় পৃষ্ঠাত চাওক

## বঙাইগাঁৱৰ টেণ্টনপুৰত মহিলাক চোকা অস্ত্ৰৰে হত্যা কৰি আত্মহত্যাৰ অপচেষ্টা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ বৰঘোলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত টেণ্টনপুৰত সংঘটিত হৈছে চাঞ্চল্যকৰ ঘটনা। পৰকীয়া প্ৰেমৰ বাবে দুই সন্তানৰ মাতৃক চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা কৰে। হত্যাৰ বলি হোৱা মহিলাগৰাকীৰ নাম ৰেজিনা খাতুন। জেহেৰুল ইছলাম নামৰ যুৱকজনে ৰেজিনা খাতুনৰ স্বামী গৃহত স্বামী নথকাৰ সুযোগ লৈ প্ৰৱেশ কৰি সংঘটিত কৰে এই হত্যাকাণ্ড। হত্যাকাণ্ড সংঘটিত কৰি জেহেৰুলে নিজৰ পেটত চোকা অস্ত্ৰৰে আঘাত কৰি আত্মহত্যাৰ অপচেষ্টা কৰে। হত্যাকাৰী জেহেৰুলক সংকটজনক অৱস্থাত বঙাইগাঁৱৰ এখন চিকিৎসালয়ত ভৰ্তি কৰা হয়। হত্যাকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই যদিও পৰকীয়া প্ৰেমৰ সন্দেহ একাংশ লোকৰ। দীৰ্ঘদিন ধৰি যুৱকজনে মহিলাগৰাকীক প্ৰেমৰ প্ৰস্তাৱ দি আহিছে যদিও মহিলাগৰাকীয়ে প্ৰস্তাৱ নাকচ ছয় পৃষ্ঠাত চাওক

## পোৱামক্কাত বাংলাদেশৰ মুক্তিযুঁজাৰু-সাংবাদিকৰ দল

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুলাই ঃ** তীৰ্থনগৰী হাজোৰ ঐতিহাসিক পোৱামক্কা দৰগাহ শ্বৰীফত কালি উপস্থিত হয় বাংলাদেশৰ এদল মুক্তিযুঁজাৰুৰ স'তে ২৫ জনীয়া এটি সঁজাতী দল। পোৱামক্কা দৰ্গাহ শ্বৰীফত উপস্থিত হোৱাৰ লগে লগে দলটোক কামৰূপ জিলা প্ৰশাসন আৰু পোৱামক্কা দৰগাহ শ্বৰীফৰ তৰফৰ পৰা বিপুলভাৱে আদৰণি জনায়। ভাৰত চৰকাৰৰ আমন্ত্ৰণ মৰ্মে অসমত উপস্থিত হোৱা দলটোৱে হাজোৰ গৰুড়াচল পাহাৰৰ ছয় পৃষ্ঠাত চাওক

## শুৱালকুছিবাসীক চৰম প্ৰতাৰণা মুখ্যমন্ত্ৰীৰ ঃ তালুকদাৰ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৯ জুলাই ঃ** 'শুৱালকুছিৰ ঐতিহ্যমণ্ডিত বস্ত্ৰ শিল্পৰ মৃত্যুমুখী যাত্ৰাৰ বাবে দায়ী জালুকবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা। বিগত ২১ বছৰে উদ্যোগটোৰ প্ৰতি চিন্তা নকৰি উদ্যোগটোৰ সংকটাপন্ন পৰিস্থিতিৰ পৰা উদ্ধাৰ সমাধান সূত্ৰ উলিওৱা নাই।' এই অভিযোগ সৰভোগ সমষ্টিৰ বিধায়ক তথা চিপিআই(এম)ৰ ৰাজ্যিক সদস্য মনোৰঞ্জন তালুকদাৰৰ। আজি চিপিআই(এম)ৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াৰ এটি দলে শুৱালকুছিৰ উদ্যোগটো পৰিভ্ৰমণ কৰি শুৱালকুছি তাঁত শিল্পী সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত বিধায়ক তালুকদাৰে এই অভিযোগ কৰে। তেওঁ পুনৰ কয় যে ডº হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ দিনৰ পৰাই শিপিনীসকলক স্বনিৰ্ভৰশীলভাৱে জীয়াই থকাত বাধা দি হিতাধিকাৰীৰ সৃষ্টি কৰি শিপিনীসকলৰ লগত ৰাজনৈতিকভাৱে প্ৰতাৰণা কৰিছিল। ২০০৬ত শুৱালকুছিৰ উদ্যোগৰ নামত সেই সময়ৰ ৰাষ্ট্ৰপতি ডº এপিজে আব্দুল কালামে আবণ্টিত কৰা ১৫০ কোটি টকাৰ সদব্যৱহাৰৰ প্ৰশ্ন উত্থাপন কৰে। বিজেপি চৰকাৰৰ দিনত শুৱালকুছিৰ উদ্যোগৰ অধিক অৱনতি ঘটা বুলিও অভিযোগ কৰে। আনহাতে চিপিআই(এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে শুৱালকুছিৰ স্বাভিমানী উদ্যোগটোক উদ্ধাৰ কৰি কৰ্মদক্ষতাৰ পৰিচয় দাঘি ধৰিবলৈ প্ৰত্যাহ্বান ছয় পৃষ্ঠাত চাওক

## বিজেপি চৰকাৰে দেশত কৰৰ সন্ত্ৰাস চলাইছে


**নগাঁৱত তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰিপুন বৰা**



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** নগাঁও জিলা সাহিত্য সভা ভৱনত আজি তৃণমূল কংগ্ৰেছৰ এক যোগদান সভা অনুষ্ঠিত হয়। নগাঁৱত তৃণমূল কংগ্ৰেছৰ সংগঠন শক্তিশালী কৰাৰ বাবে দলটোৱে অভিযান অব্যাহত ৰাখিছে। সমাজকৰ্মী নুৰজাহান বেগমৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি বৰাই ছয় পৃষ্ঠাত চাওক

## ধৰ্মপ্ৰাণা মহিলা হেমলতা ভূঞাৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৯ জুলাই ঃ** গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ বিষয়ববীয়া তথা সমাজ সংগঠক দিগন্ত কুমাৰ ভূঞাৰ মাতৃ হেমলতা ভূঞা (৭৬)ৰ জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ যোৱা ১৬ জুলাইত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ছয় পৃষ্ঠাত চাওক

## লক্ষীপুৰৰ ৰংছাইত জলজীৱন আঁচনিৰ নিৰ্মিত টেংকিত দুই শ্ৰমিকৰ মৃত্যু

**■ এজনৰ অৱস্থা সংকটজনক**

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ১৯ জুলাই ঃ** গোৱালপাৰাৰ লক্ষীপুৰৰ ৰংছাইত আজি আবেলি ২-৩০ বজাত এক ভয়ংকৰ ঘটনা সংঘটিত হয়। ৰংছাইৰ জুৰিগাঁৱত জলজীৱন আঁচনিৰ অধীনত নিৰ্মাণৰত পানীৰ টেংকিত দুজন কৰ্মৰত শ্ৰমিকৰ মৃত্যু ঘটে। লগতে মুমূৰ্ষু অৱস্থাত উদ্ধাৰকৃত আন এজন শ্ৰমিক বাতৰি যুগুতোৱালৈকে গোৱালপাৰা চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। জল জীৱন মিছন আঁচনিৰ অধীনত ৰংছাইৰ জুৰিগাঁৱত নিৰ্মাণৰত পানীৰ টেংকিত আজি আবেলি কৰ্তব্যৰত শ্ৰমিক কেইজনে কাম কৰিবলৈ লয়। স্থানীয় লোকে জনোৱা মতে, প্ৰথমতে হামিদুল শ্বেখ নামৰ শ্ৰমিকজনে পানীৰ টেংকিৰ ভিতৰত কাম কৰিবলৈ নামি যায়। টেংকিত নমামাত্ৰকে হামিদুলে সংজ্ঞাহীন হৈ পৰে। তেওঁৰ ভয়ংকৰ অৱস্থা দেখি জীৱন্তে উদ্ধাৰৰ বাবে ছেংবান চাংমাই লগে লগে টেংকিত নামি চেষ্টা চলোৱাৰ মুহূৰ্ততে তেওঁৰো একেই অৱস্থা হয়। ইয়াৰ পাছতে ঘটনাস্থলীত হুৱাদুৱা লাগে। ইপিনে, চকুৰ সন্মুখতে দুজনকৈ সতীৰ্থ শ্ৰমিক টেংকিৰ ভিতৰত ছট্‌ফটাই থকা দেখি মনি হুছেইনেও নামি উদ্ধাৰৰ চেষ্টা চলাওতে তেৰোঁ সংজ্ঞাহীন হৈ পৰে । এই ভয়ংকৰ ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে লগে লগে ৰংছাই আৰক্ষী চকীত খবৰ দিয়ে। আনহাতে, খবৰ পোৱা মাত্ৰকে ৰংছাই আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হয়। পাছত, আৰক্ষী আৰু স্থানীয় ৰাইজৰ আপ্ৰাণ প্ৰচেষ্টাত সংজ্ঞাহীন শ্ৰমিককেইজনক ছয় পৃষ্ঠাত চাওক

## ভখুৱাদিয়াত স্বামীয়ে নৃশংসভাৱে হত্যা কৰিলে পত্নীক

**হত্যাকাৰীক গ্ৰেপ্তাৰ আৰক্ষীৰ**



**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ১৯ জুলাই ঃ** কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত ভখুৱাদিয়া গাঁৱত আজি সংঘটিত হয় এক নৃশংস হত্যাকাণ্ড। গাঁওখনৰ বাহেজ আলীয়ে চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা কৰে পত্নী মফিদা খাতুনক। বিয়লি প্ৰায় দুই বজাত সংঘটিত হয় এই ঘটনা। পাৰিবাৰিক কন্দলৰ বাবেই স্বামীয়ে অতি নৃশংসভাৱে হত্যা কৰে মফিদা খাতুন ছয় পৃষ্ঠাত চাওক

## নগাঁৱত কেঁচু খান্দোতেই সাপ ওলাল

**■ তিনি দুৰ্ধৰ্ষ অপৰাধীক গ্ৰেপ্তাৰ**

**■ বহু পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ**



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** নগাঁৱত আৰক্ষীৰ অভিযানত কেঁচু খান্দোতেই সাপ ওলাল। নগাঁও আৰক্ষী নিবেশৰ এজন আৰক্ষী জোৱানৰ আৱাস গৃহৰ পৰা ন জুলাইত একে-৪৭ ৰাইফলৰ ৯০ জাঁই সক্ৰিয় গুলি চুৰি হোৱাৰ ঘটনাৰ তদন্ত কৰি থকাৰ সময়তে নগাঁও আৰক্ষীয়ে নগাঁৱত বিভিন্ন সময়ত হৈ থকা চুৰি-ডকাইতি ঘটনাৰ লগত জড়িত তিনিজন দুধৰ্ষ অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা বুজন পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে এই সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা অভিযুক্ত কেইজন হৈছে নগাঁও জিলাৰ ধিং আৰক্ষী থানাৰ অন্তৰ্গত সোনাৰি গাঁৱৰ শ্যাম হাজৰিকা (২৪), ছয় পৃষ্ঠাত চাওক

## চতিয়াত পুনৰ জাপানী এনকেফেলাইটিছত দুজন আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৯ জুলাই ঃ** বিশ্বনাথ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত পুৰণি চেণ্টাৰত বিগত ১৩ জুলাইত প্ৰমোদ ভট্টাচাৰ্য নামৰ এজন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰাৰ পাছত পুনৰ ইটাখোলাত দুজন লোক এই ৰোগত আক্ৰান্ত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি চতিয়া এক নম্বৰ ইটাখোলা গাঁৱৰ বাসিন্দা সত্য নাৰায়ণ গুপ্তা (৭২) যোৱা কে'বাদিনো ধৰি অত্যন্ত জ্বৰত ভুগি আছিল। পৰিয়ালৰ লোকে যোৱা ১৭ জুলাইত তেজ পৰীক্ষা কৰাত জাপানীজ ছয় পৃষ্ঠাত চাওক

## চৰকাৰৰ অৱহেলাত মধুপুৰ সত্ৰৰ ভৱিষ্যৎ অন্ধকাৰ

**■ সত্ৰাধিকাৰৰ মন্তব্যত প্ৰতিক্ৰিয়া সত্ৰ সমিতিৰ**

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৯ জুলাই ঃ** কোচবিহাৰত অৱস্থিত ঐতিহাসিক মধুপুৰ সত্ৰ সময়ৰ সোঁতত সত্ৰখনৰ অস্তিত্ব বিলোপ হ'ব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত আৰু এই সন্দৰ্ভত মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই কৰা কেতবোৰ মন্তব্যত মধুপুৰ সত্ৰ সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰেৰণ কৰা বিবৃতিত কয় যে সত্ৰাধিকাৰে সত্ৰখনলৈ অসম চৰকাৰ আৰু পশ্চিমবংগ চৰকাৰে কোনো ধৰণৰ সহায়-সহযোগ আৰু অনুদান আগবঢ়োৱা নাই বুলি কোৱা অভিযোগ সত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সত্ৰখনৰ আন্তঃগাঁথনিৰ উন্নয়নকে ধৰি অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সত্ৰ সমিতিৰ সহযোগত দুয়োখন চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি আহিছে। পশ্চিমবংগ চৰকাৰে ৩১ নম্বৰ ঘাইপথৰ পৰা সত্ৰৰ সন্মুখলৈ যোৱা পথটো পকী পথ হিচাপে নিৰ্মাণ কৰিছে। ইয়াৰ লগতে পশ্চিমবংগ চৰকাৰে সত্ৰ চৌহদত অতিথিশালা নিৰ্মাণ কৰাকে ধৰি শেহতীয়াভাৱে নলাৰে পানী যোগান ধৰা আঁচনি সম্পূৰ্ণ কৰিছে। অসম চৰকাৰে মহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ৰ পৰাই বৰ্তমান ডº হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে সত্ৰখনৰ উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্প গ্ৰহণ কৰিছে। অসম চৰকাৰৰ ছয় পৃষ্ঠাত চাওক

## বিলাসী বাহন, চুৰি গৰুসহ তিনিজনক আটক চামগুৰিৰ বাজিয়াগাঁৱত

**চুৰি গৰুৰে গো-মাংসৰ ৰমৰমীয়া ব্যৱসায়**



**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৯ জুলাই ঃ** পথৰ কাষত চৰি থকা উদঙীয়া গৰু বিলাসী বাহনত চুৰি কৰি আনি গো-মাংসৰ বেপাৰৰ বাবে মজুত কৰি থ'বলৈ আনোতে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনস্থ বাজিয়াগাঁৱৰ সচেতন ৰাইজৰ জালত পৰে আজি তিনিজনকৈ গভাইত গৰু চোৰ। এই গৰু চোৰ তিনিজনৰ লগত সাঙোৰ খাই পৰিছে গো-মাংস বিক্ৰী কৰা এজন ছয় পৃষ্ঠাত চাওক

## মুকালমুৱাত কৃষিকৰ্মক লৈ হত্যাকাণ্ড ঃ কনিষ্ঠ ভ্ৰাতৃয়ে হত্যা কৰিলে জ্যেষ্ঠক

**মুকালমুৱা, ১৯ জুলাই ঃ** নলবাৰীৰ মুকালমুৱাত কৃষিকৰ্মক লৈ দুই ভ্ৰাতৃৰ মাজত সৃষ্টি হোৱা সংঘাতে চূড়ান্ত পৰ্যায় পায়। কৃষিৰ বাবেই কনিষ্ঠ ভ্ৰাতৃয়ে হত্যা কৰে জ্যেষ্ঠ ভ্ৰাতৃক। উত্তৰ বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত কছুৱা গাঁৱত আজি সংঘটিত হয় এই লোমহৰ্ষক হত্যাকাণ্ড। গাঁওখনৰ বসন্ত মেধী (৬৬)ক একে পিতৃৰ সন্তান প্ৰণৱ মেধীয়ে মৰিয়াই-মৰিয়াই হত্যা কৰে। তথ্য মতে, আধিয়া মাটিত খেতি কৰাক কেন্দ্ৰ কৰিয়ে লোমহৰ্ষক হত্যাকাণ্ডটো সংঘটিত হয়। আজি দুপৰীয়াৰ ভাগত প্ৰখৰ ৰ'দকো নেওচি দুয়ো ভ্ৰাতৃয়ে কৰ্মত নিয়োজিত হৈ থকা অৱস্থাতে হঠাৎ কিবা কথাক লৈ দুয়োৰে মাজত বাকবিতণ্ডা হয়। পৰৱৰ্তী সময়ত খেতি পথাৰতে বসন্তক মূৰত কোবাই-কোবাই আহত কৰে ভ্ৰাতৃ প্ৰণৱে। তেজেৰে তুমৰলি বসন্তক ততাতৈয়াকৈ ১০৮ মৃত্যুঞ্জয় সেৱাৰে মুকালমুৱা চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে সংকটজনক অৱস্থাত জিএমচি ছয় পৃষ্ঠাত চাওক

## সোনাই-ৰূপাই অভয়াৰণ্যত চোৰাং কাঠকটীয়াৰ দপদপনি


**■ বনকৰ্মীৰ হাতত আটক এজন কাঠকটীয়া, কে'বাখনো চাইকেল জব্দ**

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৯ জুলাই ঃ** জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ সোনাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যখনৰ দুৰ্গম অঞ্চলত চোৰাং কাঠকটিয়াই প্ৰৱেশ কৰি দিনে-নিশাই অবাধ হাৰত চলাই আহিছে বনধ্বংস। আপুৰুগীয়া বন্যপ্ৰাণী আৰু মূল্যৱান গছ-গছনিৰে ভৰপূৰ তথা জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যখনত সম্প্ৰতি চৰাই চিৰিকটিৰ মাতৰ বিপৰীতে যন্ত্ৰ চালিত কৰতৰ শব্দই ৰজনজনাই আছে। শুনিবলৈ আচৰিত যেন লাগিলেও বাস্তৱ কথাটো এই যে মিছামাৰীৰ উত্তৰ দিশত থকা ২২০ বৰ্গ কিলোমিটাৰ ভূমিৰে আগুৰি থকা সোণাই-ৰূপাই ছয় পৃষ্ঠাত চাওক



## হোজাইত ড্ৰাগছসহ আটক এক



**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৯ জুলাই ঃ** হোজাই আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। যোৱা নিশা হোজাই আৰক্ষীয়ে অভিযান চলাই প্ৰায় কোটি টকা মূল্যৰ ব্ৰাউন ছুগাৰসহ এজনক গ্ৰেপ্তাৰ কৰে। হোজাই আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি হোজাই ৰেল ষ্টেছনৰ সমীপৰ পৰা নিষিদ্ধ ব্ৰাউন ছুগাৰসহ এজন লোকক আটক কৰে। আৰক্ষীয়ে দেৱশীষ হৰ নামৰ এজনৰ পৰা জব্দ কৰে ৯৮৩ গ্ৰাম সন্দেহজনক ব্ৰাউন ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ২০ জুলাই ২০২২

# বিত্তীয় পৰিস্থিতি

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে সংসদত এই তথ্য দিছে যে যোৱা আঠটা বছৰত মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰা টকাৰ মূল্য ২৫.৩৯ শতাংশ হ্ৰাস পাইছে। যোৱা ২০১৪ত যেতিয়া বিজেপি চৰকাৰে কেন্দ্ৰৰ শাসন ক্ষমতা দখল কৰিছিল, তেতিয়া মাৰ্কিন ডলাৰৰ বিপৰীতে টকাৰ মূল্য আছিল ৬৩.৩৩ টকা। এতিয়া ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস পাই হৈছেগৈ ৭৯.৪১ টকা। অৰ্থাৎ যোৱা আঠোটা বছৰত ডলাৰৰ বিপৰীতে ১৬.০৮ টকা ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাস হৈছে। সহজভাৱে ক'বলৈ ২০১৪ত ৬৩.৩৩ টকাৰে এক ডলাৰ ক্ৰয় কৰিব পাৰিছিল, এতিয়া ৭৯.৪১ টকাৰেহে এক ডলাৰ ক্ৰয় কৰিব পৰা যাব।

লোকসভাৰ দুগৰাকী সাংসদ দীপক বাইজ আৰু বিজয় বসন্তে সংসদত সোধা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বিত্ত বিভাগে এই তথ্য আগবঢ়াইছে। যোৱা কিছুদিন ধৰি মাৰ্কিন ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাসৰ ধাৰা অব্যাহত থকা দেখা গৈছে। এনেদৰে ডলাৰৰ মূল্য বৃদ্ধি পাই থাকিলে কিছুদিনৰ ভিতৰতেই এশ টকাৰে এক মাৰ্কিন ডলাৰ কিনিব লাগিব বুলি আশংকাৰ সৃষ্টি হৈছে। টকাৰ মূল্য ডলাৰৰ বিপৰীতে হ্ৰাস পোৱাৰ অৰ্থ হ'ল বিদেশী মুদ্ৰাৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস হোৱা। এনেদৰে কেন্দ্ৰৰ বিজেপি চৰকাৰৰ কাৰ্যকালত এইদৰে টকাৰ আন্তৰ্জাতিক মূল্য হ্ৰাস পাবলৈ ধৰিছে আৰু আনহাতে ভাৰতবৰ্ষত মুদ্ৰাস্ফীতিও সমান্তৰালভাৱে বাঢ়িছে। মূল্যবৃদ্ধিৰ চাপে জনসাধাৰণক জুৰুলা কৰি তুলিছে। বিশেষকৈ পেট্ৰ'ল-ডিজেল আদি ইন্ধন আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধিয়ে দেশৰ জনসাধাৰণক একপ্ৰকাৰ ক্ষুব্ধ কৰি তুলিছে। যোৱা চাৰিটা দশকৰ ভিতৰতেই সৰ্বাধিক মুদ্ৰাস্ফীতি ঘটিছে এই বছৰটোত।


অৰ্থনীতিবিদসকলে বিশ্লেষণ কৰি কৈছে যে দেশত চাহিদা ভিত্তিক মুদ্ৰাস্ফীতি আৰু কেঁচামালৰ দাম বঢ়াৰ বাবে হোৱা মূল্যভিত্তিক মুদ্ৰাস্ফীতি দুয়োটাই সমানে হ'বলৈ ধৰিছে। ক'ভিড-১৯ মহামাৰীৰ পাছত হ্ৰাস পোৱা চাহিদা পুনৰ বৃদ্ধি পাবলৈ ধৰিছে যদিও এই চাহিদাৰ পৰিমাণৰ বিপৰীতে পণ্য অথবা সেৱা বৃদ্ধি কৰিব পৰা নাই। হয়তো তাকে কৰিবলৈ উৎপাদনকাৰী কোম্পানীসমূহে অধিক সময় প্ৰয়োজন হ'ব। আনহাতে, ৰাছিয়া-ইউক্ৰেইন যুদ্ধই বিশ্বৰ অৰ্থনীতিৰ সুকীয়াকৈ চাপৰ সৃষ্টি কৰিছে। এই যুদ্ধৰ ফলত খাৰুৱা তেলৰ দাম বৃদ্ধি পাই গৈ আছে। খাৰুৱা তেলৰ দাম বৃদ্ধিৰ লগে লগে সকলো ব্যৱস্থাতেই পৰিবহণ ব্যয় বৃদ্ধি পাইছে। ৰাছিয়া আৰু ইউক্ৰেইন বিশ্বৰ অন্যতম ঘেঁহু ৰপ্তানিকাৰী দেশ। এই দুয়োখন দেশেই ঘেঁহু ৰপ্তানি প্ৰায় বন্ধ কৰি দিছে। একেদৰেই সাৰ আৰু বিভিন্ন ধাতুৰ দামো বৃদ্ধি পাইছে। এইবোৰ সামগ্ৰী পাবলৈ নাইকিয়া হৈ পৰিছে। এনে অৰ্থনৈতিক ফান্দৰ পৰা পৰিত্ৰাণ পোৱাটো অতি কঠিন। ভাৰতীয় ৰিজাৰ্ভ বেংকে চাহিদা নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'লেও যোগান হ্ৰাস বৃদ্ধি কৰিব নোৱাৰে। যুদ্ধ আৰু ভৌগোলিক তথা ৰাজনৈতিক পৰিস্থিতি শাম কাটিলেও যোগান স্বাভাৱিক নোহোৱালৈকে মূল্যবৃদ্ধিৰ সন্মুখীন হ'ব লাগিব দেশবাসী।

বৰ্তমান শ্ৰীলংকাৰ পৰিস্থিতিলৈ চাই বহুতেই ভাৰতবৰ্ষৰো পৰিস্থিতি অদূৰ ভৱিষ্যতে গভীৰ সংকটৰ মাজলৈ যাব পাৰে বুলি সন্দেহ কৰিছে। ইফালে, শ্ৰীলংকাৰ উপৰি নেপাল, মালদ্বীপ আদি দেশতো অৰ্থনৈতিক মহাসংকট আৰম্ভ হৈছে। তদুপৰি পাকিস্তানত চলিছে ৰাজনৈতিক অনিশ্চয়তা। এই আটাইবোৰ পৰিস্থিতিয়ে দেশৰ অৰ্থনীতিত আঘাত হানিব পাৰে বুলি আশংকা কৰা হৈছে। চৰকাৰে এই অৰ্থনৈতিক সংকটময় পৰিস্থিতি কেনেদৰে চম্ভালে তাৰ ওপৰতেই দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব।

## স্বেচ্ছাচাৰীক জনতাই দিলে উচিত শিক্ষা

# শ্ৰীলংকাই দেখুৱাইছে গণতান্ত্ৰিক সংগ্ৰামৰ বাট

নিউজ স্কেন



গীতাৰ্থ পাঠক

শ্ৰীলংকাৰ অভূতপূৰ্ব ঘটনাৱলীয়ে বিশ্বৰ গণতান্ত্ৰিক আন্দোলনত এক নতুন মাত্ৰাৰ সূচনা কৰিছে। শ্ৰীলংকাৰ বহিষ্কৃত ৰাষ্ট্ৰপতি গোটাবায়া আৰু তেওঁৰ পৰিয়ালৰ ক্ষমতা দখল কৰি খামোচ মাৰি থকাৰ অনন্ত হাবিয়াস, মানৱাধিকাৰ ভংগৰ অভিলেখ, সংখ্যালঘুৰ অধিকাৰ খৰ্ব আদি ঘটনাবোৰ জনসাধাৰণৰ এই অভ্যুত্থানে বাৰুকৈয়ে দাঙি ধৰিছে।

'জনতাৰ সংগ্ৰাম' যাক সিংহলীসকলে এইবাৰ 'জনথা আৰাগালয়া' বুলি অভিহিত কৰিছে সেই জনতাৰ সংগ্ৰামে দেখুৱাই দিছে ক্ষমতাত মহীৰুহ হৈ বহি থকাসকলৰ ক্ষমতা কেনেদৰে তাচৰ পাতৰ দৰে উৰুৱাই দিব পাৰে আৰু দেখুৱাই দিছে অসংগঠিত এক আন্দোলনক ৰাইজৰ ৰোষে কেনেদৰে সংগঠিত এক বিদ্ৰোহলৈ ৰূপান্তৰিত কৰিব পাৰে। শ্ৰীলংকাত দেখা দিয়া অভূতপূৰ্ব অৰ্থনৈতিক সংকট, আকাশলংঘী মূল্যবৃদ্ধি আদিয়ে এই গণতান্ত্ৰিক আন্দোলনৰ অন্যতম কাৰক বুলি কোৱা হৈছে। দুখীয়াসকলে ল'ৰা-ছোৱালী তথা শিশুসকলৰ বাবে এখন পাওৰুটি অথবা অকণ গাখীৰ ক্ৰয় কৰিবলৈ অসমৰ্থ যেনেদৰে হৈ পৰিছে তেনেদৰে যিসকল তুলনামূলকভাৱে অৰ্থনৈতিকভাৱে স্বচ্ছল, সেইসকলেও ইন্ধনৰ অভাৱত গাড়ী-মটৰ চলাব নোৱাৰা হৈছে। ৰন্ধা-বঢ়াৰ বাবে ৰন্ধন গেছ পাবলৈ নাই, পালেও দাম অদ্ভুতভাৱে চৰা। বাহিৰলৈ ওলাই যাবলৈ পেট্ৰ'ল-ডিজেলৰ অভাৱত যান-বাহন নাই, ঘৰত বহি থাকিবলৈ বিদ্যুৎ নাই। এনে এক অভূতপূৰ্ব সংকটৰ গৰাহলৈ ভাৰতৰ চুবুৰীয়া দেশখন কেনেদৰে পতিত হ'ল সেয়া বিশ্লেষণযোগ্য।

সেই দেশখনৰ চৰকাৰে এই অভূতপূৰ্ব সংকটৰ বাবে ক'ভিড মহামাৰীকেই দোষাৰোপ কৰি গা বচাবলৈ বিচাৰিছিল। চৰকাৰী ভাষ্য এয়ে যে মহামাৰীৰ বাবেই দেশখনৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ খালী হৈছিল— বস্ত্ৰ, চাহ আদি পণ্যৰ ৰপ্তানি বন্ধ হৈ পৰিছিল, পৰ্যটন উদ্যোগ বিকল হৈ পৰিছিল ইত্যাদি। পিছে সমালোচকসকলে কৈছে যে গোটাবায়া চৰকাৰৰ অবিবেচক নীতি-অপশাসনেই সকলো অথৰ্বৰ মূল। নিৰ্বাচনত জয়ী হোৱাৰ পাছত কৰ-কাটল কৰ্তন, ব্যাপক দুৰ্নীতিৰ পয়োভৰ, ৰাষ্ট্ৰপতিগৰাকীৰ দ্বাৰা ৰাসায়নিক সাৰ প্ৰয়োগ নিষিদ্ধৰ সিদ্ধান্ত আদিয়েই শ্ৰীলংকাৰ সংকট গভীৰ কৰি তুলিছে। যিয়ে যি নকওক কিয়, সাধাৰণ মানুহে চৰকাৰৰ বিফলতাৰ কাৰণ বিচাৰি মূৰ ঘমোৱা নাই অথবা চৰকাৰ কোনে চলাইছে, তালৈকো ভ্ৰূক্ষেপ নাই। সাধাৰণ মানুহৰ ক্ষোভ বা বিক্ষোভ এয়ে যে তেওঁলোকৰ পৰিয়াল, ল'ৰা-ছোৱালীয়ে অনাহাৰে-অৰ্ধাহাৰে দিন কটাবলগীয়া হৈছে। যোৱা ফেব্ৰুৱাৰীৰ পৰাই জনতাৰ ক্ষোভৰ প্ৰকাশ পাইছে ছ'চিয়েল মিডিয়া আৰু অন্যান্য মাধ্যমত। লাহে লাহে অলিয়ে-গলিয়ে মানুহ সমবেত হ'বলৈ ধৰে। এখন দুখনকৈ হেজাৰ হেজাৰ প্ৰতিবাদী পোষ্টাৰেৰে ৰাজধানী নগৰী ভৰি পৰিবলৈ ধৰে। এই প্ৰাথমিক ৰাইজৰ ক্ষোভৰ উত্থান আছিল অসংগঠিত, তথা বিশৃংখলাপূৰ্ণ— তথাপি সকলোৱে একেমুখে বিচাৰিছিল— ৰাজাপক্ষৰ পৰিয়ালতান্ত্ৰিক চৰকাৰৰ পতন। এনেদৰেই 'গো গোটাবায়া' সমস্বৰেৰে শ্ৰীলংকাত ৰাজাপক্ষ চৰকাৰৰ অপশাসন আৰু দুৰ্নীতিৰ বিৰুদ্ধে গঢ় লৈ উঠিছিল জনথা আৰগালয়া।



বৰ্তমান আমাৰ দেশত দেখা দিয়া তীব্ৰ মুদ্ৰাস্ফীতি, মূল্যবৃদ্ধি, ইন্ধন তথা পেট্ৰ'ল-ডিজেলৰ চৰা দাম, ৰন্ধন গেছৰ মূল্যই সৰ্বকালৰ অভিলেখ সৃষ্টি কৰা, ঔদ্যোগিক উৎপাদন হ্ৰাস, বিদেশী পুঁজিৰ স্ৰোত বন্ধ হোৱা, নিবনুৱা সমস্যাই দেশখনত যুৱ প্ৰজন্মৰ মাজত তীব্ৰ হতাশাৰ সৃষ্টি কৰা ঘটনাৱলীয়ে আমাক একপ্ৰকাৰৰ সচকিত কৰি তুলিছে— কিজানিবা আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাও শ্ৰীলংকাৰ দৰে হয়েই। আমি আশা নকৰো আমাৰ দেশখনৰ গতি শ্ৰীলংকাৰ দৰে হওক; কিন্তু অৰ্থনৈতিক পৰিসংখ্যা আৰু বিশ্লেষকসকলে আগবঢ়োৱা বক্তব্যই আমাক শংকিত কৰি তোলাৰ থল আছে।

যোৱা ২০০৯ত শ্ৰীলংকাত চলি থকা গৃহযুদ্ধৰ অৱসানৰ পাছত দেশখনৰ উত্তৰ আৰু পূবত বসবাস কৰা সংখ্যাগুৰু তামিলসকলৰ বাবে আছিল এক দুঃসময়। তামিল যুৱক-যুৱতীসকল হঠাৎ নিৰুদ্দেশ হৈ যোৱাৰ বিৰুদ্ধে তামিলসকলৰ ন্যায়ৰ সংগ্ৰাম, সামৰিক বাহিনীৰ দ্বাৰা তেওঁলোকৰ ভূমি দখল, উপাসনাৰ স্থানবোৰ পুৰাতাত্ত্বিক বিভাগৰ দ্বাৰা দখলকৰণ ইত্যাদিয়ে তামিলসকলৰ জীৱন যাপন দুঃসহ কৰি পেলাইছিল। অকল তামিলসকলেই নহয়, শ্ৰীলংকাত বসবাস কৰা সংখ্যালঘু মুছলমানসকলো ৰাজাপক্ষ চৰকাৰৰ একপক্ষীয় তথা সাম্প্ৰদায়িক নীতিৰ চিকাৰ হৈ পৰিছিল। যোৱা ২০২১ৰ পৰাই শ্ৰীলংকাত প্ৰতিবাদ আন্দোলনৰ সূত্ৰপাত হ'বলৈ ধৰিছিল। ৰাষ্ট্ৰপতি গোটাবায়াই ডলাৰ ভাণ্ডাৰ বচাবলৈ গৈ আমদানিকৃত ৰাসায়নিক সাৰ ক্ৰয় বন্ধ কৰা নীতিৰ বিৰুদ্ধে প্ৰতিবাদ আন্দোলন আৰম্ভ কৰিছিল। হঠাৎ এনেদৰে ৰাসায়নিক সাৰৰ ওপৰত জাৰি কৰা নিষিদ্ধকৰণে দেশখনৰ কৃষক তথা কৃষি ব্যৱস্থাৰ মেৰুদণ্ড ভাগি পেলাইছিল। দেশখনৰ বস্ত্ৰ উদ্যোগৰ শ্ৰমিক কৰ্মচাৰী, স্কুলৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলে আৰম্ভ কৰিবলৈ ধৰিছিল প্ৰতিবাদ আন্দোলন। তেওঁলোকে বিচাৰিছিল উচ্চ শিক্ষাৰ শিতানত চৰকাৰী ব্যয় বৃদ্ধিকৰণ, দৰমহা বৃদ্ধি আদি। এনেবোৰ খণ্ড খণ্ড আন্দোলন তথা প্ৰতিবাদক প্ৰথমতে চৰকাৰ তথা দেশখনৰ অভিজাত শ্ৰেণীটোৱে গুৰুত্বই দিয়া নাছিল, তেওঁলোকে বৰঞ্চ প্ৰতিবাদীসকলে ৰাস্তা-ঘাটত যান-জঁটৰ সৃষ্টি কৰা বাবে বিৰক্তহে হৈ পৰিছিল। পিছে এই আন্দোলনত অংশগ্ৰহণ কোনো বিশেষ সম্প্ৰদায় বা ভাষা-ভাষীয়ে কৰা নাছিল। গোটাবায়া চৰকাৰৰ বিৰুদ্ধে হোৱা এই জাগৰণত চামিল হৈছিল সিংহলীসকল, তামিল, সংখ্যালঘু মুছলমান, খ্ৰীষ্টান, ছাত্ৰ-ছাত্ৰী, শ্ৰমিক-কৰ্মচাৰীসকল।

**গোটাবায়া চৰকাৰৰ অবিবেচক নীতি-অপশাসনেই সকলো অথৰ্বৰ মূল। নিৰ্বাচনত জয়ী হোৱাৰ পাছত কৰ-কাটল কৰ্তন, ব্যাপক দুৰ্নীতিৰ পয়োভৰ, ৰাষ্ট্ৰপতিগৰাকীৰ দ্বাৰা ৰাসায়নিক সাৰ প্ৰয়োগ নিষিদ্ধৰ সিদ্ধান্ত আদিয়েই শ্ৰীলংকাৰ সংকট গভীৰ কৰি তুলিছে।**

এহাতে আন্দোলনৰ তীব্ৰতা বৃদ্ধি, আনহাতে, আন্দোলনকাৰীসকলৰ মাজত বুজাবুজিৰ সম্প্ৰসাৰণ, আনহাতে, দেশখনৰ অৰ্থনৈতিক সংকট গভীৰৰ পৰা গভীৰতৰ হোৱা ঘটনাই গোটাবায়া চৰকাৰৰ বিৰুদ্ধে সৃষ্টি হোৱা ক্ষোভৰ ফিৰিঙতিবোৰ খাণ্ডৱদাহৰ পৰ্যায়লৈ লৈ গৈছিল। যোৱা ৩১ মাৰ্চত প্ৰথমটো বৃহৎ বিক্ষোভৰ বহিৰ্প্ৰকাশ ঘটিছিল যেতিয়া বিক্ষুব্ধ নাগৰিকসকলে গোটাবায়াৰ মিৰিহানাত অৱস্থিত নিজস্ব বাসগৃহৰ চাৰিওফালে সমবেত হৈছিল। চৰকাৰে এই বিক্ষোভ দমন কৰাৰ বাবে ১৩ ঘণ্টাজোৰা বিদ্যুৎ কৰ্তন, পুলিচ মোতায়েন, কন্দুৱা গেছ, জলকামান আদি ব্যৱহাৰ কৰি বিক্ষোভকাৰীসকলক আঁতৰাই পঠাবলৈ চেষ্টা কৰিছিল। আন্দোলনকাৰী জনতাক এশিকনি দিয়াৰ বাবে চৰকাৰে নিৰ্মমভাৱে চলাইছিল পুলিচী অভিযান। সান্ধ্য আইন জাৰি, তাৰ পাছত জৰুৰীকালীন অৱস্থা ঘোষণা। ৰাষ্ট্ৰপতিয়ে আন্দোলনকাৰী সকলক সন্ত্ৰাসবাদী আখ্যা দিয়া কাৰ্যই জ্বলা জুইত ঘিউ ঢালিছিল। চৰকাৰে আন্দোলন যিমানে দমন কৰিছিল সিমানেই আন্দোলন শক্তিশালী হৈছিল। অৱশেষত যোৱা ন এপ্ৰিলত প্ৰথমটো বিস্ফোৰণ হয় গণ আন্দোলন তথা জনথা আৰাগালয়াৰ। লাখ লাখ লোকে ক'লা সাজ-পাৰ পিন্ধি কলম্বোৰ সমুদ্ৰ পাৰৰ গালে ফেচত সমবেত হৈছিল। ৰাষ্ট্ৰপতি গোটাবায়াৰ বিৰুদ্ধে ধ্বনি দিছিল— তেওঁক বলিয়া, চোৰ আদি আখ্যা দি কাৰাগাৰত নিক্ষেপ কৰাৰ দাবী জনাইছিল। লাহে লাহে গালে ফেচত শিবিৰ পাতি শ্ৰীলংকাৰ জনসাধাৰণে প্ৰতিবাদ অব্যাহত ৰাখিবলৈ ধৰে। যোৱা ন মে'ত প্ৰধানমন্ত্ৰীৰ স'তে শাসকীয় দলৰ কৰ্মীসকলৰ সভা এখন অনুষ্ঠিত হোৱাৰ পাছত শাসকীয় দলৰ সমৰ্থকসকলে বিক্ষোভস্থলীলৈ গৈ শান্তিপূৰ্ণভাৱে বিক্ষোভ প্ৰদৰ্শন কৰা লোকসকলক বেয়াকৈ মাৰধৰ কৰি বহুতকে আঘাতপ্ৰাপ্ত কৰে। ইয়াৰ পাছত ক্ষুব্ধ জনসাধাৰণৰ ক্ষোভ বিস্ফোৰিত হয়। আৰম্ভ হয় লংকাকাণ্ড। বহু চৰকাৰী পক্ষৰ সাংসদ আৰু ৰাজাপক্ষৰ বাসগৃহত অগ্নিসংযোগ কৰে বিক্ষোভকাৰীসকলে। পাছলৈ প্ৰধানমন্ত্ৰী মহিন্দা ৰাজাপক্ষই পদত্যাগ কৰে। দুমাহ মান এনেদৰে পাৰ হোৱাৰ পাছত যোৱা ন জুলাইত গণবিক্ষোভ সৰ্বত্ৰ আৰম্ভ হয়। এই বিক্ষোভ ইমানেই প্ৰবল আছিল যে ৰাষ্ট্ৰপতি গোটাবায়াই পদত্যাগ কৰি দেশ এৰি পলাই যাবলৈ বাধ্য হয়। ৰাজনৈতিক আশ্ৰয় বিচাৰি গোটাবায়াই ইখনৰ পাছত সিখন দেশ ভ্ৰমিবলৈ ধৰিলে। বৰ্তমানৰ অস্থায়ী ৰাষ্ট্ৰপতি ৰণিল ৱিক্ৰমসিংঘেৰ বিৰুদ্ধেও জনসাধাৰণৰ ক্ষোভ আছে। সি যি কি নহওক, দেশখনত গণতান্ত্ৰিকভাৱে নিৰ্বাচন অনুষ্ঠিত হ'লে দেশখনৰ বিধ্বস্ত অৰ্থনীতিক পুনৰ টনকিয়াল কৰাটো হ'ব নতুন গণতান্ত্ৰিক চৰকাৰৰ প্ৰথম কাম।


শ্ৰীলংকাত যি ঘটিল সেয়া ব্যতিক্ৰম নহয়। 'আৰৱ বসন্ত' আন্দোলনত যেনেদৰে কে'বাখনো দেশৰ স্বেচ্ছাচাৰী শাসকক জনসাধাৰণে ওফৰাই দিছিল, শ্ৰীলংকাৰ জনথা আৰাগালয়া সম্পূৰ্ণভাৱে তেনে ধৰণৰ নহয়। শ্ৰীলংকাত গণতান্ত্ৰিক শক্তিসমূহৰ ঐক্য বিশেষভাৱে মন কৰিবলগীয়া। তিনি বছৰ আগেয়ে বিপুল ভোটেৰে জয়লাভ কৰা গোটাবায়া চৰকাৰৰ ইমান সোনকালে এনে ধৰণৰ অধঃপতন হ'ব বুলি কোনেও ভবা নাছিল। সংখ্যাগুৰু সাম্প্ৰদায়িক তথা বিভেদৰ ৰাজনীতিয়ে চিৰকাল জনসাধাৰণক আৱিষ্ট কৰি ৰাখিব নোৱাৰে। আমাৰ দেশতো বৰ্তমান যি সংখ্যাগুৰু তোষণ, বিভেদকামী ৰাজনীতি চলিছে আৰু তাৰ সমান্তৰালভাৱে দেশখনৰ অৰ্থনীতি যি হাৰত বিপদসীমাৰ ওপৰলৈ গতি কৰিছে তালৈ চাই ক'ব পাৰি যে আমাৰ দেশৰ জনসাধাৰণৰ মনতো ক্ষোভ পুঞ্জীভূত হ'বলৈ ধৰিছে। ৰন্ধন গেছ, পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি, অত্যাৱশ্যকীয় আন আন দ্ৰব্যৰ তীব্ৰ মূল্যবৃদ্ধি আদিয়ে শ্ৰীলংকাৰ অৰ্থনীতিৰ ডুখৰীয়া ছবিকে প্ৰতিফলিত কৰি আহিছে।

সি যি কি নহওক, শ্ৰীলংকাত যদিহে পৰৱৰ্তী গণতান্ত্ৰিক জনতাৰ চৰকাৰ এখন গঠিত হয় আৰু দেশখনৰ বিভিন্ন জাতি-সম্প্ৰদায়, ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী লোকসকলৰ মাজত ঐক্য তথা সংহতি স্থাপিত হয় তেনেহ'লে বিশ্বৰ বিভিন্ন স্বেচ্ছাচাৰী চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে জনসাধাৰণক ঐক্যবদ্ধ হৈ সংগ্ৰাম কৰিবলৈ শ্ৰীলংকাৰ জনথা আৰাগালয়াই গণতান্ত্ৰিক শক্তিসমূহক উদ্‌গনি জনাব।

ফোন ঃ ৯৪৩৫০৪৮৪৮৪

## খোলা মঞ্চ

# অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



১৯৭৫ খ্ৰীঃ মানৰ কথা। আমি তেতিয়া দিছপুৰৰ অসম সচিবালয়ৰ চাকৰিয়াল। তেতিয়া অসম সচিবালয়ত সোমাবৰ বাবে এতিয়াৰ নিচিনা বাধা-নিষেধ নাছিল। খেয়াল খুচিত সোমাব পাৰি। কান্ধত বাতৰি কাকত ভৰ্তি এখন কাপোৰৰ মোনা আৰু হাতত এজাপ 'অগ্ৰদূত' কাকত লৈ ধুনীয়া ছোৱালী এজনীয়ে সচিবালয়ৰ বিভাগে বিভাগে 'অগ্ৰদূত' কাকতখন বিক্ৰী কৰি ফুৰে। কিনিবৰ মন নাথাকিলেও ছোৱালীজনীয়ে জোৰ কৰাৰ বাবে কাকত এখন কিনো; কিন্তু ৰঙিয়াৰ ৰীণা ডেকা নামৰ ছোৱালী এজনীক হত্যা কৰি ৰেল আলিৰ কাষত পেলাই থৈ যোৱাৰ বাতৰি প্ৰকাশ হোৱাৰ পাছৰে পৰা কাকতখনৰ প্ৰতি আকৰ্ষণ বাঢ়িল। তেতিয়া কাকতখন দিবলৈ ছোৱালীজনী অহালৈ চৎফটাই বাট চাই থাকো। প্ৰথম অৱস্থাত কাকতখন বিক্ৰী কৰিবলৈ আমাৰ ওচৰলৈ অহা ছোৱালীজনীক কেতিয়াবা কেতিয়াবা আমি বিচাৰি যাবলগীয়া হৈছিল। সেই কাৰণে কাকতখন নিয়মীয়াকৈ দিবলৈ অনুৰোধ কৰিছিলো। বোধহয় তেতিয়াৰ পৰাই 'অগ্ৰদূত' কাকতখন বেছি জনপ্ৰিয় হৈছিল, কাৰণ সেই সময়ত এতিয়াৰ দৰে হত্যা-বা ধৰ্ষণ সুলভ নাছিল। গতিকে ছোৱালী এজনীক হত্যা কৰি পেলাই থৈ যোৱা বাতৰিয়ে গোটেই অসম জোকাৰি গৈছিল। তাতে আকৌ পটুৱৈৰ অন্তৰ চুই যোৱাকৈ কৰা হত্যাকাণ্ডটোৰ ধাৰাবাহিক চিত্তশিহৰণকাৰী বৰ্ণনাই গৰম শিংৰা কিনা দি 'অগ্ৰদূত' খন কিনিবলৈ বাধ্য কৰিছিল মানুহক। ইটো সংখ্যা পঢ়াৰ পাছত পিছৰ সংখ্যাটো পঢ়িবলৈ উদগ্ৰীৱ হৈ আছিলো আমি। আৰু সেই তেতিয়াৰ পৰা আজিলৈ 'অগ্ৰদূত' কাকতখনৰ স্নেহ এৰিব পৰা নাই। বিশেষকৈ কনকসেন ডেকাৰ সাময়িক বিষয়ৰ ওপৰত বিশ্লেষণাত্মক লেখা আৰু বহু পণ্ডিত ব্যক্তিৰ প্ৰবন্ধই 'অগ্ৰদূত'ৰ আকৰ্ষণ বঢ়াই আছে।

সচৰাচৰ ডাঙৰ ব্যৱসায়ী বা ধনী ব্যক্তিয়েহে বাতৰি কাকতৰ ব্যৱসায় কৰে। আজি-কালি কৰ্পৰেট হাউচ অথবা ধনী ৰাজনৈতিক নেতাসকলেহে ছপা মাধ্যম বা বৈদ্যুতিন মাধ্যমৰ সংবাদ প্ৰতিষ্ঠানৰ গৰাকী হোৱা দেখা যায়। কিন্তু কনকসেন ডেকা এজন ৰাজনৈতিক নেতাও নহয়, ধনী ব্যৱসায়ীও নহয়। মঙলদৈত যেতিয়া তেওঁ 'অগ্ৰদূত' কাকতখন উলিওৱাৰ পৰিকল্পনা কৰিছিল, তেতিয়া তেওঁ আছিল এজন শিক্ষক। কিমান আত্মবিশ্বাস থাকিলে, কিমান সাহস থাকিলে কিমান মনোবল থাকিলে এজন শিক্ষকে নিজে সম্পাদনা কৰি বাতৰি কাকত এখন উলিয়াব পাৰে সেই কথা কনকসেন ডেকাৰ পৰা শিকিব লাগিব আৰু ব্যৱসায়ৰ কথা নাভাবি কিমান ভাষাপ্ৰেম থাকিলে, কিমান জাতিপ্ৰেম থাকিলে বাতৰি কাকত এখন উলিয়াব পাৰে বোধহয় কনকসেন ডেকাইহে ভালকৈ ক'ব পাৰিব। কনকসেন ডেকাক অসমীয়া জাতিৰ এটা বলিষ্ঠ কণ্ঠ বুলি ক'লেও বোধহয় বেছি কোৱা নহ'ব। সেই হিচাপে অসমীয়া জাতিৰ, অসমীয়া ভাষাৰ বলিষ্ঠ কণ্ঠ 'অগ্ৰদূত' কাকত। সেই কাৰণে 'অগ্ৰদূত' কাকতৰ জনপ্ৰিয়তা এতিয়াও আছে আৰু আগলৈও থাকিব বুলি আমাৰ বিশ্বাস।


'অগ্ৰদূত'ৰ কাৰ্যালয় মালিগাঁৱৰ পৰা দিছপুৰলৈ অহাৰ পাছত কনকসেন ডেকাক লগ ধৰাৰ মানসেৰে এদিন অফিচ ছুটীৰ পাছত 'অগ্ৰদূত'ৰ কাৰ্যালয়লৈ গৈ কাৰ্যালয়ত তেওঁৰ নিজৰ কোঠাত লগ ধৰিছিলো। প্ৰথম সাক্ষাততে তেওঁৰ ব্যক্তিত্ব আৰু মাৰ্জিত ব্যৱহাৰে আমাক মুগ্ধ কৰিছিল। আমি বহুত কথা পাতিছিলো। মই সাহিত্য চৰ্চা কৰা বুলি জানিব পাৰি তেওঁ বৰ ভাল পালে। তেওঁ মোক লেখি থাকিবলৈ উৎসাহ দিলে। মই বিনয়েৰে 'অগ্ৰদূত'ত লেখিব পাৰিম নেকি সোধাত তেওঁ হাঁহি মাৰি সুধিলে— কি লিখিব, কবিতা? নহয় মই চুটি গল্পহে লিখো বুলি কোৱাত তেওঁ ক'লে—কবিতা আৰু চুটিগল্প লেখা মানুহ বহুত ওলাইছে; কিন্তু হাস্য-ব্যংগ লেখা মানুহ নাই বুলিয়ে ক'ব পাৰি। মুষ্টিমেয় কেইজনমানেহে লিখি আছে। আপোনালোকৰ দৰে ডেকা লেখকে লেখা আৰম্ভ কৰিলেহে সাহিত্যৰ সেইটো ধাৰা সজীৱ হৈ উঠিব। 'হ'ব ছাৰ' বুলি কোৱাৰ বাহিৰে মোৰ বিকল্প নাছিল। ছাৰক কথাষাৰ ক'লোৱেই যেতিয়া তেতিয়াৰ পৰা মই হাস্য-ব্যংগ লেখা আৰম্ভ কৰিলো। কি হৈছিল নাজানো, লেখো আৰু অফিচ ছুটীৰ পাছত গৈ তেওঁৰ হাতত দি থৈ আহো। পাছৰ সংখ্যা তিনিদিনীয়া 'অগ্ৰদূত'ত প্ৰকাশ হয়। এৰা-ধৰাকৈ কে'বাবছৰো তেনেকৈ চলি আছিল। মই ভাবিছিলো 'অগ্ৰদূত' কাকতৰ সাহিত্যৰ সকলোকেইটা ধাৰাৰ লেখা প্ৰকাশৰ দ্বাৰা কাকতখনক সৰ্বাংগসুন্দৰ কৰি সজাই তুলি জাকতজিলিকা কৰি তোলাৰ বাবে আমাৰ বাবে নবীন লেখকসকলক বিভিন্ন দিশত লেখিবলৈ ডেকাছাৰে উৎসাহিত কৰিছে। সেই কাৰণে আমি যৎপৰোনাস্তি তেওঁৰ আদেশ পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। কনকসেন ডেকাৰ সপোনৰ 'অগ্ৰদূত'খনৰ প্ৰতি তেওঁৰ সমৰ্পিত মনোভাবৰ কাৰণে চাগে ৫০ বছৰ গৰকা কাকতখন কেৱল মাত্ৰ এখন কাকত নহৈ অসমীয়া জাতীয় জীৱনৰ সম্পদত পৰিণত হৈছে। 'অগ্ৰদূত' কাকতৰ এই সোণালী জয়ন্তীৰ শুভক্ষণত এই কাকতখনৰ লগত জড়িত মোৰ অলেখ মধুৰ স্মৃতিৰ কথা আজি মনলৈ আহিছে। কাকতখনৰ গৌৰৱময় যাত্ৰা অব্যাহত থাকক, তাকেই কামনা কৰিলো।

দাসো কলিতা, লেখক

দাসো কলিতা
ফোন ঃ ৯৪৩৫৩০৫০৫৬

# শ্ৰীলংকাৰ ঘটনা প্ৰবাহ মোদী আৰু মোদী বিৰোধীৰ ভাৱনা

অভিমত



ভাস্কৰ ফুকন

২০১৪ত দেশত কংগ্ৰেছ আৰু আন আন দলবোৰৰ বাবে এটা অভাবনীয় আৰু অকল্পনীয় ঘটনা ঘটিল । গুজৰাটৰ ১২ বছৰ পুৰণি মুখ্যমন্ত্ৰী কিন্তু ৰাষ্ট্ৰীয় ৰাজনীতিত একেবাৰে নতুন নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ৰাজনীতিত এক নতুন কাহিনীৰ সংযোজন ঘটালে। এক বৃহৎ ব্যৱধানত জয়ী হৈ বিজেপি আৰু মিত্ৰ দল মিলি গঠন হোৱা ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই দেশৰ শাসনভাৰ গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ল। কংগ্ৰেছ, বাওঁ গণতান্ত্ৰিক দল আৰু সমাজবাদী পাৰ্টি, ৰাষ্ট্ৰীয় জনতা দল, তৃণমূল কংগ্ৰেছ আদি দলত হুৰা দুৰা লাগিল । মোদীক প্ৰধানমন্ত্ৰীৰূপে স্বীকাৰ কৰিবলৈ এই দলবোৰৰ নেতা-নেত্ৰীসকল কোনো প্ৰকাৰে সন্মত নাছিল; কিন্তু গণতান্ত্ৰিকভাৱে নিৰ্বাচিত মোদীক স্বীকাৰ নকৰি উপায় নাছিল। এই নেতাসকলৰ অনেকে ভাবিছিল মোদীৰ পাঁচ বছৰীয়া কাৰ্যকাল শেষ হ'লেই দেশৰ পৰিস্থিতিৰ সলনি হ'ব আৰু ২০১৯ত পুনৰ আগৰ দৰে এখন চৰকাৰ গঠন হ'ব; কিন্তু তেনে নহ'ল। এই শক্তিসমূহে এইবাৰ মোদীক ক্ষমতাৰ পৰা আঁতৰোৱাৰ বাবে গণতান্ত্ৰিক অগণতান্ত্ৰিক যি কোনো পন্থা গ্ৰহণৰ প্ৰয়োজন অতি জৰুৰী বিবেচনা কৰি হিংসাত্মক কাৰ্যকলাপ আদিৰ জৰিয়তে হ'লেও মোদী বিৰোধী কাৰ্যকলাপ চলাই থাকিল।

বৰ্তমানৰ শ্ৰীলংকাৰ ঘটনা প্ৰৱাহে দেশৰ মোদী বিদ্বেষীসকলক আকৌ এবাৰ তৎপৰ কৰি তুলিছে। এই সকলে ধৰি লৈছে যে শ্ৰীলংকাৰ দৰে এক ঘটনা ভাৰতত হোৱাটো নিশ্চিত আৰু মোদী আৰু কেৱল মোদীয়েই এই ধৰণৰ পৰিস্থিতিৰ বাবে জগৰীয়া। এনে ধৰণৰ মন্তব্য আৰু ধাৰণা বৰ্তমান অসংখ্য আৰু তাৰে কেইটামান যথেষ্ট গুৰুত্বপূৰ্ণ। মোদীৰ প্ৰতি থকা হিংসা বা বিদ্বেষ আৰু শ্ৰীলংকাৰ পৰিস্থিতিৰ লগত ভাৰতৰ পৰিস্থিতি ৰিজাই দেশৰ গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল স্থানত অৱস্থান কৰা ব্যক্তিসকলে কৰা বেপৰোৱা, ভিত্তিহীন আৰু দায়িত্বজ্ঞানহীন মন্তব্যই দেশৰ জনগণৰ মনত নিশ্চয় বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব আৰু কৰিছে। এনে ধৰণৰ অবিবেচকী মন্তব্যই প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত ক্ষতি কৰক বা নকৰক দেশৰ ক্ষতি যে কৰিছে আৰু কৰিব সি নিশ্চিত।

অলপতে পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ ইদ্ৰিছ আলি নামৰ এজন বিধায়কে নিজৰ মনত থকা মোদী বিদ্বেষ প্ৰকাশ কৰিবলৈ গৈ যি ধৰণৰ কথাৰ অৱতাৰণা কৰিলে সেয়া অবিশ্বাস্য যেন লাগিলেও সত্য। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপাক্ষৰ বাসস্থান দখলৰ দৰে এক পৰিস্থিতিৰ সৃষ্টি কৰি প্ৰতিবাদী জনতাই ৰাষ্ট্ৰপতিজনক দেশৰ পৰা পলাই যাবলৈ বাধ্য কৰা ঘটনাৰ লগত ৰিজনি আনি ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰত এক ভৱিষ্যদ্বাণী কৰি এই বিধায়কজনে কয়, 'শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ ক্ষেত্ৰত যি হৈছে সেই একে ঘটনা ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীৰ ক্ষেত্ৰতো হ'ব। ভাৰতত ঘটি থকা ঘটনাবোৰ দেখি এই অনুমান কৰিব পৰা যায় যে মোদী চৰকাৰ সকলো ক্ষেত্ৰতে বিফল। ভাৰতত শ্ৰীলংকাতকৈ পৰিস্থিতি আৰু বেছি বেয়াহে হ'ব। মোদীয়েও ইয়াতকৈয়ো বেয়া পৰিস্থিতিত পৰি দেশ এৰি পলাই যাবলৈ বাধ্য হ'ব।' এনে মন্তব্য কোনো বিচাৰ বুদ্ধিৰ দ্বাৰা পৰিস্থিতি অধ্যয়ন নকৰাকৈ নিৰ্বিচাৰে আৰু ওপৰে ওপৰে কৰা মন্তব্য মাত্ৰ। ভাৰতৰ অৰ্থনীতি, দেশৰ সম্পদৰ প্ৰাচুৰ্য আৰু পৰিস্থিতি নিয়ন্ত্ৰণত নেতৃত্বৰ পাৰদৰ্শিতাৰ কথা চিন্তা নকৰাকৈ এনে ধৰণৰ মন্তব্য কৰাটো হতাশাৰ প্ৰতিফলনৰ বাহিৰে আন একো নহয়। অৰ্থনীতিৰ এক সংগত পৰিস্থিতি আৰু দেশৰ বিকাশৰ ধাৰাৰ প্ৰতি লক্ষ্য ৰাখি আৰু দেশৰ ৰাজহ অৰ্জনৰ উৎসৰ বিশালতাৰ প্ৰতি লক্ষ্য ৰাখি এই কথা কোৱা যায় যে শ্ৰীলংকাৰ দৰে এক পৰিস্থিতি ভাৰতত হোৱাৰ সংশয় বৰ্তমানে আহি পৰা নাই। ওপৰত উল্লেখ কৰা বিধায়কজনৰ মন্তব্য মোদীৰ প্ৰতি ঘৃণা আৰু হিংসাৰ প্ৰকাশ মাত্ৰ।

তদুপৰি এজন বিধায়কৰ এনে উক্তি তেওঁৰ দেশখনৰ অৰ্থনীতিৰ প্ৰতি থকা জ্ঞানৰ অভাৱৰ এক প্ৰকাশ মাত্ৰ।

দেশৰ অৰ্থনীতিবিদ সকলেই নহয় কিছুদিন আগেয়ে ভাৰত তথা অসম ভ্ৰমণলৈ অহা ছিংগাপুৰৰ সামাজিক নীতি আৰু আন আন চৰকাৰী নীতিৰ মাজৰ সামঞ্জস্য ৰখাৰ দায়িত্ব বহন কৰা জ্যেষ্ঠ মন্ত্ৰী থাৰমান সন্মুগৰত্নমেও ভাৰতবৰ্ষৰ বৰ্তমান পৰিস্থিতিৰ বিষয়ে শংকিত হোৱাৰ কাৰণ নাই বুলি মন্তব্য কৰিছে।

কিন্তু মন কৰিবলগীয়া কথা যে মোদী বিদ্বেষীসকলৰ বাবে দেশৰ এক বুজন সংখ্যক ভোটাৰে মোদীক জয়ী কৰাটোৱেই আছিল এক ভীষণ ভুল। ২০১৪ত দেশে এক গুৰুতৰ ভুল কাম কৰা বুলি এইসকল লোকে কৈ আহিছে, এতিয়াও কয় আৰু আগলৈয়ো কৈ থাকিব । ইয়াৰ কাৰণ অন্য একো নহয়, মোদীৰ প্ৰতি থকা এক বিদ্বেষ মাত্ৰ। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা মণিশংকৰ আয়াৰৰ ২০১৫ৰ পাকিস্তান ভ্ৰমণ কালত পাকিস্তানৰ এটা টেলিভিছন চেনেলত দিয়া সাক্ষাৎকাৰ এই ক্ষেত্ৰত উল্লেখযোগ্য। এই সাক্ষাৎকাৰত তেওঁ কৈছিল যে মোদীক প্ৰধানমন্ত্ৰী পদৰ পৰা আঁতৰ কৰিব নোৱাৰা পৰ্যন্ত পাকিস্তানৰ লগত সম্পৰ্ক উন্নীত কৰা সম্ভৱ নহয়।

যি কোনো প্ৰকাৰে মোদীক ক্ষমতাৰ পৰা আঁতৰ কৰিব লাগে -- বিৰোধী আৰু মোদী বিদ্বেষীবৃন্দৰ সেয়েই লক্ষ্য ; লাগিলে দেশত এক অৰাজক পৰিস্থিতি সৃষ্টি হওক। কৃষি আইনৰ কথালৈ আহো। কৃষি আইন বিৰোধিতাৰ আঁৰত দেশত থকা এক অপশক্তিৰ কাৰ্যকলাপ পোহৰলৈ আহিল। ২০২১ৰ গণতন্ত্ৰ দিৱসৰ দিনা লাল কিল্লাৰ সেই অৰাজকতা এচাম দেশপ্ৰেমিকৰ দ্বাৰা সংঘটিত ঘটনা নাছিল । সেয়া আছিল এচাম হতাশগ্ৰস্ত, ক্ষমতা লোভী নেতাৰ উচটনি, এদল ভ্ৰষ্ট বুদ্ধিৰ বুদ্ধিজীৱীৰ দ্বাৰা সাধাৰণ জনতাৰ মগজু প্ৰক্ষালন আৰু বিদেশী শক্তিৰ ধনবল আৰু দেশখন অশান্ত কৰাৰ শক্তিসমূহৰ চেষ্টাৰ পৰিণতি। চৰকাৰৰ যি কোনো কামতে এক হেঙাৰ হিচাপে থিয় হোৱা, প্ৰতিটো কামৰ এক নেতিবাচক দিশ আৱিষ্কাৰ কৰি তাৰ সমালোচনা আৰু কামৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰা আদি এক কৌশল হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। ইয়াৰ দ্বাৰা দেশৰ ক্ষতি কি হৈছে নহৈছে সেয়া এইসকল লোকৰ বাবে বিবেচনাৰ বিষয় নহয়। তেওঁলোকৰ মূল কথা হ'ল মোদীক হেয় কৰা সি লাগে 'অগ্নিপথ' আঁচনিৰ বিৰোধিতাৰ দ্বাৰা হওক বা নতুন সংসদ ভৱনৰ ওপৰত উন্মোচন কৰা, দেশখনৰ ৰাষ্ট্ৰীয় প্ৰতীক সিংহৰ মূৰ্তিৰ কথা লৈয়েই হওক।

চুবুৰীয়া দেশ শ্ৰীলংকাৰ ঘটনা প্ৰবাহ , সেই দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ পলায়ন, আন্দোলনকাৰী জনতাৰ দ্বাৰা ৰাষ্ট্ৰপতি ভৱন দখল আদিয়ে এই মোদী বিদ্বেষীসকলক বেছ উৎসাহিত কৰি তোলা দেখা গৈছে। আৰম্ভণিতে উল্লেখ কৰা পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ বিধায়কজন মোদী চৰকাৰৰ পতন আৰু মোদীৰ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ দৰে দেশৰ পৰা পলায়নৰ ক্ষেত্ৰত যিমান আশাবাদী দেশৰ ভৱিষ্যতৰ বিষয়ে কিন্তু সিমান চিন্তিত নহয় । দেশৰ অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰৰ বিষয়েও তেওঁ চিন্তিত নহয়। তেওঁৰ চিন্তা কেৱল মোদীক ক্ষমতাৰ পৰা আঁতৰোৱা । তেওঁৰ দৰে আন বহুতো নেতা দেশত বিদ্যমান, যিসকল দেশৰ স্বাৰ্থৰ বিষয়ে যিমান চিন্তাশীল মোদীৰ পতনৰ ক্ষেত্ৰত তাতোকৈ বেছি আগ্ৰহী।

দেশৰ বিৰোধী দলবোৰে কোনো এক বিষয় বা কোনো এক আঁচনি লৈ মোদীৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ এক পৰিৱেশ নিজ নিজ দলৰ বাবে সৃষ্টি কৰি ল'ব পৰা নাই। পশ্চিমবংগ, ঝাৰখণ্ড, তেলেংগানা, ৰাজস্থান আদি ৰাজ্যত শাসক দল কেইটাই তুষ্টিকৰণৰ এক ৰাজনীতিৰ দ্বাৰা চৰকাৰ চলাই আছে। পশ্চিমবংগত তুষ্টিকৰণৰ লগে লগে এক বেলেগ ধৰণৰ আঞ্চলিকতাবাদৰ ভাৱ জাগৰিত কৰি বাঙালী অনুভূতিৰ গইনা লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখন পৰিচালিত কৰিছে। তাৰ মাজে মাজে নিজকে ৰাষ্ট্ৰীয় স্তৰৰ এগৰাকী নেত্ৰী বুলি প্ৰক্ষেপ কৰাৰ সুযোগ গ্ৰহণ কৰিছে যদিও সফল হোৱা নাই। দিল্লী আৰু পাঞ্জাব এই দুখন ৰাজ্য দেশৰ অৰ্থনীতিৰ বাবে এক চিন্তাৰ কাৰণ হৈ পৰিছে ৰাজ্য দুখনৰ বিনামূলীয়া সুবিধা প্ৰদানৰ ৰাজনীতিৰ বাবে।

মুঠ কথাত বিৰোধী আৰু সকলো কথাতে প্ৰধানমন্ত্ৰী মোদীৰ বিৰোধ কৰা সকলে এক সাকাৰাত্মক চিন্তাৰ দ্বাৰা একত্ৰিত হৈ ভাৰতীয় জনতা পাৰ্টীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰিবৰ্তে বিভিন্ন ধ্বংসাত্মক কাৰ্যৰ দ্বাৰা দেশৰ ক্ষতি কৰি আৰু কেৱল মোদী হাটাও কাৰ্যসূচী লৈ ভুল আৰু অবান্তৰ ধৰণৰ মন্তব্যৰে সাধাৰণ ৰাইজক বিভ্ৰান্ত কৰি দেশৰ ক্ষতিৰ বাহিৰে আন একো কৰা নাই। বিৰোধীসকলৰ বাবে বৰ্তমান প্ৰায়োজন এক সবল নেতৃত্ব আৰু মোদীৰ বিৰুদ্ধে এনে কিছুমান ইছ্যু যাৰ দ্বাৰা এই চৰকাৰক শলঠেকত পেলাব পৰা যায়। গুৱালগালি আৰু অৰ্থহীন বাক্যবাণেৰে এই চৰকাৰক সেও মনাব যে পৰা নাযাব সেই কথা বিৰোধী দল আৰু মোদী বিদ্বেষী সকলে উপলব্ধি কৰা উচিত।

ফোন ঃ ৯৮৬৪০ ৬৩৫৮৪

# প্ৰয়াত মহীৰুহসকলৰ ব্যক্তিগত পুথিভঁৰাল

**১২ জুলাইৰ** 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত সঞ্জীৱ সভাপণ্ডিতৰ স্তম্ভত আন উচিত কথাৰ লগতে আৰু এটা উচিত কথা লিখিছে। এইটো আমাৰো বহুদিনীয়া কৌতুহল আছিল আৰু কৌতুহলতো মৰিষণ কৰিবলৈ গুৱাহাটীৰ বহু প্ৰচলিত কেব্‌ল টিভি এটাৰ মুখ্য সম্পাদকলৈ চিঠিও লিখিছিলো যে মহীৰুহসকলৰ প্ৰয়াণৰ পাছত তেওঁলোকৰ গ্ৰন্থৰ সংগ্ৰহখিনি কেনেদৰে আছে, তেওঁলোকৰ সন্তান বা পত্নীয়ে আদৰ-যত্নকৈ ইবোৰ ৰাখিছেযন বা কোনোবা মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ক দান দিছে ইত্যাদিৰ বিৱৰণেৰে এটা অনুষ্ঠান হোৱা ভাল। এনেয়েও, তেওঁলোকৰ পত্নীসকল এতিয়া কেনেদৰে আছে ইত্যাদি বিৱৰণেও এটা ভাল অনুষ্ঠান হয়; কিন্তু চিঠিৰ উত্তৰ নাপালো।

উক্ত লেখাত এতিয়া সভাপণ্ডিতে লিখিছে— 'আজি আমাৰ কি দুৰ্ভাগ্য যে শ শ ব্যক্তিগত পুথিভঁৰালৰ নাজল-নাথল অৱস্থা কাৰো পুতেক-নাতি-নাতিনীয়েক সেইবোৰৰ ওচৰ-পাঁজৰেও নাযায়। কিতাপবোৰ বাহিৰৰ বাৰাণ্ডাত বা গেৰেজৰ চুকত পেলাই থৈছে। দান দিবলৈকো লওঁতা নাই।'

এনেয়ে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়াৰ দৰে কথা হৈছে। এইটো দাবী কৰিব নোৱাৰি যে গ্ৰন্থ ভালপোৱা এজনৰ সন্তানো তেনেকুৱাই হ'ব বা সাহিত্যিক এজনৰ সন্তান সাহিত্যিকেই হওক। এই ক্ষেত্ৰত মিলি যোৱাটোহে বিৰল ব্যতিক্ৰম। কেনেবাকৈ লেখকৰ সন্তান লেখক হ'লেও গ্ৰন্থ নিৰ্বাচনৰ ক্ষেত্ৰত নিজৰ ৰুচি-অভিৰুচি দৃষ্টিভংগীৰো পাৰ্থক্য থাকিব পাৰে। গতিকে পিতৃ-মাতৃৰ ভাল লগা গ্ৰন্থখিনি সন্তানৰো ভাল লাগিব বুলি কথা নাই।

তাতে আকৌ ওলালহি নাতিনীয়েকৰ বিয়া, অৰ্থাৎ গ্ৰন্থৰ বিকল্প মাধ্যম দেধাৰ ওলাই গ'ল। গতিকে বগা তুলাপাতত ক'লা আখৰকেইটা ইতিহাস হওঁ হওঁ।গতিকে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মামণি ৰয়ছম গোস্বামী, নিৰ্মলপ্ৰভা বৰদলৈ, মেদিনী চৌধুৰী আদিৰ ব্যক্তিগত পুথিভঁৰালসমূহৰ অৱস্থা যে কি হ'ব পাৰে, ভাবিয়েই শংকিত হৈছো।

দেৱেন শইকীয়া, মৰিকলং, নগাঁও
ফোন ঃ ৯৪৩৫২০৯৮৮২

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২০ জুলাই বুধবাৰ, ২০২২ পৃষ্ঠা ৫

# দীঘাৰ পৰা সাগৰ দেখিছিলো

ড° অখিল চক্ৰৱৰ্তী

**উত্তাল** সাগৰৰ পাৰত বহি একান্ত মনে এদিনলৈ হ'লেও সাগৰ চাই আত্মহাৰা হ'বলৈ পৃথিৱীৰ কোটি কোটি মানুহৰ মনত এক দুৰ্বাৰ আকৰ্ষণ থাকে। এই আকৰ্ষণৰ প্ৰমাণ দেখা গৈছে ভ্ৰমণকাৰীক আদৰিবলৈ পৃথিৱীৰ প্ৰতিখন দেশে তেওঁলোকৰ সাগৰৰ পাৰসমূহ চকুত লগাকৈ সজাই তোলাৰ সাম্প্ৰতিক প্ৰতিযোগিতাত। লগে লগে এই সাগৰৰ উপকূল ভাগত গঢ়ি উঠিছে অলেখ নগৰ মহানগৰ। যিবোৰ নগৰৰ মূল চালিকা শক্তি হৈছে ভ্ৰমণকাৰীসকল আৰু তেওঁলোকৰ বাবে ব্যৱসায়িক ভিত্তিত গঢ়ি উঠা শ শ সুন্দৰ হোটেল আৰু লজ।

অসমৰ মানুহে সাগৰ ওচৰৰ পৰা পোৱা নাই। সেইবাবেই সিদিনালৈকে আমাৰ বিখ্যাত কবি সাহিত্যিকেও সাগৰ দেখিছা (?), সাগৰলৈ বহু দূৰ, সাগৰ দেখিলো আদি নামকৰণেৰে গ্ৰন্থ লেখি গৈছে। কিন্তু আজি একবিংশ শতিকাত বহুদূৰ বুলি কোনো দেশ নাই, মহাদেশ নাই, সাগৰ নাই, মহাসাগৰ নাই। যাওঁ বুলিলেই হেজাৰ হেজাৰ মাইল দূৰৰ দেশ-বিদেশলৈ কেইটামান ঘণ্টাৰ ভিতৰতে গুচি যাব পাৰি। তথাপি অসমৰ দৰে এখন দৰিদ্ৰ দেশৰ শতকৰা ৯০ ভাগ মানুহৰেই সাগৰ দেখাৰ স্বপ্ন আজিও স্বপ্ন হৈয়েই আছে। সাগৰ দেখাৰ মন এটালৈ বাট চাই থকা অসমৰ মানুহে ইচ্ছা কৰিলে ওচৰতে থকা উৰিষ্যাৰ পুৰী নাইবা পশ্চিমবংগৰ বঙ্গোপসাগৰৰ পাৰৰ দীঘালৈ যাব পাৰে। হাওৰাৰ পৰা দীঘালৈ দুৰন্ত ট্ৰেইনৰ চলাচল আছে। ওৰেদিন কলকাতাৰ পৰা দীঘালৈ বাছ চলে। ১৯০ কিলোমিটাৰ দূৰত্বত বাছেৰে পাঁচঘণ্টা সময় লাগে। দীঘাৰ সাগৰপাৰত সূৰ্যোদয় আৰু সূৰ্যাস্তৰ মনোৰম দৃশ্য চকুত লগা।



ভাৰতীয় মানুহে আনে দেখুৱাই নিদিয়ালৈকে নিজৰ সম্পদৰ মূল্য দিব নোখোজে। পশ্চিমবংগৰ প্ৰথম গভৰ্ণৰ জেনেৰেল ওৱাৰেণ হেষ্টিংছে ১৭ শতিকাতে ইংলণ্ডত থকা পৰিবাৰলৈ দীঘা সম্পৰ্কে এনেদৰেই লিখিছিল ঃ এই ঠাইখন প্ৰাচ্যৰ ব্ৰিটেইন। এই খবৰেই হয়তো অন্যতম ইংৰাজ লেখক আৰু পৰিব্ৰাজক ফ্ৰেংক স্মিথক দীঘালৈ আহ্বান জনালে। স্মিথ দীঘালৈ আহি ইয়াৰ সুন্দৰ শান্ত সৌন্দৰ্যত মুগ্ধ হ'ল। তেওঁ ইয়াতে দীৰ্ঘদিন বসবাস কৰিবলৈ ল'লে। ইয়াতেই ক্ষান্ত নাথাকি স্বাধীনতাৰ পিছত পশ্চিমবংগৰ প্ৰথম মুখ্যমন্ত্ৰী বিধান চন্দ্ৰ ৰয়ক তেওঁ দীঘাক যে এখন চী ৰিজোৰ্ট হিচাপে গঢ়ি তুলিব পাৰি সেই বিষয়ত পতিয়ন নিয়ালে। তাৰে ফলশ্ৰুতি হ'ল দীঘাত গঢ়ি উঠা শ শ সুন্দৰ হোটেল, কংক্ৰিট নিৰ্মিত সাগৰৰ পাৰ, বিজ্ঞান কেন্দ্ৰ, সুন্দৰ মিউজিয়াম, জাকত-জিলিকা একুইৰিয়াম।

দীঘাৰ উপকূলত দীঘাৰ বাহিৰেও নিউ দীঘা, শংকৰপুৰ, চন্দ্ৰনেশ্বৰ, উদয়পুৰ—আদি বিস্তৃত দীঘলীয়া সাগৰৰ পাৰ সমূহ সাগৰৰ কাষে কাষে গৈ থাকি চাই যাব পাৰি। যদিও ইমান দীঘল পথ খোজকাঢ়ি যোৱা সম্ভৱ নহয়। দীঘা নিশ্চয় মুম্বাইৰ মেৰাইন ড্ৰাইভ, গেটওৱেৰ নিচিনা বা চেন্নাইৰ গল্ডেন বিচৰ দৰে কৃত্ৰিম সৌন্দৰ্যৰে চকুত ছাট মাৰি ধৰা, নতুন প্ৰজন্মক বাউল কৰি তোলা সৌন্দৰ্যৰ ভঁৰাল নহয়। কিন্তু দীঘাৰ নিজস্ব গাম্ভীৰ্য আছে। সাগৰৰ পাৰৰ ঝাওবন জাতীয় ওখ ওখ গছেৰে দীঘাৰ পাৰ অতুলনীয়। তাৰোপৰি দীঘাৰ চাবলগীয়া ক্ষেত্ৰ হৈছে মাছমৰীয়া পোতাশ্ৰয় প্ৰকল্প। শ শ দুখীয়া মাছমৰীয়াই সৰু সৰু টুলুঙা নাওলৈ ৰাতিয়ে দিনে সাগৰত মাছ ধৰিছে। সাগৰৰ বৃহৎ ঢৌত তেওঁলোকৰ নাওবোৰ জীৱনৰ মমতা পাহৰি এৰি দিয়া দেখিলো। তেওঁলোকৰ জীৱন সংগ্ৰামৰ প্ৰত্যক্ষদৰ্শী হ'লে আমাৰ জীৱনৰ পৰিশ্ৰম আৰু সংগ্ৰাম তুলনামূলকভাৱে শূন্য হৈ পৰে। দীঘাৰ মোহনা পুৱাই হোজাৰেৰে মাছ ব্যৱসায়ীৰ গাড়ীৰে ব্যস্ত হৈ পৰে। চকুৰে নমনাকৈ অস্থায়ী ঘৰ আৰু জাল শুকুৱা বাঁহৰ ব্যৱস্থা চালে আচৰিত নহৈ নোৱাৰি।

দীঘাৰ অন্য এক আকৰ্ষণ হৈছে সাগৰ পাৰৰ তেনেই সাধাৰণ চাহ-তামোলৰ দোকান, ডাব নাৰিকলৰ পানীৰ ব্যৱসায়। ভ্ৰমণকাৰী দেখিলেই চাহ একাপৰ দাম অবিশ্বাস্য ভাৱে ২০-২৫ টকা বুলি কোৱা দোকান দীঘাৰ সাগৰৰ পাৰত নাই। সুন্দৰ একাপ গাখীৰৰ চাহ ৫ টকা হৈয়েই আছে। সাধাৰণতে দুখীয়া মাছমৰীয়াৰ পৰিয়ালৰ মানুহেই দোকান পোহাৰসমূহ চলাই আছে। মাইকী মানুহ সকলৰ ব্যৱহাৰ চকুত লগা। সাগৰৰ পাৰত ক্ষন্তেক থিয় হ'লেই দেখিব কোনোবা এজনী মানুহে আপোনালোকক বহিবলৈ কেইখন মান প্লাষ্টিকৰ চকী পাৰি দিছেহি। দৰকাৰ হ'লে আপোনাক চাহ, ডাব সেই মানুহগৰাকীয়েই আনি দিছে। আনি দিয়াৰ বাবে কোনো অধিক মূল্য ভৰিব নালাগে।

দীঘাৰ মাছমৰীয়াসকলৰ কথা ক'লেই গা কঁপি যোৱা ঘটনা এটাৰ কথা ক'ব লাগিব। এই ঠাইলৈ আহোতে ২০ কিলোমিটাৰ আগতে সাগৰৰ যি উপকূল পোৱা যায় তাৰ নাম মন্দাৰমণি। মন্দাৰমণি সম্পূৰ্ণ প্ৰাকৃতিক চী বিচ। অৱশ্যে দীঘাৰ দৰেই ইয়াতো থকা-খোৱাৰ সকলো সুন্দৰ ব্যৱস্থা আছে। কিন্তু আমি দীঘালৈ অহাৰ আগদিনা এই মন্দাৰমণিতে এটা হৃদয়বিদাৰক ঘটনা ঘটি গৈছে। কলেজৰ ছজন ছাত্ৰ সাগৰ চাবলৈ আহিছিল। এই দুয়োদিন জোৱাৰৰ সময় আছিল। গতিকে সাগৰৰ পাৰত মানুহ বেছি নাছিল। শান্ত সাগৰৰ ৰূপ দেখি তেওঁলোক পানীলৈ নামি গ'ল। পাৰত থকা কেইবাজনো মানুহে তেওঁলোকক জোৱাৰৰ কথা কৈছিল। সাগৰত নামি নাথাকিবলৈ কৈছিল। কিন্তু স্বাভাৱিকতেই ডেকা মানুহৰ মনে বাধা মানিব নোখোজে। তেওঁলোক সাগৰৰ পৰা আঁতৰি নাহিল। কিছু দূৰ মাজলৈ গৈ থাকোতেই হঠাৎ দ্ৰুত গতিত অহা জোৱাৰত তেওঁলোক উটি গ'ল। কিছু দূৰত থকা কেইজনমান মাছমৰীয়াই তেওঁলোকৰ চিঞৰ শুনিলে। তিনি চাৰিখন টুলুঙা নাওত দ্ৰুত গতিত সেই ফালে আহি মাছমৰীয়াকেইজনে সাগৰত জাপ দিলে। বহু সময়ৰ কষ্টৰ মূৰত এজনৰ বাহিৰে অন্য পাঁচজনকে তেওঁলোকে পাৰলৈ তুলি আনিলে। শেষত দেখা গ'ল তাৰে দুজনৰ জীৱন স্পন্দন ইতিমধ্যে সাগৰে বন্ধ কৰি দিছে। প্ৰত্যক্ষদৰ্শীৰ কথা শুনি বুজিলো এই মাছমৰীয়া সকল দীঘা আৰু মন্দাৰমণিৰ আত্মা স্বৰূপ। নিজৰ জীৱন-জীৱিকাৰ বাবে তেওঁলোকে উত্তাল সাগৰৰ জোৱাৰ-ভাটাকো তুচ্ছ জ্ঞান কৰে। আনকি ঘূৰ্ণী বতাহৰ সংকেত আৰু সৰ্তকতাৰ বাৰ্তা পালেও তেওঁলোকৰ সৰহভাগেই নাও বান্ধি নথয়। কাৰণ তেওঁলোকৰ পেট ভৰে ৰাতি সাগৰৰ মাজত মাছৰ লগত সংগ্ৰাম কৰি। কিন্তু এই কলেজৰ ছাত্ৰকেইজনক উদ্ধাৰ কৰিবলৈ তেওঁলোকে যিদৰে জীৱনক তুচ্ছ কৰি জোৱাৰৰ মাজত সাগৰত জঁপিয়াই পৰিছিল সেই দৃষ্টান্তই আমাৰ দৰে স্বাৰ্থপৰ আধুনিক মানুহক উচিত শিক্ষা নিদি নোৱাৰে। নিঃসন্দেহে সাগৰৰ ঢৌত, জোৱাৰ-ভাটাৰ লগত তেওঁলোক অভ্যস্ত। তথাপি কেইজনমান ছাত্ৰক বচাবলৈ উত্তাল সাগৰৰ জোৱাৰক উপেক্ষা কৰি তেওঁলোক যিদৰে জপিয়াই পৰিছিল সেয়া অনুমান কৰিব নোৱাৰা এক বিস্ময়।

দীঘাত সৰু-ডাঙৰ হোটেলৰ ব্যৱসায়, ৰেষ্টোৰা,সামুদ্ৰিক শামুকৰ ব্যৱসায় গা কৰি উঠিছে। ইয়াৰে পৰা মাছ নি ব্যৱসায় কৰি মধ্যভোগীয়ে বাটৰ কাষে কাষে অট্টালিকা গঢ়িছে। কিন্তু সাগৰীয় পানীৰ নিমখ আৰু দুপৰৰ ৰ'দত ক'লাপৰা মাছমৰীয়াসকলে বাৰু তেওঁলোকৰ শ্ৰমৰ উচিত মূল্য পাইছেনে?

পশ্চিমবংগৰ পূৰ্ব মিদনাপুৰ জিলাৰ বঙ্গোপসাগৰৰ উত্তৰ প্ৰান্তত থকা দীঘাতেই উৰিষ্যা আৰু পশ্চিমবংগৰ সীমা পৰিছে। বহুলোক নিজা গাড়ী আৰু টেক্সী লৈও ইয়ালৈ আহে। কলকাতাৰ পৰা মুম্বাইলৈ যোৱা এক্সপ্ৰেছ হাইওৱেদি দুঘণ্টামান আহি কালাপুৰত হাইওৱে এৰি দীঘাৰ পথ ল'ব লাগে। দেখিলে আচৰিত লাগে কালাপুৰৰ হোটেল 'শ্বেৰ এ পাঞ্জাৱ'ৰ সন্মুখত লাইনকৈ ৰৈ থকা শতাধিক ভ্ৰমণকাৰীৰ গাড়ী। পথৰ কাষত ভ্ৰমণকাৰীসকলৰ উৎসৱমুখৰ সমাগম। এঘণ্টাতকৈও অধিক সময় অপেক্ষা কৰিও দূৰ-দূৰণিৰ যাত্ৰীসকলে ইয়াতেইহে খোৱা-বোৱা কৰে। খাই উঠিহে অনুভৱ কৰিছিলো কিয় সকলো যাত্ৰীয়ে বহু সময় অপেক্ষা কৰি হ'লেও ইয়াতেই খোৱা-বোৱা কৰে। এই হোটেলত খোৱাৰ অভিজ্ঞতা নোহোৱা হ'লে দীঘালৈ অহাৰ আচল তৃপ্তিয়েই আধৰুৱা হৈ ৰ'লহেঁতেন।

ফোন ঃ ৯৯৫৭৫৬৮৪৩৩

# আকৰ্ষণ

শশীপ্ৰভা দাস

**কঠোপনিষদত** আছে—পৰমেশ্বৰে ইন্দ্ৰিয়সমূহক এনেদৰে সৃষ্টি কৰিছে যে জীৱই বহিৰ্জগতৰ বিষয়বস্তুসমূহৰ প্ৰতিহে আকৰ্ষিত হয় বা দৃশ্যমান জগতখনহে দেখে, অন্তৰ্জগতখন নেদেখে বা অনুভৱ কৰিব নোৱাৰে। আধ্যাত্মিক দিশত অগ্ৰসৰ হোৱা জ্ঞানামৃতৰ অভিলাষী জনেহে মনসংযমৰ দ্বাৰা স্ব-ৰূপক দৰ্শন কৰি অন্তৰ্জগতৰ কথা অনুভৱ কৰিব পাৰে।

এই মায়াময় জগতত আকৰ্ষণৰ সীমা নাথাকে। বাহ্যিক আকৰ্ষণ ইমান বিচিত্ৰ আৰু তীব্ৰ যে স্বতঃস্ফূৰ্তভাৱে মানুহৰ মন আকৰ্ষিত হয়। মন স্বাভাৱিকতে অতি চঞ্চল। তদুপৰি ঐশ্বৰ্য আৰু বৈভৱৰ প্ৰতি আকৰ্ষণ অতি প্ৰবল। এই আকৰ্ষণৰ পৰা ৰক্ষা পোৱাটো সহজসাধ্য নহয়। এনে ধৰণৰ আকৰ্ষণ বিভিন্ন ধৰণৰ— ধনৰ আকৰ্ষণ, পদবীৰ আকৰ্ষণ, সৌন্দৰ্য আৰু সুকুমাৰ কলাৰ প্ৰতি আকৰ্ষণ, প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ, সাজ-সজ্জা, আ-অলংকাৰ, নতুন নতুন ফেছ্চনৰূপ বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই নিতে আৱিষ্কাৰ কৰা দৈনন্দিন জীৱনত সুখ-সুবিধাৰ বাবে ব্যৱহাৰ্য নানা আৱশ্যকীয় তথা বিলাসিতাৰ সামগ্ৰীসমূহৰ প্ৰতি আকৰ্ষণ। যাৰ মন যি বিষয়ৰ প্ৰতি আকৰ্ষিত হয়, সেই ফালেই টানি নিয়ে। ঐশ্বৰ্য, সম্পত্তিৰ প্ৰতি যোগী, আধ্যাত্মিক গুৰু, ধাৰ্মিক পুৰুষ সকলো আকৰ্ষিত হোৱা দেখা যায়। আকৰ্ষণসমূহ ইমানেই তীব্ৰ হয় যে সেইবোৰ ভোগ কৰাৰ লালসাত মানুহৰ মন ব্যগ্ৰ হৈ পৰে।


সকলো প্ৰকাৰ আকৰ্ষণৰ ভিতৰত ধনৰ প্ৰতি মানুহৰ বিশেষ আকৰ্ষণ আছে। মানুহে জীৱনত সুখ-শান্তিৰে থাকি সুখ-ভোগ কৰিবলৈ ধন অপৰিহাৰ্য। কিন্তু ধনৰ প্ৰতি লোভ অতি মাত্ৰা হ'লে মানুহে মন সংযত কৰিব নোৱৰাৰ ফলত নানা অনৈতিক কাৰ্যত লিপ্ত হয়। সৌন্দৰ্যৰ প্ৰতি মানুহৰ তীব্ৰ আকৰ্ষণ আছে। প্ৰকৃতিৰ জীৱন্ত শোভাই, প্ৰকৃতি প্ৰাণৰ মমতাই, বসন্তৰ অপৰূপ সৌন্দৰ্যই মানুহক আকৰ্ষণ কৰে।

এই সকলো আকৰ্ষণৰ মূলতে হ'ল মন। মনে পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা ৰূপ, ৰস, গন্ধ, শব্দ, স্পৰ্শ আদি অনুভৱ কৰে। নাকেৰে সুগন্ধৰ প্ৰতি, চকুৰে সকলো ধৰণৰ সৌন্দৰ্য বা ধুনীয়া বস্তুৰ প্ৰতি, কাণেৰে মধুৰ সংগীত, সুমধুৰ শব্দ, ভাষণ বা কথা-বতৰাৰ প্ৰতি আকৰ্ষিত হয়। এই জগতত মানুহৰ মন আকৰ্ষণ কৰা কিমান যে বিষয়বস্তু আছে তাৰ সীমা-সংখ্যাৰ জোখ নাই। মন বহিৰ্মুখী হৈ পৰাৰ ফলত মন বিক্ষিপ্ত হৈ পৰে। এনে মনে কেতিয়াও শান্তি অনুভৱ কৰিব নোৱাৰে। ইন্দ্ৰিয়সমূহৰ আকৰ্ষণ ইমান তীব্ৰ যে আমি ইন্দ্ৰিয়ৰ দাস হৈ পৰো। নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাওঁ। আজিকালি চাৰিওফালে যি উচ্ছৃংখলতা, ভ্ৰষ্টাচাৰ, অশান্তিকৰ পৰিৱেশ সৃষ্টি হৈছে সেয়া সকলো ইন্দ্ৰিয় লোলুপতাৰ বাবেই হৈছে। ইন্দ্ৰিয় লোলুপতাৰ বাবেই শাৰীৰিক-মানসিক, আত্মিক সকলো শক্তি ক্ষয়প্ৰাপ্ত হয়।

কেতিয়াবা আমি বহু মানুহৰ মাজত হঠাৎ এনে একোজন ব্যক্তি, নাৰী, পুৰুষ, বৃদ্ধ যিয়েই নহওক, লগ পাই যাওঁ যিয়ে আমাক আকৰ্ষিত কৰে। তেনে ব্যক্তি গৰাকীক দেখিলে, কথা-বতৰা পাতিলে এনে অনুভৱ হয়, তেওঁ যেন আমাৰ বহু যুগৰ চিনাকি, অতি আপোন ; মাত্ৰ সংযোগহে বিচ্ছিন্ন হৈ আছে। এয়া হ'ল আত্মাৰ আকৰ্ষণ। আত্মাৰ মৰণ নাই, শৰীৰৰূপী সাজ সলাইহে পুনৰ্জনম লয়। জন্ম-মৰণৰ সৃষ্টিৰ চক্ৰত আমি কেতিয়াবা অতি আপোন আত্মাকো লগ পাওঁ, যিয়েই আমাক আকৰ্ষিত কৰে। সেয়ে নহয়, কেতিয়াবা বাহ্যিক আকৰ্ষণ নথকা আত্মিক গুণ, মানৱীয় গুণেৰে ভৰা ব্যক্তিয়েও মানুহক আকৰ্ষণ কৰে। এই আকৰ্ষণ আত্মাৰহে। আমি নিজকে আত্মা বুলি ভাবি আত্মিক দৃষ্টিৰে চালে আত্মাৰ গুণসমূহহে দেখা পাম।

কিছুমান মানুহে কামনা-বাসনাৰে ভৰা অশুদ্ধ চিত্তৰ মানুহতকৈ জীৱ-জন্তুৰ প্ৰতিহে বেছি আকৰ্ষিত হয়। কাৰণ নিমাত, অবোধ প্ৰাণীবোৰে মানুহৰ অন্তৰৰ মৰম-স্নেহ অনুভৱ কৰে আৰু এই ইতৰ প্ৰাণীবোৰ মানুহতকৈ বেছি সংবেদনশীল, বেছি বিশ্বাসী। এনে প্ৰাণীৰ অলেখ উদাহৰণ আছে। কিছুমান মানুহৰ জীৱন আৰু প্ৰকৃতিৰ লগত ইমান অন্তৰংগ সম্পৰ্ক ঘটে যে তেনে লোকে অৰণ্যৰ মাজতেই প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ অনুভৱ কৰি জীৱন নিৰ্বাহ কৰে।

বাহ্যিক দৃষ্টিৰে আমি বাহ্যিক জগতৰ দৃশ্য, প্ৰাকৃতিক দৃশ্য চাই অভিভূত হৈ পৰো। কিন্তু আধ্যাত্মিক চিন্তা চৰ্চা কৰা সাধক, যোগীসকলে জ্ঞাননেত্ৰৰ দ্বাৰা যি দৃশ্য দেখে বা অনুভৱ কৰে,সেই দৃশ্য দেখাৰ পাছত অন্য বস্তুৰ প্ৰতি স্বাভাৱিকতে আকৰ্ষণ কমি যায়। সাম্প্ৰতিক যুগত ৰজোগুণী, তমোগুণী পৰিৱেশত ইন্দ্ৰিয়সমূহৰ বশৱৰ্তী হৈ মানুহে কামনা-বাসনা, ভোগ-বিলাসৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰে। এই অস্থায়ী, ক্ষণভংগুৰ, বিষয়-বাসনাৰ আকৰ্ষণৰ কাৰণেই আমাৰ চিত্ত অতি চঞ্চল হৈ পৰে। জুইত ঘিউ ঢালিলে জ্বলি উঠাৰ দৰে এনে তীব্ৰ আকৰ্ষণৰ ফলত কামনা-বাসনাও তীব্ৰ হৈ পৰে। এনে আকৰ্ষণৰ বাবেই ভ্ৰষ্টাচাৰ, পাশৱিকতা, দুৰ্নীতি আদিয়ে সমাজ নৰক সদৃশ কৰি তুলিছে।




আধ্যাত্মিকতাৰ লগত গভীৰভাৱে জড়িত ব্যক্তিসকলে ইন্দ্ৰিয় আকৰ্ষণৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পাৰে। আধ্যাত্মিক চিন্তা-চৰ্চা, শ্ৰৱণ-কীৰ্তন কৰি সাত্ত্বিক ভাবাপন্ন লোকে পৰমপিতা ভগৱানৰ লগত যোগযুক্ত হৈ একাগ্ৰ হৈ পৰে। এনে যোগী-সাধকে অন্তৰ্জগতত প্ৰৱেশ কৰি সূক্ষ্ম জগতৰ লগত সংযোগ ঘটাৰ ফলত পৰম শক্তিৰ অনুভৱ হোৱাৰ লগে লগে অতীন্দ্ৰিয় সুখ-শান্তি অনুভৱ কৰে। এনে ব্যক্তিৰ কৰ্মেন্দ্ৰিয় শীতল হৈ পৰে।

চঞ্চল মনক পৰমশক্তিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সাত্ত্বিক ভোজন, সৎসংগ, আধ্যাত্মিক মনন-চিন্তন অপৰিহাৰ্য। পৰমপিতাৰ প্ৰতি আকৰ্ষণ হ'লেই মানুহে মৰুময় অশান্ত পৃথিৱীতো শান্তি অনুভৱ কৰিব পাৰে। আজিকালি বিভিন্ন ধাৰ্মিক, আধ্যাত্মিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত মন একাগ্ৰ কৰাৰ বাবে নানা হঠযোগ, প্ৰাণায়াম আদিও কৰা হয়। এই লোকসকলে কৰ্ম জীৱনত ব্যস্ত থাকি আকৰ্ষণ-বিকৰ্ষণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি আধ্যাত্মিক মনন-চিন্তন কৰি শান্তিৰে জীৱন যাপন কৰে।

বহুত মানুহ আন্তৰিক সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত হয়। আত্মাৰ সৌন্দৰ্য— দয়া, প্ৰেম, ক্ষমা, ধৈৰ্য, সহনশীলতা, নম্ৰতা আদিক আন্তৰিক সৌন্দৰ্য বোলা হয়। এনে সৌন্দৰ্যহে প্ৰকৃত সৌন্দৰ্য। এনে সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত লোক সাধাৰণতে দৈহিক সৌন্দৰ্যৰ প্ৰতি আকৰ্ষিত নহয়।

ফোন ঃ ৯৮৬৪০-২২৭০৩

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ

## আনা ফ্ৰাংক

### জীৱনকাল ১৬ বছৰ মাত্ৰ (১৯২৯-১৯৪৫)

ড° নীলমোহন ৰায়

ফোন ঃ ৯৮৬৪০৬৪২৭৪



**পৃথিৱীৰ** বহু বিখ্যাত ব্যক্তিয়ে নিজৰ দিনপঞ্জী লিখি থৈ গৈছে। তাৰে বহুতো দিনপঞ্জী বিশ্ব সাহিত্যৰ অমূল্য সম্পদৰূপেও বিবেচিত হৈছে। তেনে এখন ডায়েৰী বা দিনপঞ্জী হ'ব ছুইজাৰলেণ্ডৰ জেনেভা নগৰত জন্মগ্ৰহণ কৰা বিদগ্ধ পণ্ডিত ফ্ৰেডাৰিক আমিয়েলৰ 'Journal Intime' অৰ্থাৎ আমিয়েলৰ 'অন্তঃপ্ৰাণৰ ডায়েৰী'। কিন্তু মাথোঁ ১৩-১৪ বছৰ বয়সত দিনপঞ্জী লিখি সমগ্ৰ বিশ্বক স্তম্ভিত কৰি দিয়া এগৰাকী কিশোৰী আছিল আনা ফ্ৰাংক। এই কণমানি ছোৱালীজনীয়ে নিজৰ মনোজগতৰ অফুৰন্ত আশা-আকাংক্ষাক তুলি ধৰাৰ সমান্তৰালকৈ সেই সময়ৰ আৰ্থ-সামাজিক পৰিস্থিতি মনোগ্ৰাহী ভাষাৰে বৰ্ণনা কৰিছিল দিনলিপিখনত। সেই দিনলিপিখন এতিয়া হৈ পৰিছে বিশ্ব সাহিত্যৰ অমূল্য সম্পদ।

প্ৰাচীন কালৰ পৰাই নিজৰ মাতৃভূমিৰ পৰা বিতাড়িত হৈ বিশ্বময় বিয়পি পৰা জুদাধৰ্মৰ অনুগামীসকলক ইহুদী বুলি কোৱা হয়। দুৰ্ভিক্ষপীড়িত ইহুদী অৰ্থাৎ ইজৰাইলসকলে এসময়ত মিছৰলৈ যাবলৈ বাধ্য হয়। তাতো তেওঁলোকক চৰম অত্যাচাৰ কৰা হয়। শেষত তেওঁলোকে পেলেষ্টাইনত বসবাস কৰে। পৰৱৰ্তী দুহেজাৰ বছৰ ধৰি আৰব, মোগল, তুৰ্কী, খ্ৰীষ্টান প্ৰভৃতি বিদেশীসকলে পেলেষ্টাইন আক্ৰমণ কৰে আৰু তাৰ পৰা অত্যাচাৰ কৰি বিতাড়ন কৰে। ১৯১৭ত বেলফোৰ ঘোষণাৰ জৰিয়তে ইহুদীসকলৰ স্বভূমিৰ দাবীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰা হয় আৰু ১৯২২ত ইহুদীসকলক পেলেষ্টাইনত পুনৰ্বাসনৰ সিদ্ধান্ত গৃহীত কৰা হয়। ১৯৪৮ত স্বাধীন ইজৰাইল ৰাষ্ট্ৰ ঘোষণা হ'লেও আৰৱ মুছমানসকলৰ স'তে ইজৰাইলসকলৰ বিবাদ আৰু সংঘৰ্ষ অব্যাহত আছে।

অৱশ্যে ইহুদী বিৰোধিতাৰ চৰমতম প্ৰকাশ ঘটিছিল জাৰ্মানীত ১৯৩৫ৰ পৰা ১৯৪৫ৰ ভিতৰত, নাৎসী শাসনকালত । হিটলাৰে ইহুদীসকলক নিৰ্যাতনৰ বাবে তেওঁ নিজাববীয়াকৈ জাতিতত্ত্বৰ উদ্ভাৱন কৰিছিল। তেওঁ প্ৰচাৰ কৰিছিল যে জাৰ্মান জাতি পোনপটীয়াভাৱে আৰ্য জাতিৰ পৰা উদ্ভুত। আৰু ইহুদীসকল হ'ল অতি নিকৃষ্ট এটা জাতি। অকল সেয়ে নহয়, জাৰ্মানীৰ সকলো দুৰ্দশা আৰু অনগ্ৰসৰতাৰ বাবে ইহুদীসকলেই দায়ী। সেয়ে আৰম্ভ হ'ল ইহুদী নিৰ্যাতন। প্ৰথম অৱস্থাত ইহুদীসকলক মানসিক আৰু দৈহিক নিৰ্যাতন চলালে। পাছলৈ অত্যাচাৰ বাঢ়িবলৈ ধৰিলে। সকলো চাকৰিৰ পৰা তেওঁলোকক বিতাড়িত কৰা হ'ল। নাগৰিকত্ব কাঢ়ি লোৱা হ'ল। সম্পত্তি বাজেয়াপ্ত কৰা হ'ল। শেষত নৰমেধ যজ্ঞ আৰম্ভ কৰিলে। প্ৰায় ৬০ লাখ ইহুদীক হিটলাৰৰ নাৎসীবাহিনীয়ে হত্যা কৰিলে। এই তুলনাহীন হত্যাযজ্ঞৰ পৰা তেওঁলোকেও ৰেহাই নাপালে। যিসকল জন্মসূত্ৰত ইহুদী হৈয়ো খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। নিৰ্যাতনৰ পৰা ৰক্ষা পাবলৈ হেজাৰ হেজাৰ ইহুদী আমেৰিকা, ইংলণ্ড আদি দেশলৈ পলাই গ'ল। পলাবলগীয়া হৈছিল ইহুদী বংশোদ্ভূত বৰেণ্য বিজ্ঞানী আইনষ্টাইনেও। আৰ্যতেজৰ স'তে ইহুদী তেজৰ সংমিশ্ৰণ ঘটি যাতে জাৰ্মানীৰ জাতিগৰ্বক ধ্বংস কৰিব নোৱাৰে তাৰ বাবেই আছিল হিটলাৰৰ এই উৎকট পৰিকল্পনা।

আনা ফ্ৰাংকে জন্মসূত্ৰে আছিল এই ইহুদী সম্প্ৰদায়ভুক্ত। তেওঁৰ পিতৃ-মাতৃ আছিল ক্ৰমে হেৰ ওট্ৰো আৰু এডিথ ফ্ৰাংক। নাৎসীবাহিনীৰ হাতৰ পৰা ৰক্ষা পাবলৈ আনা ফ্ৰাংকৰ দেউতাকে ১৯৩৩ত জাৰ্মানীৰ ফ্ৰাংকুবুটৰ পৰা হলেণ্ড(নেদাৰলেণ্ড)-ৰ আনষ্টাৰডামলৈ উঠি গৈছিল। সেই সময়ত আনা ফ্ৰাংক আছিল পাঁচ-ছয় বছৰীয়া শিশু। তাইৰ জন্ম হৈছিল ১৯২৯ৰ ১২ জুনত। তাইৰ আছিল এগৰাকী বায়েক, বয়সত তাইতকৈ তিনি বছৰৰ ডাঙৰ, নাম মাৰ্গট।

আনা আৰু মাৰ্গট দুবছৰৰ ডাঙৰ-সৰু আছিল। আনা আছিল এক অকালপক্ক কিশোৰী। শৰীৰৰ তুলনাত তাইৰ মস্তিষ্ক আৰু মন আছিল অধিক পৰিপক্ক। শৰীৰৰ পৰিণতিৰ দিশৰ পৰা বায়েকে কিছু অসুবিধা পাইছিল। মানসিক পৰিণতিৰ বিচাৰত আনাই মাৰ্গটক চেৰাই যোৱা নাছিল যদিও স্পৰ্শ কৰিছিল। পঢ়া-শুনাতো উভয়েই আছিল চোকা। নিজৰ ফলাফলৰ বিষয়ে দিনপঞ্জীত বিস্তাৰিত লিখাৰ উপৰি বায়েকৰ প্ৰসংগত আনাই লিখিছে— My sister Margot has her report too, brilliant as usual. She would move up with `cum laude' if that existed at School, she is so brainy. (বাইদেউ মাৰ্গটেও তাইৰ ফলাফল পাইছে। যথাৰীতি অত্যন্ত শুভ ফল। আমাৰ স্কুলত 'প্ৰশংসাপত্ৰ' দিয়াৰ ব্যৱস্থা থকা হ'লে তাই শ্ৰেণী উত্তৰণৰ লগতে সেইখনো পালেহেঁতেন)। আনহাতে আনা নিজে আছিল অতিশয় কথা চহকী আৰু বস্ত্ৰ বিলাসিনী। নতুন নতুন ডিজাইনৰ কাপোৰ পিন্ধি তাই বৰ ভাল পাইছিল।

জাৰ্মানীৰ এগৰাকী চহকী বেংক পুঁজিপতি অট্টো ফ্ৰাংকে আমষ্টাৰ্ডামলৈ আহি এগৰাকী ডাঙৰ মছলা দোকানৰ মালিকত পৰিণত হৈছিল। দোকানখনৰ আন এগৰাকী অংশীদাৰৰ নাম হ'ল ভান ডান। তেৰোঁ আছিল উদ্বাস্তু ইহুদী। সুখে-দুখে ফ্ৰাংক পৰিয়ালটোৰ দিন অতিবাহিত হৈছিল। ফ্ৰাংকে তেওঁৰ সামৰ্থ্য অনুযায়ী ছোৱালী দুজনীক পঢ়া-শুনা কৰাৰ ব্যৱস্থা কৰি দিছিল।

জাৰ্মানবিলাকে যেতিয়া ১৯৪০ ৰ মে'ত হলেণ্ড আক্ৰমণ কৰি নিজৰ দখললৈ আনিলে তেতিয়া ফ্ৰাংক পৰিয়ালটো আকৌ এবাৰ ইহুদী বিদ্বেষী হিটলাৰৰ ফান্দত পৰিল। অট্টো ফ্ৰাংকে ভৱিষ্যৎ বিপদৰ সম্ভাৱনাৰ কথা ভাবিয়েই প্ৰয়োজনত লুকাই থাকিব পৰাকৈ এডোখৰ ঠাই সাজু কৰিলে। তেওঁৰ দোকানৰ ওপৰ মহলাত থকা কোঠা কেইটামান খালী কৰি দেৱালত লিপিট খুৱাই এখন দুৱাৰ কাটি বাহিৰৰ পৰা ধৰিব নোৱাৰাকৈ এটা 'গোপন ভিতৰ কুঠৰী' সাজি পেলালে। অট্টো ফ্ৰাংকে অনুমান কৰাৰ দৰেই সঁচাকৈ যেতিয়া জাৰ্মান নাৎসীবাহিনীয়ে অট্টো ফ্ৰাংক আৰু মাৰ্গটৰ ওপৰত চমন জাৰি কৰিলেহি, তেতিয়া অৰ্থাৎ ১৯৪২ৰ ছয় জুলাইত তেওঁলোক সেই গোপন কোঠাকেইটাত সোমাই পৰিল। কেইদিনমানৰ পাছত ভান ডান দম্পতী আৰু তেওঁলোকৰ ১৭ বছৰীয়া পিটাৰো তেওঁলোকৰ সংগী হৈ পৰিল। চাৰি মাহৰ পাছত ডুছেল নামৰ আৰু এজন ইহুদী দন্ত চিকিৎসকো সেই গোপন ঘৰটোত আশ্ৰয়প্ৰাৰ্থী হ'লহি। সেই সময়ত বহিৰ্জগতৰ স'তে সম্পৰ্ক ৰক্ষা কৰিবলৈ থাকিল মাথোঁ এটা ৰেডিঅ' আৰু মছলা দোকানখনৰ চাৰিজন পুৰুষ আৰু মহিলা কৰ্মচাৰী। তেওঁলোকেই গোপনে যোগান ধৰিছিল কিছু খাদ্যবস্তু , এখন-দুখন আলোচনী আৰু কিতাপ।

অট্টো ফ্ৰাংকে ১৯৪২ৰ ১২ জুনৰ শুকুৰবাৰে তেওঁৰ কনিষ্ঠা ছোৱালীৰ ত্ৰয়োদশ জন্মদিনত তাইক এখন ডায়েৰী উপহাৰ দিছিল। আনা ফ্ৰাংকে উক্ত দিনৰ পৰাই ১৯৪৪ৰ এক আগষ্টলৈকে ডায়েৰীখন লিখিছিল। 'কিটি'ক সম্বোধন কৰি লিখা এই ডায়েৰীখনৰ 'কিটি' আছিল এক কাল্পনিক নাম। আনা ফ্ৰাংকৰ কোনো বন্ধু নাছিল বাবেই তাই ডায়েৰীখনত কল্পিত কিটিকেই বন্ধু হিচাপে সম্বোধন কৰিছিল আৰু নিজৰ মনৰ সকলো কথা ব্যক্ত কৰিছিল।

প্ৰথম অৱস্থাত আনা ফ্ৰাংকে দিনপঞ্জীখন মাথোঁ নিজৰ বাবেই লিখা আৰম্ভ কৰিছিল। কিন্তু ১৯৪৪ৰ মাৰ্চত নিৰ্বাসিত নেদাৰলেণ্ড চৰকাৰৰ এজন সদস্যৰ ৰেডিঅ' সম্প্ৰচাৰ শুনি তাই দিনপঞ্জীখন লিখাৰ ধৰণ কিছু পৰিৱৰ্তন কৰে। উক্ত সম্প্ৰচাৰত ঘোষণা কৰা হৈছিল যে যুদ্ধ শেষ হোৱাৰ পাছত জাৰ্মান অধিগৃহীত অঞ্চলত যিসকল নেদাৰলেণ্ডবাসীয়ে যুদ্ধৰ সময়ত দুখ-কষ্ট ভোগ কৰিছে তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰা হ'ব আৰু সেই সাক্ষাৎকাৰ জনসাধাৰণৰ বাবে প্ৰচাৰ কৰা হ'ব। সম্প্ৰচাৰৰ চিঠি-পত্ৰ আৰু ডায়েৰীৰ কথা বিশেষভাৱে উল্লেখ কৰা হৈছিল। এই সম্প্ৰচাৰ শুনি আনাই সিদ্ধান্ত লৈছিল যে যুদ্ধৰ শেষত তাই তাইৰ ডায়েৰীখনৰ ভিত্তিত এখন কিতাপ লিখি প্ৰকাশ কৰিব। সেই কাৰণেই তাই দিনপঞ্জীখন লিখিবলৈ লৈছিল। এনেকি তাই পুথিখনৰ নাম এটাও ভাবি থৈছিল— 'হেট আখটেয়াৰহুইছ'। ওলন্দাজ ভাষাৰ সেই শিৰোনামটোৰ অৰ্থ হ'ল 'গোপন ভিতৰ কুঠৰী'। ইংৰাজী অনুবাদটোৰ নাম থোৱা হৈছে The annexe, ইয়াতো আছে ছোৱালীজনীৰ নামৰ প্ৰতিধ্বনি।

অট্টো ফ্ৰাংক পৰিয়াল আমষ্টাৰডামৰ সেই ঘৰটোৰ 'গুপ্তমহল'ত পঁচিশ মাহ আত্মগোপন কৰি আছিল। পাঁচ জুলাই ১৯৪২ৰ পৰা ১৯৪৪ৰ চাৰি আগষ্টলৈ, মুঠ আঠোটা প্ৰাণী। চাৰি আগষ্টত এজন চোৰাংচোৱাৰ সূত্ৰৰ পৰা জানিব পাৰি জাৰ্মান গেষ্টাপোৱে সকলোকে গ্ৰেপ্তাৰ কৰি জাৰ্মানীলৈ লৈ যায়। তাত কনচেনট্ৰেছন কেম্পৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি এজন এজনকৈ অট্টো ফ্ৰাংকৰ বাহৰে পৰিয়ালটোৰ সকলোৰেই মৃত্যু হয়। অট্টো ফ্ৰাংক অকলে জীৱিত জীয়াই থাকে।

১৯৪৪ৰ চাৰি আগষ্টৰ দিনা গুপ্ত কুঠৰীটো খানাতালাচ কৰিবৰ সময়ত জাৰ্মান আৰু ওলন্দাজ নাৎসী পুলিচে পৰিত্যক্ত ডায়েৰীখন পঢ়ি-মেলি নাচালে। নহ'লে ফ্ৰাংক পৰিয়ালক সহায় কৰা মানুহ কেইজনো ধৰা পৰিলহেঁতেন আৰু পুথিখনো নষ্ট কৰি পেলালেহেঁতেন।

১৯৪২ৰ আঠ জুনৰ পৰা মুঠ দুবছৰ ২৪ দিনৰ দৈনন্দিন কাল্পনিক চিঠিবোৰৰ সমষ্টিয়েই হ'ল আনাৰ বিখ্যাত দিনপঞ্জীখন। দেউতাকে উপহাৰ দিয়া ডায়েৰীখনৰ পাতবোৰ ভৰি উঠাৰ পাছত তেওঁলোকৰ সহায়কাৰী মিয়েপে এখন সাধাৰণ টোকাবহী দিছিল। সেইখনো ভৰি উঠাৰ পাছত বায়েক মাৰ্গটৰ ৰসায়ন বিজ্ঞানৰ টোকাবহীখনতে শেষৰ ফালৰ দিনলিপিবোৰ লিখি গৈছিল। অন্তিম দিনলিপিটোৰ তাৰিখ আছিল ১৯৪৪ৰ ১১ আগষ্ট।

'গোপন ভিতৰ-কুঠৰী'ৰ পৰাই টাইপিষ্ট ছোৱালী মিয়েপেই উদ্ধাৰ কৰিছিল আনা ফ্ৰাংকৰ দিনপঞ্জীখন। ইফালে গ্ৰেপ্তাৰ কৰি লৈ যোৱাৰ পাছত জাৰ্মানবিলাকে সেই আঠোটা প্ৰাণীক গৰু-গাই কঢ়িওৱা এখন ট্ৰাকত তুলি মৃত্যু শিবিৰলৈ পঠিয়াই দিলে। তাৰ পৰা পুৰুষকেইজনক মহিলাকেইগৰাকীৰ ওচৰৰ পৰা আঁতৰাই নিয়ে। আনাৰ মাক কেইদিনমানৰ পাছতে ঢুকাল। ডান ভান দম্পতী আৰু পুতেক পিটাৰো সৰহদিন নাবাচিল। দন্ত চিকিৎসক ডুছেলৰো মৃত্যু ঘটিল।

ইতিমধ্যে আনা আৰু মাৰ্গটক জাৰ্মানীৰ বেলছনৰ মৃত্যু শিবিৰলৈ স্থানান্তৰিত কৰা হৈছিল। মাৰ্গটৰ মৃত্যু হৈছিল ১৯৪৫ৰ মাৰ্চত জাৰ্মানীৰ বেলছন কনচেনট্ৰেছন শিবিৰত। আনা তেতিয়ালৈকে তাতে আছিল। অত্যন্ত অসুস্থ আৰু দুৰ্বল। এই বাতৰি জনাইছিল আমাৰ সহপাঠিনী লিছ গুছেন্সে। তেওঁ জীৱিত অৱস্থাতে যুদ্ধোত্তৰ পৃথিৱীলৈ উভতি আহিব পাৰিছিল। লিছৰ পৰা জনা যায়, আনাক তেতিয়া চিনিব পৰা অৱস্থাত নাছিল। আনাৰ সম্পূৰ্ণ মুণ্ডন কৰা হৈছিল। গেছ চেম্বাৰত সোমাই দিয়াৰ আগতে মূৰ খুৰাই দিয়া হয়। কংকালসাৰ চেহেৰা। অত্যধিক পৰিশ্ৰম আৰু অনাহাৰত তাই আছিল তেতিয়া এক মৃত্যুপথযাত্ৰী। শিবিৰত তাই সন্নিপাত জ্বৰত ভুগি আছিল। তাইক বায়েকৰ মৃত্যুৰ বাতৰি দিয়া হোৱা নাছিল। কিন্তু দুই-তিনিদিন বায়েকক নেদেখি তাই বুজি পাইছিল মাৰ্গটৰ মৃত্যু হৈছে। এই মৰ্মান্তিক ঘটনা সহ্য কৰিব নোৱাৰি তাই মৃত্যুক আঁকোৱালি লৈছিল। তাইৰ দেহ ৰাজহুৱা কবৰত সমাধিস্থ কৰা হয়।

জীয়াই আছিল মাথোঁ অট্টো ফ্ৰাংক। অচবিৎসৰ মৃত্যু শিবিৰৰ পৰা তেওঁক ৰুছবিলাকে মুক্তি দিছিল। পৰিয়ালৰ সকলোৰে মৃত্যু হোৱাৰ বাতৰি পাই তেওঁ আমষ্টাৰ্ডামলৈ ঘূৰি আহিছিল। তাতেই মিয়েপে তেওঁৰ হাতত সেই দিনলিপিখনৰ পাণ্ডুলিপিটো গতাই দিলে। দিনলিপিখন পঢ়ি অট্টো ফ্ৰাংকৰ চকুত ধাৰাসাৰে অশ্ৰু নামি আহিল। তেওঁ ছুইজাৰলেণ্ডত থকা আনা ফ্ৰাংকৰ আইতাকলৈ পঠিয়বলৈ দিনলিপিখন টাইপ কৰোৱালে। সেই টাইপৰ কপি এটা অট্টো ফ্ৰাংকে তেওঁৰ বন্ধু এজনক চাবলৈ দিলে। তেতিয়ালৈকে তেওঁ সেইখন ছপাই উলিওৱাৰ কথা ভুলতো ভবা নাছিল। তেওঁৰ বন্ধুজনে আকৌ দিনলিপিখনৰ নকলটো বিশ্ববিদ্যালয়ৰ আধুনিক ভাষাতত্ত্বৰ এজন অধ্যাপকক পঢ়ি চাবলৈ দিলে। অধ্যাপকজনে অট্টো ফ্ৰাংকক নজনোৱাকৈ দিনলিপিখনৰ বিষয়ে এখন ওলন্দাজ বাতৰি কাকতত এটা প্ৰবন্ধ প্ৰকাশ কৰিলে। লগে লগে বন্ধুৰ দলে আহি দিনপঞ্জীখন ছপাই উলিওৱাৰ বাবে হেঁচা দিলে। তেওঁ দুজনমান খ্যাতনামা প্ৰকাশকৰ ওচৰলৈ গৈ ব্যৰ্থ হ'ল। তেওঁলোকে ছপাবলৈ অস্বীকাৰ কৰিলে। তৃতীয়গৰাকী অখ্যাত প্ৰকাশকে ছপোৱাৰ দায়িত্ব ল'লে। প্ৰকাশ কৰিলে মাথোঁ পাঁচশ কপি। সংস্কৰণটো প্ৰকাশ হৈ ওলোৱাৰ লগে লগে বিক্ৰী হৈ গ'ল। শেষত ডাচ সংস্কৰণৰ ১৫ লাখ কপি বিক্ৰী হ'ল, লগতে সৃষ্টি হ'ল অভিলেখ। সেই সংস্কৰণৰ নামকৰণ কৰিছিল অট্টো ফ্ৰাংকে Het Achterhuts (দি চিক্ৰেট আনেক্সি, বা গুপ্তমহল) বুলি। বৰ্তমান সেই কিতাপখন বিশ্ব সাহিত্যৰ এক অমূল্য সম্পদ।

কি আছে এই দিনপঞ্জীখনত? আছো মাথোঁ নিৰলাতে ফুলি নিৰলাতে মৰহি অকালতে সৰি পৰা এপাহ ফুলৰ কাহিনী। আছে ১৩ৰ পৰা ১৫লৈ আগবঢ়া এজনী ছোৱালীৰ অবাক স্বপ্নৰ ইতিহাস, যিজনী ছোৱালীক পিঞ্জৰাত বন্দী কৰি ৰখা হৈছিল। তাই কৃত্ৰিমতাৰ বাস্তৱ শৃংখল ছিঙি চিন্তাৰ জগতত মানস ভ্ৰমণ কৰিছিল। কিশোৰীৰ দৃষ্টিভংগীৰে তাই অনুসন্ধান কৰিছিল অনেক দুৰূহ তত্ত্ব—ঈশ্বৰ, প্ৰেম, মানুহৰ চৰিত্ৰ, যুদ্ধ আৰু শান্তি। ডায়েৰীখনত তত্ত্বকথাৰ কোনো পয়োভৰ নাই। আছে মাথোঁ সৰু-সুৰা ঘটনাৰ অকপট উক্তি। আনা ফ্ৰাংকে হৃদয়ৰ আৱেগ ঢালি লিখিছে— মাকৰ ওচৰত তাই আশা কৰা মৰমখিনি নোপোৱাৰ কথা। ডুছেলে তাইক লিখা-পঢ়া কৰা মেজখনৰ পৰা বঞ্চিত কৰাৰ কথা। তাইৰ কৈশোৰ আৰু যৌৱনৰ দোমোজাত সেই গুপ্তমহলৰ একমাত্ৰ সদ্য যৌৱনপ্ৰাপ্ত পিটাৰৰ পৰা পোৱা যৌৱনৰ প্ৰথম চুম্বনটোৰ মাধুৰ্যৰ কথা। তাই তাইৰ উদ্ভিন্ন যৌৱনৰ সকলোখিনি সুখ-দুখৰ কথা এযাৰ কথাৰে ব্যক্ত কৰিছে—'মই অনুভৱ কৰো, মই যেন এজনী গান গাই ফুৰা চৰাই, যাৰ দেহৰ পৰা ডেউকাহালি নৃশংসভাৱে ছিঙি পেলোৱা হৈছে আৰু তাই ঘোপমৰা আন্ধাৰৰ মাজত উৰিবৰ যত্ন কৰি কেৱল নিজৰ বন্ধ ঘৰৰ দেৱালত মূৰ খুন্দিয়াই ফুৰিছে।'

১৯৭২ত মুদ্ৰিত কিতাপখনৰ সত্তৰতম সংস্কৰণৰ ভূমিকাত প্ৰকাশকে লিখিছিল— প্ৰথম তিনি দশকত ৩২টা ভাষালৈ আনা ফ্ৰাংকৰ ডায়েৰী অনূদিত হৈছিল। আনুমানিক ১০ লাখ কপি বিক্ৰী হৈছিল। প্ৰথম প্ৰকাশিত 'ডাচ' গ্ৰন্থখন ততাতৈয়াকৈ পুনৰ্মুদ্ৰণ কৰিব লগা হয়। তিনি বছৰৰ পাছত জাৰ্মানীৰ হেইডেলবাৰ্গ প্ৰকাশনে এই কিতাপখনৰ জাৰ্মান অনুবাদ প্ৰকাশ কৰে ৪৫০০ কপি। কিন্তু জাৰ্মানৰ অধিকাংশ কিতাপৰ দোকানীয়ে এই কিতাপখন মুকলিকৈ ৰাখিবলৈ সাহস কৰিব পৰা নাছিল। তেতিয়াও পৰাজিত জাৰ্মানীৰ হিটলাৰৰ অনুগামীসকলৰ আতংক চলি আছিল। তেওঁলোকে অনাৰ্য ইহুদীসকলক পৰি মৰাটো সমৰ্থন কৰিছিল। কিন্তু এই অমানৱিকতাৰ বিৰুদ্ধে এজনী অনুপস্থিত কিশোৰীৰ সপোনেই বিজয়ী হ'ল। তিল তিলকৈ আনাই যুদ্ধোত্তৰ শুভবুদ্ধিৰ জাৰ্মানসকলক জয় কৰিছিল। কিতাপখনৰ নতুন সংস্কৰণ হ'ল। ইতিমধ্যে প্ৰকাশ হৈছে ফৰাচী আৰু ইংৰাজী অনুবাদ Anne Frank: The Diary of a young Girl। আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুছভেল্টৰ পত্নী এলিনৰে স্বতঃপ্ৰবৃত্ত হৈ মাৰ্কিন সংস্কৰণৰ ভূমিকা লিখিছিল। তাত তেওঁ লিখিছিল—'This is one of the wisest and most moving commentaries on war and its impact on human being that I have ever read.' (যুদ্ধ সম্পৰ্কীয় যিমান পৰ্যালোচনা গ্ৰন্থ পাঠ কৰাৰ মোৰ সৌভাগ্য হৈছে তাৰ ভিতৰত এইখন অন্যতম। বিচক্ষণতা আৰু হৃদয়াবেগৰ যৌথ উপস্থাপনাত মানৱ জাতিৰ ওপৰত এইখন কিতাপৰ প্ৰভাৱো অতুলনীয়।)

সত্তৰতম সংস্কৰণৰ প্ৰকাশকে জনোৱা মতে তিনি দশকত দহ লক্ষাধিক কপি বিক্ৰী হৈছে। আকে তিনি দশকৰ পাছত মাহেকীয়া পত্ৰিকা 'স্মিথচোনীয়ান'ত মাৰ্কিন সাহিত্যিক ৰিচাৰ্ড কভিনটনে লিখিছে— 'For many Americans, the diary was their literary introduction to the Holocaust. of the 25 to 30 million copies in 60 languages, at least a quarter was sold on the United states.' (বহু মাৰ্কিন পাঠকক এই কিতাপখনেই ইহুদী নিধন যজ্ঞকাণ্ডৰ বা Holocaust ৰ খবৰ দিছিল। এই পৰ্যটো ৬০টা ভাষালৈ অনূদিত আঢ়ৈ কোটিৰ পৰা তিনি কোটি কিতাপ সমগ্ৰ পৃথিৱীত বিক্ৰী হৈছে, তাৰ ভিতৰত এক চতুৰ্থাংশ পাঠক আমেৰিকান।)

আঢ়ৈৰ পৰা তিনি কোটি কিতাপ। আৰু সেই কিতাপৰ পাঠকৰ সংখ্যা কিমান? যদি ধৰি লোৱা হয় একোটা কপি ১০জন পাঠকে পঢ়িছিল তেন্তে ৩০কোটি মানুহে আনাৰ ভালপোৱা, তাইৰ চপল্য আৰু কৈশোৰৰ সপোনেৰে উদ্বেলিত হৈছিল। আনহাতে হিটলাৰৰ বিৰাট যুদ্ধ-সম্ভাৰ আৰু জাতিবৈৰিতাৰ বিকৃত আদৰ্শৰ বলি হৈছিল মাথোঁ এক কোটি মানুহ। সেয়ে মানৱ সভ্যতাৰ ইতিহাসত আনাই আকৌ এবাৰ প্ৰমাণ কৰি গ'ল Pen is mighter than sword.

অকল কিতাপৰ ৰূপতেই নে? আনা ফ্ৰাংকৰ এই বিখ্যাত ডায়েৰীখনৰ আধাৰত নাটক আৰু চিনেমাও হৈছে একাধিক। আৰু তাৰ দ্বাৰা সহস্ৰাধিক লোক অনুপ্ৰেৰিত হৈছে। নেলছন মেণ্ডেলাই কৈছে, তেওঁ কাৰাগাৰত থাকোতে এইখন কিতাপৰ পৰাই প্ৰভূত প্ৰেৰণা পাইছিল। জন এফ কেনেডিয়ে। এটা বক্তৃতাত আনা সম্পৰ্কে কৈছিল (1961)– 'Of all the multitudes of who throughout history have spoken for human dignity in times of great suffering and loss, no voice is more compellings than that of Anne Frank.' এগৰাকী ছোভিয়েট লেখকে লিখিছে— 'One voice speaks for six million the voice of not a sage or a poet but of an ordinary little girl.'

দৰাচলতে আনাৰ এই ডায়েৰীখন হ'ল বিশ্বৰ এখন চিৰায়ত গ্ৰন্থ, এক কীৰ্তিস্তম্ভ— যিয়ে বিশ্বৰ কোটি কোটি মানুহক উদ্বেলিত কৰে, শিহৰিত কৰে আৰু মানৱ সভ্যতাক ভেঙুচালি কৰে। ডায়েৰীখন হ'ল মানৱ সভ্যতাৰ দুখ-যন্ত্ৰণাৰ, মানুহৰ দুৰন্ত সাহস-প্ৰেৰণা, ভয়-আশংকাৰ বাস্তৱ চলচ্চিত্ৰৰূপ। আৰু মানৱ সভ্যতাৰ এই অবাক দলিল, যুদ্ধৰ ভয়-বিহ্বলতা আৰু নৃশংসতাৰ ছবি অংকন কৰিছে ১৬ বছৰত উপনীত নৌহওঁতেই সেই ভয়াবহ নিষ্ঠুৰতাৰ বলি হোৱা আনা ফ্ৰাংক নামৰ কিশোৰীজনীয়ে।

## চলচ্চিত্ৰ নিৰ্মাতা মণি ৰত্নম অসুস্থ, হ'ল চিকিৎসাধীন




**নিউজ ব্যুৰ', চেন্নাই, ১৯ জুলাই ঃ** প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা মণি ৰত্নমক স্বাস্থ্যজনিত কাৰণত চেন্নাইৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৬৬ বছৰ বয়সীয়া চলচ্চিত্ৰ নিৰ্মাতাজনৰ শৰীৰত জ্বৰৰ উপসৰ্গই দেখা দিয়াৰ পাছতে পৰিয়ালৰ লোকে চেন্নাইৰ চিকিৎসালয়ত তেওঁক ভৰ্তি কৰে। অৱশ্যে পৰিয়ালৰ সূত্ৰই জনোৱা অনুসৰি ৰত্নম সুস্থ আছে আৰু তেওঁৰ শৰীৰত জ্বৰৰ উপসৰ্গই দেখা দিয়া হেতুকে বয়সজনিত কাৰণতহে তেওঁক যাৱতীয় স্বাস্থ্য পৰীক্ষাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

## বছৰৰ উষ্ণতম দিন ব্ৰিটেইনত, বাকিংহাম পেলেচত ৰাণীৰ ৰক্ষীক জলপান কৰালে এইদৰে



**নিউজ ব্যুৰ', লণ্ডন, ১৯ জুলাই ঃ** উষ্ণতা বৃদ্ধিয়ে ভয়াৱহ ৰূপ লৈছে ব্ৰিটেইনত। সোমবাৰে দেশখনৰ পাৰাস্তম্ভই ৪০ ডিগ্ৰী ছেলছিয়াছ স্পৰ্শ কৰিলে। চলিত গ্ৰীষ্মৰ সবাতোকৈ উষ্ণতম দিন আছিল সোমবাৰে। পৰিস্থিতি ইমানে অসহনীয় হ'ল যে বাকিংহাম প্ৰাসাদত ৰাণীৰ নিৰাপত্তাৰক্ষীক কৰ্তব্যৰত অৱস্থাত জলপান কৰাব লগা হ'ল। লণ্ডনৰ ৰাজপথত এই দৃশ্য এতিয়া ভাইৰেল হৈছে। ব্ৰিটেইনৰ স্বাস্থ্য বিভাগে ইতিমধ্যে 'ৰেড এলাৰ্ট' জাৰি কৰিছে। চূড়ান্ত তাপমাত্ৰাত প্ৰাণৰক্ষাৰ বাবে জাৰি কৰা হৈছে সতৰ্কতা। উত্তাপ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি সম্প্ৰতি দেশখনত বন্ধ ৰখা হৈছে বিদ্যালয়। সাধাৰণ নাগৰিকক অতি জৰুৰী নহ'লে ঘৰৰ বাহিৰলৈ নোলাবলৈকো স্বাস্থ্য বিভাগে পৰামৰ্শ দিছে।

## পুনৰ নিম্নমুখী ক'ভিডৰ দৈনিক সংক্ৰমণ, মৃত্যুও ২৫ জনলৈ হ্ৰাস



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** মঙলবাৰে দেশৰ দৈনিক সংক্ৰমণ যথেষ্ট নিম্নমুখী হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ১৫,৫২৮ জন লোক। আনহাতে, এই ভাইৰাছৰ সংক্ৰমণত বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ২৫ জন ৰোগীৰ মৃত্যু হ'ল। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি বৰ্তমানলৈকে ভাৰতৰ ৯০ শতাংশ নাগৰিকে ক'ভিডৰ দুপালি প্ৰতিষেধক লাভ কৰিলে। একেদৰে দেশৰ ১৫-১৮ বছৰ বয়সীয়া লোকসকলৰ ৮২ শতাংশই ইতিমধ্যে ক'ভিডৰ প্ৰথম পালি প্ৰতিষেধক লাভ কৰিলে।

## পঞ্জাৱৰ উপ-নিৰ্বাচনত জয়ৰ পাছত পাকিস্তানৰ সাধাৰণ নিৰ্বাচনৰ দাবী ইমৰানৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৯ জুলাই ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ দল পাকিস্তান তহৰিক এ ইনছাফে পঞ্জাৱ প্ৰদেশৰ বিধানসভাৰ উপ-নিৰ্বাচনত বৃহৎ জয়লাভ কৰাৰ পাছত খানে দেশত অতি শীঘ্ৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনালে। উল্লেখ্য যে যোৱা এপ্ৰিলত ৰাজনৈতিক অস্থিৰতাৰ মাজতে ইমৰানে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ বাধ্য হৈছিল। পঞ্জাৱ প্ৰদেশৰ উপ-নিৰ্বাচনত চমকপ্ৰদ জয়ৰ পাছত উৎসাহিত হোৱা ইমৰানে সোমবাৰে পাকিস্তানত অতি শীঘ্ৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী পুনৰ উত্থাপন কৰিলে। টুইট কৰি পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে কয় যে যথাসম্ভৱ শীঘ্ৰে পাকিস্তানৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাটো অতি জৰুৰী।

## পাকিস্তানত নৌকা দুৰ্ঘটনাত ১৯ মহিলাৰ মৃত্যু



**নিউজ ব্যুৰ', পেছোৱাৰ, ১৯ জুলাই ঃ** পাকিস্তানত পঞ্জাৱ আৰু সিন্ধ সীমান্তত সিন্ধু নদীত এখন নাও ওলটি যোৱাৰ ফলত কমেও ১৯ গৰাকী মহিলাৰ মৃত্যু হ'ল। নৌকাত থকা মহিলাকেইগৰাকীয়ে এক বিবাহ অনুষ্ঠানত অংশ ল'বলৈ গৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, উক্ত নাৱত প্ৰায় এশজন যাত্ৰী আছিল। বিবাহ অনুষ্ঠানলৈ এইদৰে নাৱৰে যাত্ৰীকেইজনে ৰাওনা হোৱাৰ সময়তে হঠাতে নাওখন ওলটি নদীত ডুব যায়। মঙলবাৰে দুপৰীয়ালৈকে ১৯ টা মৃতদেহ উদ্ধাৰ কৰা হয়। নাৱৰ অন্যান্য যাত্ৰীসকলৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত আছে।

### বিশ্বৰ ধনাঢ্য ব্যক্তিৰ শীৰ্ষ তিনি স্থানত থকা ব্যক্তিকো প্ৰত্যাহ্বান জনাইছে এইজন ভাৰতীয় ধনাঢ্যই

# এবছৰত দুগুণ হ'ল আদানীৰ সম্পত্তিৰ পৰিমাণ



**নিউজ ব্যুৰ' নতুন দিল্লী, ১৯ জুলাই ঃ** আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীৰ সম্পত্তিৰ পৰিমাণ অতি দ্ৰুতগতিত বৃদ্ধি অব্যাহত আছে। আদানীৰ সম্পত্তি অতি কম সময়ৰ ভিতৰত ইমানে বৃদ্ধি পাইছে যে সম্প্ৰতি বিশ্বৰ ধনাঢ্য ব্যক্তিৰ শীৰ্ষ তিনি স্থানত থকা ধনাঢ্য ব্যক্তিকেইজনকো এইজন ভাৰতীয় ধনাঢ্যই নতুন প্ৰত্যাহ্বান জনাইছে। বিগত এবছৰত আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ দুগুণতকৈ অধিক হ'ল। ২০২১ বৰ্ষৰ আৰম্ভণিতে আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ ৫৫-৬০ বিলিয়ন ডলাৰৰ মাজত আছিল। এই মুহূৰ্তত আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১১৫ বিলিয়ন ডলাৰ। ফ'ৰ্বছৰ তথ্য অনুসৰি আদানী বৰ্তমানে বিশ্বৰ চতুৰ্থজন সবাতোকৈ ধনী অৰ্বুদপতি। অলপতে আদানীয়ে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত চতুৰ্থ স্থানত থকা মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছক স্থানচ্যুত কৰি উক্ত স্থান দখল কৰিছিল। আদানীৰ আগত ধনাঢ্য ব্যক্তিৰ তালিকাত থকা আন তিনিজন ব্যক্তি হৈছে এলন মাস্ক, বাৰ্ণাৰ্ড অৰ্ণাল্ট আৰু জেফ বেজছ। মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ ২৩০.৮ বিলিয়ন ডলাৰ। আনহাতে, বেজছৰ ১৩৯.৫ বিলিয়ন ডলাৰ আৰু বাৰ্ণাৰ্ডৰ ১৪৮.৫ বিলিয়ন ডলাৰৰ সম্পত্তি আছে।

## জম্মু-কাশ্মীৰত লস্কৰৰ তিনিটা ঘাটি উচ্ছেদ, সাত সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ' জম্মু, ১৯ জুলাই ঃ** জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীৰ সন্ত্ৰাসবাদী সংগঠন লস্কৰ এ তৈবাৰ তিনিটা নেটৱৰ্ক উৎখাত কৰিলে। সীমান্তৰ সিপাৰৰ পৰা এই ঘাটিকেইটা পৰিচালিত কৰা হৈছিল। সেনা আৰু আৰক্ষীয়ে চলোৱা এক তালাচী অভিযানত আজি সন্ত্ৰাসবাদীৰ উক্ত ঘাটিকেইটাৰ পৰা মুঠ সাতজন সন্ত্ৰাসবাদীক নিৰাপত্তা বাহিনীয়ে গ্ৰেপ্তাৰ কৰে। ৰাজৌৰিত সন্ত্ৰাসবাদীৰ দুটা ঘাটি উচ্ছেদ কৰা হয়। এই অভিযানত ঘাটি দুটাৰ পৰা লস্কৰৰ পাঁচজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হয়। আনহাতে, জম্মুৰ সংভাগ অঞ্চলৰ পৰা সন্ত্ৰাসবাদীৰ আন এটা ঘাটি উৎখাত কৰাৰ লগতে দুজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হয়। সন্ত্ৰাসবাদীকেইজনৰ পৰা দুটা এ কে ৪৭ ৰাইফল, তিনিটা পিষ্টল, তিনিটা ছাইলেন্সাৰ, আঠটা গ্ৰেণেড, তিনিটা ইউ বি জি এল, ১২ টা মেগজিন, ১২০ কাৰ্টুজসহ বৃহৎ পৰিমাণৰ বিস্ফোৰক জব্দ কৰা হৈছে।

## থাকৰেৰ নতুন সংকট, শিণ্ডেৰ কাষ চাপিছে এক ডজন শিৱসেনাৰ সাংসদ



**নিউজ ব্যুৰ', মুম্বাই, ১৯ জুলাই ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ সংকট অধিক বৃদ্ধিৰ সম্ভাৱনা প্ৰকট হৈছে। দলৰ বিধায়কৰ সমৰ্থন হেৰুওৱাৰ পাছত এইবাৰ থাকৰেয়ে শিৱসেনাৰ সাংসদৰ সমৰ্থনৰ পৰাও বঞ্চিত হোৱাৰ সম্ভাৱনা আছে। প্ৰকাশিত বাতৰি অনুসৰি, প্ৰায় এক ডজন শিৱসেনাৰ সাংসদে শেহতীয়াভাৱে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডেৰ স'তে যোগাযোগ কৰিছে। এইসকল শিৱসেনাৰ সাংসদে শিণ্ডেৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি লোকসভাত এক পৃথক গোট গঢ়াৰ পৰিকল্পনা গ্ৰহণ কৰা বুলিও শিৱসেনাৰ এক সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। বৰ্তমানে লোকসভাত শিৱসেনাৰ ১৯ জন সাংসদ আছে আৰু ইয়াৰে ১৮ জন হৈছে মহাৰাষ্ট্ৰৰ সাংসদ। সূত্ৰৰ বাতৰিত উল্লেখ কৰা অনুসৰি ১৯ জন সাংসদৰ ১২ জনে ইতিমধ্যে মুখ্যমন্ত্ৰী শিণ্ডেৰ নেতৃত্বলৈ সেউজ সংকেত দিছে।

## ৰেলযাত্ৰাত চাহ-পানীৰ সেৱাকৰ প্ৰত্যাহাৰ আই আৰ চি টি চিৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** সাধাৰণ নাগৰিকক সকাহ দি প্ৰিমিয়াম ৰেলত সেৱাকৰ বাতিল কৰিলে ৰেল মন্ত্ৰণালয়ে। ইণ্ডিয়ান ৰেলৱে কেটাৰিং এণ্ড টুৰিজম ক'ৰ্পৰেচন (আই আৰ চি টি চি)-এ এক নিৰ্দেশনা জাৰি কৰি প্ৰকাশ কৰা অনুসৰি যিসকল ব্যক্তিয়ে টিকট বুকিঙৰ সময়ত খাদ্যসেৱা নিৰ্বাচন নকৰে, তেওঁলোকে কোনো সেৱাকৰ আদায় দিব নালাগে। উল্লেখ্য যে ইমানদিনে ভাৰতত প্ৰিমিয়াম ৰেলত যাত্ৰাৰ সময়ত খাদ্য আৰু পানী তথা পানীয় অৰ্ডাৰ দিলে ৫০ টকা সেৱাকৰ আদায় দিব লাগে। কিন্তু এতিয়াৰে পৰা প্ৰিমিয়াম ৰেলত যাত্ৰীয়ে চাহ আৰু পানীৰ বাবদ অতিৰিক্ত সেৱাকৰ আদায় দিব নালাগিব। অৱশ্যে পুৱাৰ টিফিন আৰু খাদ্যৰ ক্ষেত্ৰত ৫০ টকাৰ অতিৰিক্ত সেৱাকৰ আদায় দিব লাগিব। ৰাজধানী, দুৰন্ত, শতাব্দী আৰু বন্দে ভাৰত ৰেলত ভ্ৰমণৰ ক্ষেত্ৰত ইমানদিনে পানীৰ বাবদো ৰেলযাত্ৰীয়ে সেৱাকৰ আদায় দিবলগীয়া হৈছিল। কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা কৰ্তৃপক্ষ (চি চি পি এ)ই অলপতে হোটেল-ৰেস্তোৰাঁৰ সেৱাৰ ক্ষেত্ৰত অতিৰিক্ত সেৱাকৰ দাবী কৰাটো অন্যায় বুলি ঘোষণা কৰাৰ পাছতে আই আৰ চি টি চিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিলে।

## ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ পদত পুনৰ এখোজ আগুৱালে ভাৰতীয় মূলৰ ঋষিয়ে




**নিউজ ব্যুৰ' লণ্ডন, ১৯ জুলাই ঃ** ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ পদৰ দৌৰত পুনৰ এখোজ আগুৱালে ভাৰতীয় মূলৰ কনজাৰভেটিভ নেতা ঋষি ছুনকে। শেষ মুহূৰ্তত কোনো অঘটন নহ'লে ব্ৰিটেইনত পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ দায়িত্ব লাভ কৰিব পাৰে ভাৰতীয় মূলৰ এইজন ব্ৰিটিছ ৰাজনীতিকে। যদিও কনজাৰভেটিভ দলৰ নেতা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী বৰিছ জনছনে ঋষি ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হোৱাটো বিচৰা নাই, তেওঁৰ দলৰ সৰহ সংখ্যক সাংসদে ঋষিৰ সমৰ্থনত থিয় দিছে। জনগণৰ ৰায়ত তিনি বছৰ পূৰ্বে ব্ৰিটেইনৰ ক্ষমতা দখল কৰিছিল কনজাৰভেটিভ দলে। প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিল বৰিছ জনছনে। কিন্তু একাধিক দুৰ্নীতি আৰু ক'ভিড কালত আইন উলংঘন কৰি চৰকাৰী বাসগৃহত পাৰ্টিৰ আয়োজন কৰি বিতৰ্কৰ সন্মুখীন হোৱা জনছনে অৱশেষত পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। সম্প্ৰতি কনজাৰভেটিভ দলে পৰৱৰ্তী নেতা তথা ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ এই প্ৰক্ৰিয়াত বৰ্তমানলৈকে শীৰ্ষত আছে ঋষি। সোমবাৰে অনুষ্ঠিত হোৱা ভোটত ঋষিয়ে ১১৫ ভোট লাভৰে পুনৰ শীৰ্ষস্থান লাভ কৰিলে। এই পৰ্যায়ৰ ভোটদানত ঋষিৰ মূল প্ৰতিদ্বন্দ্বী বাণিজ্য মন্ত্ৰী পেনী ম'ৰডণ্টই লাভ কৰিলে ৮২ টা ভোট। আনহাতে, লিজ ত্ৰাছে ৭১ আৰু কেমি বেডেন'ছে ৫৮ টা ভোট লাভৰে ক্ৰমে তৃতীয় আৰু চতুৰ্থ স্থানত আছে।



## এইবাৰ ৰক্তাক্ত পেৰিছ, পানশালাত নিৰ্বিচাৰে গুলিবৰ্ষণ বন্দুকধাৰীৰ

**নিউজ ব্যুৰ', পেৰিছ, ১৯ জুলাই ঃ** আমেৰিকাৰ পাছত এইবাৰ বন্দুকধাৰীৰ আক্ৰমণত কঁপি উঠিল ফ্ৰান্স। যোৱা নিশা পেৰিছৰ এখন পানশালাত প্ৰৱেশ কৰি নিৰ্বিচাৰে গুলিবৰ্ষণ কৰিলে দুই বন্দুকধাৰীয়ে। এই ঘটনাত এজন লোকৰ মৃত্যু হ'ল। পাছত আক্ৰমণকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, পেৰিছৰ ১১ এৰনডিচেমেণ্ট অঞ্চলত এখন পানশালাত বন্দুকধাৰীয়ে এই ভয়াৱহ ঘটনা সংঘটিত কৰিলে। আৰক্ষীয়ে এজন আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰিছে। আনজন আক্ৰমণকাৰীৰ সন্ধানত তদন্ত অব্যাহত আছে। বন্দুকধাৰীৰ গুলিত এজন লোকৰ মৃত্যু হোৱাৰ লগতে চাৰিজন লোক গুলিবিদ্ধ হয়।

## অবৈধ কয়লা খনিৰ বিৰুদ্ধে অভিযান চলোৱা আৰক্ষী বিষয়াক ডাম্পাৰৰে খুন্দিয়াই হত্যা কৰিলে মাফিয়াই



**নিউজ ব্যুৰ' পঞ্চগাঁও, ১৯ জুলাই ঃ** অবৈধ কয়লা খনিৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলাই অহা হাৰিয়ানা আৰক্ষীৰ এজন বিষয়াক নৃশংসভাৱে হত্যা কৰিলে কয়লা মাফিয়াই। কয়লা মাফিয়াই ট্ৰাকৰে মহতিয়াই হত্যা কৰিলে হাৰিয়ানাৰ টাউৰুৰ উপ-আৰক্ষী অধীক্ষক (ডি এছ পি) সুৰেন্দ্ৰ সিং বিষ্ণোইক। আইন ৰক্ষকৰ এনে পৰিণতিত অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। দিন দুপৰতে কয়লা মাফিয়াই এইদৰে কয়লা ভৰ্তি ডাম্পাৰৰে আৰক্ষী বিষয়া সিঙক আক্ৰমণ কৰি হত্যা কৰিলে। পঞ্চগাঁৱৰ নুৰ সমীপত সোমবাৰে এই নৃশংস হত্যাকাণ্ড সংঘটিত হৈছিল। সোমবাৰে গোপন সূত্ৰৰ জৰিয়তে পঞ্চগাঁৱৰ কাষৰ আৰাবল্লি পৰ্বতৰ সমীপত অবৈধভাৱে কয়লা খনন কৰাৰ খবৰ লাভৰ পাছতে উক্ত অঞ্চলত আৰক্ষী বিষয়াজনে অভিযান চলাইছিল। আৰক্ষীক প্ৰত্যক্ষ কৰা মাত্ৰকে কয়লা মাফিয়াই কয়লাৰ ডাম্পাৰ ট্ৰাক লৈ পলায়নৰ অপচেষ্টা চলাইছিল। সেই সময়ত সিঙে ট্ৰাক ৰখাবলৈ চেষ্টা চলোৱাত ডাম্পাৰ চালকে আৰক্ষী বিষয়াজনৰ দেহৰ ওপৰেৰে ডাম্পাৰ চলাই পলায়ন কৰে। ফলত ঘটনাস্থলীতে ডাম্পাৰৰ চকাৰ চেপাত প্ৰাণ হেৰুৱালে আৰক্ষী বিষয়াজনে। পলাতক আক্ৰমণকাৰীৰ সন্ধানত আৰক্ষীয়ে তালাচী অভিযান অব্যাহত ৰাখিছে।

## নূপুৰক হত্যা কৰিবলৈ ভাৰতত অনুপ্ৰৱেশ কৰিছিল পাকিস্তানীয়ে, কিন্তু পৰিল ধৰা



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** পাকিস্তানৰ পৰা ভাৰতত অনুপ্ৰৱেশ কৰা এজন ২৪ বছৰীয়া যুৱকক অলপতে সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ)ৰ জোৱানে ৰাজস্থানৰ শ্ৰীগংগাধৰ জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰত গ্ৰেপ্তাৰ কৰিছিল। সেনা আৰু আৰক্ষীৰ জেৰাত লাভ কৰা তথ্য অনুসৰি, ৰিজৱান আশ্ৰাফ নামৰ এই পাকিস্তানী যুৱকজনে বিজেপিৰ প্ৰাক্তন নেত্ৰী নূপুৰ শৰ্মাক হত্যা কৰাৰ পৰিকল্পনাৰে ভাৰতত অনুপ্ৰৱেশ কৰিছিল। পয়গম্বৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰা বিজেপিৰ প্ৰাক্তন নেত্ৰীগৰাকীক মৃত্যুদণ্ড বিহাৰ লক্ষ্যৰে ৰিজৱানে কাখহান তালাচী চকীৰে ভাৰতত অনুপ্ৰৱেশ কৰিছিল। ৰিজৱান পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মাণ্ডি বাহাওদ্দিনৰ বাসিন্দা। আজমেৰ দৰগাহত চাদৰ উৎসৰ্গা কৰি ৰিজৱানে নূপুৰক হত্যাৰ পৰিকল্পনা যুগুত কৰিছিল। কিন্তু এই পৰিকল্পনা ৰূপায়ণ কৰাৰ পূৰ্বে পাকিস্তানী যুৱকজন বি এছ এফৰ হাতত ধৰা পৰিল।

## নাটোত যোগদানত পুনৰ বাধাৰ সন্মুখীন ফিনলেণ্ড-ছুইডেন



**নিউজ ব্যুৰ', ষ্টকহোম, ১৯ জুলাই ঃ** সকলোকে চমক দি ফিনলেণ্ড আৰু ছুইডেনক উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ত যোগদানৰ ক্ষেত্ৰত সেউজ সংকেত দিছিল তুৰস্ক। কিন্তু সন্মতিৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰাৰ কিছুদিনৰ পাছতে পুনৰ স্থিতি সলনি কৰিলে তুৰস্কই। তুৰস্কৰ ৰাষ্ট্ৰপতি ৰিচেপ টায়িপ এৰ্ড'গানে কালি কয় যে নাটোত যোগদানৰ ক্ষেত্ৰত তুৰস্কৰ কিছু চৰ্তাৱলী পালন কৰিব লাগিব ফিনলেণ্ড আৰু ছুইডেনে। 'সকলোকে মনত পেলাই দিব বিচাৰো, আমাৰ চৰ্ত মানিব লাগিব উত্তৰ ইউৰোপৰ দুই দেশে। যদি চৰ্ত পালন নকৰে তেন্তে যোগদানৰ প্ৰক্ৰিয়া ব্যাহত কৰা হ'ব। বিশেষকৈ এই বিষয়ত ছুইডেনৰ অৱস্থানক লৈ আমাৰ আপত্তি আছে।' সোমবাৰে এৰ্ড'গানে এইদৰে কয়। তুৰস্কৰ কুৰ্ডিছসকলক ইউৰোপৰ দুই দেশ ফিনলেণ্ড আৰু ছুইডেনে গোপনে সমৰ্থন আগবঢ়াই আহিছে বুলি আংকাৰাই অভিযোগ কৰি আহিছে। উল্লেখ্য যে কুৰ্ডিছক সন্ত্ৰাসবাদী হিচাপে চিহ্নিত কৰিছে তুৰস্ক চৰকাৰে।

## অগ্নিবীৰ নহয়, জাতিবীৰ বনাব বিচাৰিছে মোদীয়ে, অভিযোগ আপৰ সাংসদৰ ঃ প্ৰত্যুত্তৰ সেনাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** ভাৰতীয় সেনা বাহিনীত নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ আঁচনিক লৈ বিতৰ্ক এতিয়াও অব্যাহত আছে। আজি আম আদমী পাৰ্টি (আপ)ৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে অভিযোগ কৰি কয় যে অগ্নিবীৰ নিযুক্তিৰ পূৰ্বে আগ্ৰহী প্ৰাৰ্থীৰ পৰা সেনা বাহিনীয়ে ধৰ্ম আৰু জাতিৰ পৰিচয় বিচাৰিছে। আপৰ সাংসদজনে লগতে কয় যে সেনা বাহিনীত যোগদানৰ ক্ষেত্ৰত পূৰ্বে ব্যক্তিৰ জাতি পৰিচয় বিচৰা হোৱা নাছিল। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰক কটাক্ষ কৰি আপৰ সাংসদজনে কয় যে আচলতে মোদীয়ে অগ্নিবীৰ নহয়, জাতিবীৰ বনাব বিচাৰিছে। টুইট কৰি অগ্নিপথ প্ৰকল্পৰ আবেদনৰ প্ৰসংগত সাংসদ সিঙে এইদৰে লিখে, 'মোদী চৰকাৰৰ লেতেৰা চেহেৰা দেশবাসীৰ সন্মুখত ফুটি উঠিছে। দলিত, অনগ্ৰসৰ শ্ৰেণী বা জনজাতি সেনা বাহিনীৰ যোগ্য বিবেচনা মোদীয়ে নকৰে নেকি? ইতিহাসত প্ৰথমবাৰ ভাৰতীয় সেনাত যোগদানৰ বাবে প্ৰাৰ্থীৰ জাতিৰ পৰিচয় বিচৰা হৈছে। মোদীজী, আপুনি অগ্নিবীৰ তৈয়াৰ কৰিব বিচাৰিছে নে জাতিবীৰ?' আনহাতে, আপৰ সাংসদজনৰ এই প্ৰশ্নৰ উত্তৰ দি ভাৰতীয় সেনাই কয় যে সেনা বাহিনীত যোগদানৰ ক্ষেত্ৰত প্ৰয়োজনত জাতি প্ৰমাণপত্ৰও বিচৰা হয়। সকলো সময়তে সেনাৰ ধৰ্মীয় পৰিচয় বিচৰা হয়। 'অগ্নিপথ আঁচনিৰ বাবে কোনো পৃথক নিয়ম তৈয়াৰ কৰা হোৱা নাই। যদি কৰ্তব্যৰত কোনো সেনা ছহিদ হয়, তেতিয়া তেওঁৰ শেষকৃত্য সেনাই সম্পন্ন কৰে। এই কাৰণতো সেনাৰ ধৰ্মীয় পৰিচয় জনাটো প্ৰয়োজন। তেতিয়াহে ধৰ্মীয় ৰীতি অনুসৰি শেষকৃত্য কৰিব পাৰি।' ভাৰতীয় সেনাই আপৰ সাংসদজনক এইদৰে প্ৰত্যুত্তৰ দিয়ে।

## ১৭.৭ বিলিয়ন ডলাৰৰ সম্পত্তিৰে ভাৰতৰ সবাতোকৈ ধনাঢ্য মহিলাগৰাকী



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** সাবিত্ৰী জিণ্ডালে ২০০৫ত তেওঁৰ স্বামী অ' পি জিণ্ডালৰ আকস্মিক মৃত্যুৰ পাছত অ' পি জিণ্ডাল গ্ৰুপৰ মালিকানা লাভ কৰিছিল। প্ৰায় ১৮ বিলিয়ন ডলাৰৰ সম্পত্তিৰে বৰ্তমানে সাবিত্ৰী হৈছে ভাৰতৰ সবাতোকৈ ধনাঢ্য মহিলা। মুকেশ আম্বানী আৰু গৌতম আদানীক তেওঁলোকৰ বৃহৎ ধন- সম্পত্তিৰ জৰিয়তে সকলোৱে ভালদৰে চিনি পায়। কিন্তু ভাৰতৰ সবাতোকৈ ধনী মহিলা হিচাপে সাবিত্ৰীক খুব কম সংখ্যক লোকেহে চিনি পায়। ফ'ৰ্বছৰ ভাৰতৰ শীৰ্ষ ১০ ধনাঢ্য মহিলাৰ তালিকাত শেহতীয়াভাৱে শীৰ্ষস্থান লাভ কৰিলে সাবিত্ৰীয়ে। ফ'ৰ্বছৰ তথ্য অনুসৰি, সাবিত্ৰীৰ বৰ্তমানৰ সম্পত্তিৰ মূল্য হৈছে ১৭.৭ বিলিয়ন ডলাৰ। বিগত দুবছৰত সাবিত্ৰীৰ সম্পত্তিৰ পৰিমাণ ১২ বিলিয়ন ডলাৰ বৃদ্ধি পালে। উল্লেখ্য যে ২০০৫ত হিছাৰ সমষ্টিৰ পৰা সাবিত্ৰী বিধায়ক নিৰ্বাচিত হৈছিল। ২০১৩ৰ পৰা ২০১৫ বৰ্ষলৈকে তেওঁ হাৰিয়ানা চৰকাৰৰ এগৰাকী মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

## অগ্নিপথৰ বাবে সেনাত স্থায়ী নিয়োগ বন্ধ?

### দিল্লী উচ্চ ন্যায়ালয়ত গৃহীত শুনানিৰ আবেদন




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুলাই ঃ** অগ্নিপথ প্ৰকল্প আৰম্ভ হোৱাৰ পাছত ভাৰতীয় সশস্ত্ৰ বাহিনীত স্থায়ী নিয়োগ অনিশ্চিত হৈ পৰিছে বুলি অভিযোগ। এনে পৰিস্থিতিত শীঘ্ৰে সেনাত স্থায়ী নিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ দাবীত এটা আবেদন জনোৱা হৈছিল দিল্লী উচ্চ ন্যায়ালয়ত। মঙলবাৰে উচ্চ ন্যায়ালয়ৰ প্ৰধান ন্যায়াধীশ সতীশচন্দ্ৰ শৰ্মাৰ বেঞ্চে গোচৰটো শুনানিৰ বাবে গ্ৰহণ কৰিছে। প্ৰসংগত, মঙলবাৰে উচ্চতম ন্যায়ালয়ে অগ্নিপথ সংক্ৰান্ত গোচৰবোৰৰ শুনানিৰ দায়িত্ব দিছে দিল্লী উচ্চ ন্যায়ালয়ক। দিল্লী উচ্চ ন্যায়ালয়ত আবেদনকাৰী ৰাহুলে জনাইছে ২০২০ৰ জুলাইত হাৰিয়ানাৰ সেনা নিয়োগ কেন্দ্ৰৰ এটা বিজ্ঞাপনৰ পৰিপ্ৰেক্ষিতত তেওঁ সৈনিক (জেনেৰেল ডিউটি) পদৰ বাবে আবেদন জনাইছিল। সেই পদৰ উপৰি অন্যান্য প্ৰাৰ্থীসকলে সেনাবাহিনীত প্ৰযুক্তিগত বিভাগ, নাৰ্ছিং সহকাৰী, ভেটেৰিনাৰী, ক্লাৰ্ক, ষ্ট'ৰ কিপাৰসহ বিভিন্ন বিভাগত চাকৰিৰ বাবে আবেদন জনায়। শাৰীৰিক সক্ষমতা আৰু মেডিকেল পৰীক্ষা হৈ গৈছিল। কিন্তু সেই নিয়োগ এতিয়াও হোৱা নাই। বিশেষকৈ, ক'ভিড পৰিস্থিতিৰ বাবে বিগত দুবছৰৰ অধিক সময় ধৰি ভাৰতীয় সেনাৰ তিনি শাখাৰ স্থল, নৌ আৰু বায়ুসেনা নিয়মিত নিয়োগ বন্ধ হৈ আছে। অগ্নিপথ প্ৰকল্পত 'চুক্তিভিত্তিক সেনা' নিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাত সশস্ত্ৰ বাহিনতে স্থায়ী নিয়োগত সম্পূৰ্ণ ইতি পৰিব পাৰে বুলি শংকা কৰা হৈছে। বিষয়টোক লৈ ইতিমধ্যে বিভিন্ন ৰাজ্যৰ উচ্চ ন্যায়ালয়ত গোচৰ দাখিল কৰা হৈছে।

## বৰপেটাত ডাম্পাৰৰ খুন্দাত যুৱকৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৯ জুলাই ঃ** বৰপেটা চহৰত অজি পুৱা এখন ডাম্পাৰৰ খুন্দাত এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তৰ্গত কীৰ্তনপাৰাৰ ছোহৰাব আলীৰ পুত্ৰ ছাহানুৰ আলী (২৪)। যুৱকজনে নিজৰ আত্মীয়ৰ চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ আহিছিল। চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপৰ ৰাজ্যিক বিকল্প ঘাইপথেৰে প্ৰাতঃভ্ৰমণ কৰিবলৈ ওলাই অহাৰ সময়তেই শ্লুইছ গেটৰ সন্মুখথ সংঘটিত হয় এই দুৰ্ঘটনা। যুৱকজনক পিছপিনৰ পৰা খুন্দিয়াই থৈ আঁতৰি যায় এ এছ-১৫ এ চি-৩২০৯ নম্বৰৰ তীব্ৰবেগী ডাম্পাৰখন। ফলত থিতাতে মৃত্যু হয় যুৱকজনৰ। পাছত ডাম্পাৰখন জনিয়াৰ সমীপৰ ছাপৰাত জব্দ কৰে যদিও চালকজন পলাই যাবলৈ সক্ষম হয়।

# দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ সম্পাদকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৯ জুলাই ঃ** বৰপেটা জিলাৰ দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ সম্পাদকৰ বিৰুদ্ধে বিয়াগোম দুৰ্নীতি সংঘটিত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে আমছুৱে। সমবায় সমিতিখনৰ সভাপতি আৰু সম্পাদকে মিলি সংঘটিত কৰিছে এই দুৰ্নীতি। উল্লেখ্য যে ২০২২ৰ জুন আৰু জুলাইত সমিতিৰ নামত আবণ্টিত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ চাউলৰ লগতে এপ্ৰিল, মে' আৰু জুনৰ মধ্যাহ্ন ভোজনৰ চাউল ভাৰতীয় খাদ্য নিগমৰ পৰা উঠাই এজেণ্টৰ মাজত বিতৰণ নকৰি ক'লা বজাৰত বিক্ৰী কৰা বুলি অভিযোগ উত্থাপিত হৈছে। তথ্য মতে, প্ৰায় ১৫ দিন মান আগতে বগুৰীবাৰী সমবায় সমিতিৰ সম্পাদক সেখ আব্দুল্লা ওৱাহিদীয়ে ক'লা বজাৰত বিক্ৰী কৰাৰ বাবে ২৮০ কুইণ্টল চাউল চিকাৰীপাৰা গাঁৱৰ সুলভ মূল্যৰ দোকানী জাহেদুল ইছলামৰ ঘৰত লুকুৱাই ৰাখে। কাছুমাৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই বিশেষ সূত্ৰৰ পমখেদি উক্ত এজেণ্টৰ ঘৰৰ পৰা মজুত কৰি ৰখা চাউলখিনি উদ্ধাৰ কৰি কাছুমাৰা আৰক্ষী থানাত জমা ৰাখে। ঘটনা সন্দৰ্ভত সমবায় সমিতিৰ সভাপতি-সম্পাদকৰ বিৰুদ্ধে কাছুমাৰা আৰক্ষী থানাত ১৯/২০২২ নম্বৰত এটি গোচৰ ৰুজু কৰে যদিও সম্পাদকজনে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰি নিৰ্ভয়ে দম্ভালি মাৰি ফুৰা পৰিলক্ষিত হৈছে। লক্ষ্যণীয়ভাৱে এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই বগুৰীবাৰী সমবায় সমিতিৰ সভাপতি আৰু সম্পাদকৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই. উক্ত দুৰ্নীতি সন্দৰ্ভত আজি দুপৰীয়া বৰপেটা প্ৰেছ ক্লাবত দক্ষিণ বৰপেটা আমছুৱে এক সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলৰ জৰিয়তে আমছু সদস্যসকলে সমবায় সমিতিৰ বিভিন্ন দুৰ্নীতিৰ ওপৰত বিভাগীয়ভাৱে ব্যৱস্থা ল'বলৈ দাবী উত্থাপন কৰে। সংবাদমেলত দক্ষিণ বৰপেটা আমছুৰ সভাপতি ৰুহুল আমিন, সাধাৰণ সম্পাদক ৰফিকুল ইছলাম আৰু মিৰাজুল হুছেইন উপস্থিত থাকে।

# ৰাজধানী সম্প্ৰসাৰণক লৈ চলি থকা প্ৰতিবাদৰ মাজতেই স্থিতি স্পষ্ট কৰিলে স্বায়ত্ত পৰিষদে

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১৯ জুলাই ঃ** ৰাজধানী সম্প্ৰসাৰণক লৈ মৰিগাঁও জিলাত তিৱা জাতীয় সংগঠন সমূহৰ লগতে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে আজি এক বিবৃতিযোগে তিৱা স্বায়ত্ত পৰিষদে নিজৰ স্থিতি স্পষ্ট কৰে। অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ উন্নয়ন প্ৰাধিকৰণ ২০১৭ আইনৰ ভিত্তিক তিৱা স্বায়ত্ত পৰিষদৰ অঞ্চলাধীন জাগীৰোডলৈকে ৰাজধানী সম্প্ৰসাৰণ বিষয়টোত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ স্বাক্ষৰিত এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে নিজা দৃষ্টিভংগী প্ৰকাশ কৰি কয় যে তিৱা জনগোষ্ঠীৰ আশা আকাংক্ষাৰ কেন্দ্ৰবিন্দু তিৱা স্বায়ত্তশাসিত পৰিষদ। এই পৰিষদখন শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ভূমি অধিকাৰৰ জৰিয়তে তিৱাসকলৰ উন্নয়ন নিশ্চিত কৰাৰ অৰ্থে গঠন কৰা হৈছিল। কিন্তু পৰিষদৰ কাৰ্যক্ষমতা সীমিত হোৱা হেতুকে পৰিষদ অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ উন্নয়ন আৰু বিকাশৰ কাৰণে ভাৰতীয় সংবিধানৰ অধীনত ষষ্ঠ অনুসূচি স্বায়ত্তশাসনৰ দাবী উত্থাপন হৈ আহিছে। এই সাংবিধানিক দাবীৰ প্ৰতি আমাৰ সমৰ্থন আছে। উল্লেখ্য যে স্বায়ত্তশাসিত পৰিষদৰ অঞ্চল নিৰ্দ্ধাৰণ কৰোতে ১৯৯৫ত বিশেষ ভিত্তি অঞ্চল হিচাপে জনজাতি খণ্ড আৰু আবেষ্টনী, জনজাতি উপ-আঁচনি, তিৱাসকলৰ ঐতিহাসিক ভূখণ্ড আৰু জনজাতি অধ্যুষিত অঞ্চল সামৰি লোৱা হৈছিল। আনহাতে, পৰিষদৰ আইন মতে, ভূমি অধিকাৰ প্ৰদান কৰা হৈছিল যদিও ইয়াৰ কাৰ্যকৰী ক্ষমতা এতিয়ালৈকে পৰিষদক প্ৰদান কৰা হোৱা নাই। এনে পৰিস্থিতিত ৰাজধানী সম্প্ৰসাৰণ হ'লে আমাৰ শংকা হৈছে, এই আইন প্ৰণয়ন হ'লে পৰিষদৰ অস্তিত্বৰ প্ৰতি সংকট আহিব পাৰে আৰু ট্ৰাইবেল বেল্ট ব্লক ভংগ হ'ব পাৰে। ফলত খিলঞ্জীয়া জনজাতিসকলে ভূমি অধিকাৰ হেৰুৱাব। এই শংকা দূৰ কৰাৰ বাবে অসম চৰকাৰে জনজাতি খণ্ড আৰু আবেষ্টনী লগতে তিৱা স্বায়ত্তশাসিত পৰিষদ যাতে কোনো অসুবিধাৰ সন্মুখীন নহয় এই বিষয়ে যুক্তি পূৰ্ণভাৱে বিবেচনা কৰিবলৈ আহ্বান জনায়। বিজ্ঞপ্তিত মুখ্য কাৰ্যবাহী সদস্য কোঁৱৰে কয় উন্নয়ন হ'ব লাগে, ৰাজধানী সম্প্ৰসাৰণ হ'ব লাগে কিন্তু জনজাতিসকলৰ সকলো অধিকাৰ সুৰক্ষিত হ'ব লাগিব আৰু পৰিষদক ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্ত কৰিব লাগিব বুলি স্পষ্ট কৰি দিয়ে।

## বামুন্দীত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুলাই ঃ** হাজো লোক নিৰ্মাণ বিভাগৰ, বামুন্দীৰ অতিথিশালাত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল কলিতাই সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে। পাছত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি অসমৰ জাতীয় বীৰ ছহিদসকলক স্মৰণ কৰে। সভাত অঞ্চলটোৰ কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যাৰ সন্দৰ্ভত আলোচনা কৰা হয়। বিশেষকৈ অঞ্চলটোত ভয়াৱহভাৱে বৃদ্ধি পোৱা নিচাযুক্ত দ্ৰব্যৰ লগতে ড্ৰাগছ সেৱন কৰাৰ ফলত অঞ্চলটোৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংসৰ গৰাহলৈ যোৱা পৰিলক্ষিত হৈছে। আৰু এই ক্ষেত্ৰত প্ৰশাসন তথা আবকাৰী বিভাগো মৌনতা অৱলম্বন কৰি অঞ্চলটোত কাঠফুলাৰ দৰে অবৈধভাৱে গঢ় লৈ উঠা মদ বেপাৰীসকলক আবকাৰী বিভাগে হঠাতেই অঞ্চলটোত উপস্থিত হৈ, অবৈধ মদ বেপাৰী কিছুমানক কৰায়ত্ত কৰে যদিও পাছত টকাৰে সকলো মেনেজ হৈ পুনৰ ব্যৱসায় আৰম্ভ কৰিব দিয়ে বুলি অভিযোগ উত্থাপন কৰিছে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ একাংশ সদস্যই। উক্ত সভাতে কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা উপস্থিত হৈ অঞ্চলটোৰ কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা আৰু পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাংগঠনিক দিশত বক্তব্য ৰখাৰ লগতে, হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অঞ্চলটোৰ চৰকাৰী বিদ্যালয়সমূহৰ ফলাফল সুখদায়ক নহয় বুলি উল্লেখ কৰি অনাগত দিনত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই অঞ্চলটোৰ চৰকাৰী স্কুলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পৰাকৈ পদক্ষেপ গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰে। উক্ত সভাতে অঞ্চলটোৰ কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধান কৰাৰ কাৰণে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱাৰ লগতে অঞ্চলটোৰ একমাত্ৰ চিকিৎসাৰ ভৰসা, হালোগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোক ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ লগতে, হাজোৰ বিভিন্ন অঞ্চলৰ স'তে পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত গাঁওসমূহত বানপানীয়ে ক্ষতিগ্ৰস্ত কৰা লোকসকলক ক্ষতিপূৰণ দিয়াৰ কাৰণে অসম চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## দুমাহে সন্ধান নাই বিবাহিত যুৱকৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৯ জুলাই ঃ** বৰপেটা চহৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ নিলগৰ জনীয়াৰ এজন বিবাহিত যুৱক বিগত দুমাহ ধৰি সন্ধানহীন হৈ আছে। আজি পৰ্যন্ত সন্ধান ওলোৱা নাই প্ৰাণজিৎ ৰাজবংশী (৩২) নামৰ যুৱকজনৰ। পৰিয়ালৰ লোকে বহু খা-খবৰ কৰিও নিৰুদ্দিষ্ট যুৱকজনৰ শুং-সূত্ৰ উলিয়াব পৰা নাই। তথ্য মতে, যোৱা ১৫ মে'ৰ পৰা সন্ধানহীন হৈ পৰে যুৱকজন। উল্লেখ্য যে দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া প্ৰাণজিৎ অইন দিনৰ দৰে সিদিনাও কামৰ সন্ধানত ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু ঘৰৰ পৰা ওলাই অহা যুৱকজন পুনৰ ঘৰলৈ উভতি নগ'ল। সিদিনাৰ পৰা অজ্ঞাত কাৰণত নিখোঁজ হৈ পৰে যুৱকজন। বিগত দুমাহে শিৰত সেন্দূৰ আৰু কাষত দুই কণমানিক লৈ স্বামীলৈ বাট চাইছে পত্নী সুমিত্ৰা দাসে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰা হৈছে যদিও আৰক্ষীয়ে প্ৰাণজিতৰ সন্ধান উলিওৱাত ব্যৰ্থ হৈছে। অৱশেষত স্বামীৰ সন্ধান পোৱাৰ আশাৰে সহায় বিচাৰি সংবাদ মাধ্যমৰ কাষ চাপে পত্নীয়ে। স্বামীক বিচাৰি উলিয়াবলৈ সংবাদ মাধ্যমৰ জৰিয়তে ৰাইজক কাতৰ আহ্বান জনায় পত্নী সুমিত্ৰা দাসে। কোনো লোকে স্বামীৰ সন্ধান পালে নিকটৱৰ্তী থানা অথবা ৮৮২২৩৩৯২৬৮ নম্বৰত যোগাযোগ কৰিবলৈ পত্নী সুমিত্ৰাই অনুৰোধ জনাইছে।

## হাজোত মাছ মাৰিবলৈ গৈ এজনৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুলাই ঃ** কামৰূপ জিলাৰ হাজোত নদীত মাছ মাৰিবলৈ গৈ এজন লোকৰ সলিল সমাধি হোৱা এক ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। সলিল সমাধি হোৱা লোকজন হৈছে ৰামদিয়া আৰক্ষী চকীৰ অন্তৰ্গত দুই নম্বৰ ভেলকৰৰ ইউচুফ আলী (৬০)। তথ্য মতে, দুই নম্বৰ ভেলকৰ নিবাসী ইউচুফ আলীয়ে অন্য এজন ব্যক্তিৰ স'তে ক'লাজল নৈত মাছ মাৰিবলৈ গৈছিল। মাছ মৰাৰ অন্তত আবেলি প্ৰায় তিনি বজাত বৰহাৰদিয়া-হিৰাপাৰাৰ মাজেৰে ক'লাজল নদী সাতুৰি পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়তে পানীৰ সোঁতত উটি যায় নিখোঁজ হৈ পৰে ইউচুফ আলী। তেওঁৰ লগত থকা ব্যক্তিজনে এই ঘটনা প্ৰত্যক্ষ কৰি হুৱাদুৱা লগোৱাত একাংশ লোক ঘটনাস্থলীত উপস্থিত হৈ নৈৰ বুকুত জাল মাৰি তেওঁক উদ্ধাৰ কৰিবলৈ চেষ্টা চলাই যদিও উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। ঘটনাস্থলীত উপস্থিত হোৱা ৰামদিয়া আৰক্ষীয়ে এছডিআৰএফৰ সহযোগত সন্ধিয়া ছয় বজাৰ পৰা উদ্ধাৰ অভিযান চলাই যদিও বাতৰি যুগত কৰা সময়লৈকে লোকজনক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।

## চিকিৎসালয়ৰ মৰ্গত তিনি দিনে পৰি আছে অচিনাক্ত যুৱকৰ মৃতদেহ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** নগাঁও চহৰৰ লাওখোৱা ৰোডৰ ৰূপহী বাছ আস্থানৰ সমীপৰ পৰা ১৭ জুলাইৰ পুৱা স্থানীয় হয়বৰগাঁও আৰক্ষীয়ে এজন অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ কৰে। ৩০-৩৫ বছৰীয়া যুৱকজন পথৰ দাঁতিত থকা ড্ৰেইনত পৰি থকা দেখি স্থানীয় লোকে হয়বৰগাঁও আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসাৰ মৰ্গত ৰাখে। কি পৰিস্থিতিত যুৱকজনৰ মৃত্যু হ'ল, সেয়া জানিব পৰা হোৱা নাই। মৃত লোকজনৰ কোনো পৰিচয় নোলোৱাত পৰিছে আৰক্ষীৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষ। যাৰ বাবে আজি পৰ্যন্ত মৃতদেহটো মৰ্গত পৰি আছে।

## গৱেষণা সঁজুলি সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত যোৱা ১৭ জুলাইত গৱেষণা সঁজুলি সম্পৰ্কীয় এখনি এদিনীয়া কৰ্মশালা সম্পন্ন হয়। অনুষ্ঠান উদ্বোধন কৰে বিভাগটোৰ মুৰব্বী ড° ত্ৰিবেণী শইকীয়াই। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপিকা ড° মানসী গগৈয়ে গৱেষণা কৰ্মৰ বাবে গ্ৰহণ কৰিবলগা বিভিন্ন সঁজুলি যেনে লিকাৰ্টছ স্কেল, ইন্টাৰভিও, কুৱেশ্বনিয়াৰ আদিৰ বিষয়ে এক মননশীল বক্তব্য দাঙি ধৰে। প্ৰায় ৭০ গৰাকী শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানত বিভাগটোৰ কেউজন অধ্যাপক, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। বিভাগৰ অধ্যাপিকা পূৰৱী কলিতাই আঁতধৰা এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই বিভাগৰ অধ্যাপক গৌৰৱ প্ৰতীম হাজৰিকাই।

## বামুন্দীত হোমিঅ' ফাৰ্মাচিষ্টৰ মৃত্যুত শোকৰ ছাঁ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুলাই ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ তথা পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত বামুন্দীত দীৰ্ঘদিন ধৰি হোমিঅ' ঔষধৰ জৰিয়তেই বৃহত্তৰ অঞ্চলৰ ৰাইজক চিকিৎসা প্ৰদান কৰি সেৱা আগবঢ়াই অহা ৰামেশ্বৰ কলিতা (৭২) দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল যদিও আজি দুপৰীয়া জি এম চি এইছত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কলিতাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ লগতে তেওঁৰ মৃত্যুত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, এমট্ৰনৰ উপ-প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থ, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থা, বামুন্দী ৰাইজ গয়ৰহ, বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল, বামুন্দী ক্ৰীড়া সন্থাৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে।

## কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ মহিলা মঞ্চৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ জুলাই ঃ** কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ মহিলা মঞ্চৰ দুদিনীয়াকৈ অনুষ্ঠিত দ্বি-বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰে। কলিয়াবৰৰ নাগশংকৰস্থিত মাধৱ মজলীয়া বিদ্যালয়ত আয়োজিত অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচীত মহিলাসকলৰ মাজত দুৰ্গা গোসাঁনীৰ নাম, বিয়ানাম, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে বিষয়াবাছনী সভাখনো অনুষ্ঠিত হয়। দ্বিতীয় দিনা পতাকা উত্তোলনৰে কাৰ্যসূচীৰ আৰম্ভ কৰে কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ মহিলা মঞ্চৰ সভানেত্ৰী ৰীণা ভট্টাচাৰ্যই। উপ-সভানেত্ৰী অনু দেৱীয়ে স্মৃতি তৰ্পণ আৰু ৰম্ভ দেৱীয়ে বন্তি প্ৰজ্বলনৰ পাছতে অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি ৰেৱকান্ত শৰ্মাই। ৰীণা ভট্টাচাৰ্যই সভাপতিত্ব কৰা সভাত অসম ব্ৰাহ্মণ মহিলা সমাজৰ উপ-সভানেত্ৰী লাৱণ্য ভট্টাচাৰ্য নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকাৰ লগতে নগাঁও জিলা ব্ৰাহ্মণ মহিলা মঞ্চৰ সভানেত্ৰী সুৱৰ্ণ গোস্বামী আৰু বিশিষ্ট গল্পকাৰ ধ্ৰুৱজ্যোতি শৰ্মা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। এই সভাতে কলিয়াবৰৰ ছয়গৰাকী অশীতিপৰ সদস্যা ক্ৰমে বীণা দেৱী, তুলু দেৱী, লক্ষীমাই বৰঠাকুৰ, দীপ্তি বৰদলৈ, বীণা দেৱী আৰু চম্পা দেৱীক সম্বৰ্ধনা জনাই মহিলা মঞ্চই। দুই শতাধিক মহিলাই অংশগ্ৰহণ কৰা অনুষ্ঠানৰ আঁত ধৰে সম্পাদিকা তুলু দেৱীয়ে। অধিবেশনতে গায়ত্ৰী দেৱীক সভানেত্ৰী আৰু মঞ্জুলা শৰ্মা বৰুৱাক সম্পাদিকাৰ লগতে মঞ্জু ভট্টাচাৰ্যক কাৰ্যকৰী সভানেত্ৰী, বুলু দেৱী মিশ্ৰক উপ-সভানেত্ৰী, অঞ্জলী দেৱী আৰু কিৰণময়ী ভাগৱতীক সহকাৰী সম্পাদিকা হিচাপে লৈ এখন নতুন সমিতিও গঠন কৰা হয়।

## বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু যুৱকৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৯ জুলাই ঃ** আজি হোজাইৰ দক্ষিণ কোনোৱাকটাত বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজনক গাঁওখনৰ নেপালী বুলি চিনাক্ত কৰা হয়। প্ৰায় ২৫ বছৰীয়া এটা সন্তানৰ পিতৃজনে খেতিত পানী দি থকা সময়ত বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাৱে আহত হয়। স্থানীয় লোকে যুৱকজনক ততাতৈয়াকৈ হোজাই এফআৰইউলৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৰণোত্তৰ পৰীক্ষাৰ ইচ্ছা প্ৰকাশ নকৰাত পাছত শেষকৃত্য সম্পন্ন কৰা হয়।

# ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ বিদ্যালয় পৰিচালনা-উন্নয়ন সমিতিৰ চিন্তন বৈঠক

## শৈক্ষিক দিশৰ উন্নয়নত অধিক গুৰুত্ব



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৯ জুলাই ঃ** ঘগ্ৰাপাৰৰ অগ্ৰণী শিক্ষানুষ্ঠান ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ নৱনিযুক্তি সভাপতি দ্বিজেন ডেকাৰ পৌৰোহিত্যত এখন চিন্তন বৈঠক অনুষ্ঠিত হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সচিব তথা প্ৰধান শিক্ষক মনহৰি কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা পৰিচালনা সমিতিৰ উপ-সভাপতি দীনেশ শৰ্মা, জ্যেষ্ঠ শিক্ষক তথা পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অমূল্য কলিতা, দিবাকৰ শৰ্মা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলাৰ মনেশ্বৰ ভৰালী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ কম্পিউটাৰ সদস্য খঞ্জন তালুকদাৰৰ লগতে অভিভাৱক সদস্য-সদস্যা উপস্থিত থাকি শৈক্ষিক উত্তৰণৰ বাবে দিহা-পৰামৰ্শ আগবঢ়ায়। আগন্তুক দিনত বিদ্যালয়খনৰ ছাত্ৰীৰ সুভৱিষ্যতৰ বাবে কেতবোৰ নতুন পদক্ষেপ লোপা চিন্তা-চৰ্চা কৰাৰ উপৰি শৈক্ষিক দিশ অধিক উন্নয়নত গুৰুত্ব দিয়া হ'ব বুলি বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ডেকাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ আগ্ৰহত নলবাৰী নাট্য মন্দিৰত অলপতে হৈ যোৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সদস্য-সচিবৰ বৈঠকত দিয়া নিৰ্দেশাৱলী এই চিন্তন বৈঠকত বিশেষভাৱে আলোচিত হয়। বিদ্যালয়খনৰ জ্যেষ্ঠা শিক্ষক অমূল্য কলিতাই শিক্ষানুষ্ঠানখনৰ শৈক্ষিক দিশৰ কেতবোৰ অসুবিধাৰ কথা উল্লেখ কৰি আগন্তুক দিনত পৰ্যায় ক্ৰমে অভিভাৱক বৈঠক দিয়াৰ পোষকতা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি দীনেশ শৰ্মা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলৰ মনেশ্বৰ ভৰালীয়ে প্ৰাসংগিক বক্তব্য উপস্থাপন কৰে।

## নলবাৰীত ছাত্ৰ সন্থা, উন্নতি সভা, অসম সেনাৰ যৌথ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৯ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ভ্ৰাতৃ সংগঠন অসম উন্নতি সভা আৰু অসম সেনাৰ নলবাৰী জিলা সমিতি আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ মাজত আজি নলবাৰী শংকৰদেৱ একাডেমীৰ ডিজিটেল প্ৰেক্ষাগৃহত এখন যৌথ সভা অনুষ্ঠিত হয়। জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক অক্ষয় ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য ৰিয়াজ উদ্দিন আহমেদ, অসম উন্নতি সভাৰ কেন্দ্ৰীয় সদস্য সুকুমাৰ শৰ্মা, প্ৰণৱ বৰ্মন, নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ, সম্পাদক ৰাতুল চন্দ্ৰ ডেকা, অসম সেনাৰ জিলা আহ্বায়ক ক্ৰমে কন্দৰ্প শৰ্মা, বিৰাজ গোস্বামীয়ে ৰাজ্যখনত দেখা দিয়া আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক সমস্যাৰাজিৰ ওপৰত আলোকপাত কৰে। ছহিদসকলৰ আত্মাৰ সদগতি কামনা কৰি মৌন প্ৰাৰ্থনাৰে আৰম্ভ কৰা উক্ত যৌথ সভাতেই নলবাৰী জিলা উন্নতি সভা আৰু অসম সেনাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহকক দায়িত্ব অৰ্পণ কৰাৰ লগতে শপতবাক্য পাঠ কৰোৱা হয়। সভাত আগন্তুক দিনত জিলাখনৰ আৰ্থ-সামাজিক, শৈক্ষিক সমস্যাৰাজিৰ প্ৰতিটো দিশকে সামৰি কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে ছাত্ৰ সন্থা, উন্নতি সভা আৰু অসম সেনাৰ ভৱিষ্যৎ কৰ্মসূচী সম্পৰ্কে এক ৰূপৰেখা অংকন কৰা হয়। উল্লেখ্য যে যৌথ সভাখনত নলবাৰী জিলাখনৰ ভিন্ন প্ৰান্তৰ প্ৰায় চাৰি শতাধিক প্ৰাক্তন আছু নেতা, শিক্ষাবিদ আৰু শুভাকাংক্ষী উপস্থিত থাকে।

# আৰোহণ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৯ জুলাই ঃ** ২০১০ত প্ৰতিষ্ঠা হোৱা কাকজানৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ অগ্ৰণী শিক্ষানুষ্ঠান আৰোহণ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত যোৱা ১৬ জুলাইত দিনজোৰা কাৰ্যসূচীৰে ২০২২ নৱাগত আদৰণি সভা আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হয়। আৰোহণ একাডেমীৰ অধ্যক্ষ জিতেন প্ৰসাদ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তথা বিশিষ্ট স্তম্ভ লেখক, নিবন্ধকাৰ, ৰাজনৈতিক বিশ্লেষক ড° পংকজ গোস্বামী আৰু ঢেকীয়াখোৱা চাওখাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিত্যৰঞ্জন বৰাই। সভাৰ বিশেষ নিমন্ত্ৰিত অতিথিৰ আসন শুৱনি কৰে একাডেমীৰ প্ৰাক্তন অধ্যক্ষা বিশিষ্ট লেখিকা ৰুণিমা বৰুৱাই। আৰোহণ শৈক্ষিক সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত সচিব, প্ৰাক্তন উপায়ুক্ত অজিত কুমাৰ বৰদলৈয়ে সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰা সভাত একাডেমীৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ লগতে নপুৰণি ছাত্ৰ-ছাত্ৰী আৰু বহুসংখ্যক গুণমুগ্ধই অংশগ্ৰহণ কৰে। একাডেমীৰ অধ্যাপিকা জ্যোতিৰেখা গোস্বামীয়ে আঁত ধৰা সভাখনত পোনতে একাডেমীৰ অধ্যক্ষ জিতেন প্ৰসাদ বৰাই আদৰণি ভাষণ প্ৰদান কৰি চলিত বৰ্ষত নৱম আৰু একাদশ শ্ৰেণীত নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক একাডেমীলৈ আদৰণি জনায়। সভাত বিশিষ্ট অতিথিদ্বয়ে ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতা, নিষ্ঠা আৰু সততাৰে অধ্যয়নমুখী হৈ ভৱিষ্যতে একো একোজন সুনাগৰিক হোৱাৰ লগতে দেশ আৰু সমাজৰ হকে কাম কৰিবলৈ আহ্বান জনায়। আৰোহণ শৈক্ষিক সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ভাস্কৰজ্যোতি ভূঞাই তেওঁৰ প্ৰয়াত পিতৃ তৰুণ চন্দ্ৰ ভূঞাৰ স্মৃতিত প্ৰদান কৰা বঁটাটো এই বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত একাডেমীৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী অনন্যা বৰদলৈক আৰু উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ অলকেশ বপনস খাউণ্ডক ২০২২ৰ আৰোহণ একাডেমী বঁটা প্ৰদান কৰা হয়। আৰোহণ একাডেমীৰ পৰা ২০২২ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচনসহ উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলকো উক্ত সভাতেই সম্বৰ্ধনা জনোৱা হয়। আদৰণি সভাৰ লগতে সংগতি ৰাখি একাডেমীৰ শিক্ষক মৃগাংক দত্তৰ পৰিচালনাত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বৰগীত, সমবেত সংগীত, জিকিৰ, ভাৰত নাট্যম, আধুনিক গীত, সৃষ্টিশীল নৃত্য, সমৰকলা প্ৰদৰ্শন আদি কাৰ্যসূচীও প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক কাৰ্যসূচীক উপস্থিত গুণমুগ্ধ সকলোৱে শলাগ লয়।

## ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষয়িত্ৰী দীপা দেৱী ডেকাৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৯ জুলাই ঃ** কামৰূপৰ বেজেৰাৰ নিকটৱৰ্তী শালমাৰা গাঁৱৰ মুক্তিযুঁজাৰু শান্তি ৰাম ডেকাৰ বোৱাৰী দীপা দেৱী ডেকা (৫৯)ৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰহী মহিলাগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰ পাই শালমাৰা অঞ্চলৰ লগতে ওপজা গাঁও দৰঙৰ হালধাতো শোকৰ ছাঁ পৰে। ছিপাঝাৰ জনতা মহাবিদ্যালয়ত (পূৰ্বৰ) অসমীয়া বিষয়ৰ প্ৰবক্তা হিচাপে কৰ্মৰত শিক্ষয়িত্ৰীগৰাকী বহুদিন ধৰি ৰক্ত আৰু লিভাৰ জনিত ৰোগত ভুগি আছিল। শেহতীয়াকৈ শৌচ-বমি হৈ দুৰ্বল হৈ পৰাত শিক্ষয়িত্ৰীগৰাকীক ততাতৈয়াকৈ জিএমচি হাস্পতালত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসকে সুস্থ কৰি তুলিব নোৱাৰিলে। প্ৰবক্তাগৰাকী হালধা হাইস্কুলৰ প্ৰাক্তন শিক্ষয়িত্ৰী, হালধা আঞ্চলিক মহিলা সমিতিৰ প্ৰাক্তন সম্পাদিকাৰ উপৰি নৱদীপ সাহিত্য সভা, বৰনদী প্ৰগতি সংঘ, স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত শিক্ষক স্বামী টংকেশ্বৰ ডেকা, দুগৰাকী অবিবাহিতা জীয়ৰী, এগৰাকী সদ্য বিবাহিতা জী-জোঁৱাই আৰু বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। প্ৰবক্তাগৰাকীৰ অকাল মৃত্যুত ছিপাঝাৰ জনতা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ হৰেন ডেকা প্ৰমুখ্যে সহকৰ্মীসকলে বাসভৱনলৈ আহি মৃতকৰ শেষকৃত্যত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## কলিয়াবৰত আধ্যাত্মিক জ্যোতিষ চৰ্চা পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ জুলাই ঃ** আধ্যাত্মিক জ্যোতিষ চৰ্চা পৰিষদ, কলিয়াবৰৰ প্ৰতিষ্ঠা দিৱস কলিয়াবৰত পালন কৰে অনুষ্ঠানটোৱে। নাগশংকৰস্থিত মাধৱ মজলীয়া বিদ্যালয়ত গুৰু পূৰ্ণিমা উদ্‌যাপনৰ লগতে পৰিষদৰ প্ৰতিষ্ঠা দিৱসৰ পুৱা সভাপতি নবীন বৰাৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ আৰম্ভ হয়। উপদেষ্টা লক্ষ্মীনাৰায়ণ গোস্বামীৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি অৰ্পণ অনুষ্ঠানৰ পাছতে বিষ্ণু পূজা আৰু গুৰুপূজা সমাপন কৰে ৰাজেন শৰ্মাই। মুকলি সভা উদ্বোধন কৰে বুৰঞ্জী গৱেষক বিপুল ভট্টাচাৰ্যই। নবীন বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে নবীন বৰঠাকুৰে ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি কলিয়াবৰ আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সভাপতি ৰেৱকান্ত শৰ্মাই। সভাতে শিক্ষাবিদ প্ৰভাত চন্দ্ৰ গোস্বামীক সম্বৰ্ধনা জনায় আয়োজক অনুষ্ঠানটোৱে।

# আজি উন্মোচন হ'ব মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ এগৰাকী অন্যতম কাণ্ডাৰী মিছনেৰী পণ্ডিত মাইলছ ব্ৰনছনৰ এটি প্ৰতিমূৰ্তি কাইলৈ নগাঁৱত উন্মোচন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তীৰ শুভক্ষণত জিলা সাহিত্য সভাৰ উদ্যোগত সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ উন্নয়ন পুঁজিৰে শিল্পী লক্ষ্যজিৎ বৰাই নগাঁও বেপ্তিষ্ট মিছনেৰী গিৰ্জাৰ প্ৰাংগণত নিৰ্মাণ কৰি উলিওৱা এই প্ৰতিমূৰ্তি উন্মোচনৰ লগতে এখন উদ্যানো মুকলি কৰাৰ উপলক্ষে কাইলৈ উক্ত স্থানতে দিনৰ ১০-৩০ বজাত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হ'ব। আজি নগাঁৱত এক সংবাদমেলযোগে এই কথা সদৰী কৰি নগাঁৱৰ সাংসদ বৰদলৈয়ে কয় যে ব্ৰিটিছ শাসন কালত নগাঁৱতেই অসমৰ প্ৰথম জিলা প্ৰশাসন স্থাপন হৈছিল। ১৮৩৬ৰ পৰা কিছু বছৰলৈ অসমীয়া ভাষাৰ সলনি প্ৰশাসনীয় কাম-কাজত বঙালী ভাষা প্ৰচলন হৈছিল। প্ৰশাসনীয় কাম-কাজত অসমীয়া ভাষা প্ৰতিষ্ঠা কৰিবৰ বাবে বহুকেইজন অসমীয়া লোকৰ লগতে আমেৰিকান মিছনেৰী মাইলছ ব্ৰনছনে চেষ্টা

## নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সংবাদমেল

কৰিছিল। ১৮৪১ৰ পৰা নগাঁৱত থাকিবলৈ লোৱা মাইলছ ব্ৰনছনে অসমীয়া অভিধান প্ৰকাশ কৰিছিল। এই অভিধানখনত ১৪ হেজাৰ শব্দ আছে। তেওঁ লগতে আৰু কয় যে এইজন মহান ব্যক্তিয়ে কেতিয়াবাই স্বীকৃতি পাব লাগিছিল। এতিয়া নগাঁও জিলা সাহিত্য সভাৰ সহযোগত নগাঁও সাংসদ পুঁজিৰে মাইলছ ব্ৰনছনৰ এটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰি উলিওৱা হৈছে। কাইলৈ এই প্ৰতিমূৰ্তি ৰাইজৰ বাবে মুকলি কৰা হ'ব। এই উপলক্ষে হ'ব লগা অনুষ্ঠানত সাংসদ বৰদলৈয়ে সকলোৰে সহযোগিতা কামনা কৰিছে। এই উপলক্ষে হ'ব লগা মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ লগতে মুখ্য বক্তাৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰবক্তা প্ৰশান্ত দাস উপস্থিত থাকিব। একেটা অনুষ্ঠানতে বিশিষ্ট লেখক পৰাণ কুমাৰ বৰুৱাৰ 'মাইলছ ব্ৰনছন আৰু অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা সংগ্ৰাম', ড° থুনু কলিতাৰ আইতাৰ জোনাকী চোতাল আৰু তৰা জিলমিল', ড° দিনেশ হাজৰিকাৰ কৃষি ব্যৱস্থাপনা খাদ্য আৰু অন্যান্য' স্বপ্না কলিতাৰ 'দ্বাদশ জ্যোতি লিংগ আৰু সপ্তপুৰী' আৰু স্মৃতা কলিতাৰ 'ওপজা গাঁৱৰে চিনাকি ছবি' গ্ৰন্থকেইখন উন্মোচন হ'ব। সংবাদমেলত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, সম্পাদক ৰেৱত হাজৰিকাই অংশগ্ৰহণ কৰে।

## গুপ্তকাশী বিশ্বনাথ ঘাটৰ শিৱ মন্দিৰত ভক্তৰ ভিৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ জুলাই ঃ** হিন্দু ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰ মাহ হিচাপে পালন কৰে শাওণৰ মাহটো। বিশ্বাস দেৱাদীৱ মহাদেৱে পৃথিৱীত জাগ্ৰতভাৱে থাকি আশীৰ্বাদ কৰে ভক্তসকলক। তাৰে বিশ্বাসৰে ভক্তসকলে নদ-নদীসমূহৰ পৰা পানী নি মহাদেৱৰ শিৱ লিংগত জলাভিষেক কৰে। ঐতিহ্যমণ্ডিত গুপ্তকাশী বিশ্বনাথ ঘাটতো ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্তসকল আহি ভিৰ কৰে। কালিও পুৱাৰ ভাগত গুপ্তকাশী বিশ্বনাথ ঘাটৰ মঠ-মন্দিৰত অজস্ৰ ভক্তৰ সমাগম হয়। সমান্তৰালকৈ নিশাৰ ভাগতো ভক্তসকলে সেৱাৰ বাবে গাঁওৰক্ষী বাহিনীৰ মহিলাসকলে উৰে নিশা ভক্তসকলক সেৱা আগবঢ়ায়। লগতে কোনো ধৰণৰ যাতে অপ্ৰীতিকৰ ঘটনা সৃষ্টি নহয় তাৰ বাবে প্ৰতিটো সময়তে ওৰে নিশা সাজু হৈ থাকে গাঁওৰক্ষী বাহিনী-নদী আৰক্ষীৰ লগতে প্ৰতিগৰাকী ওচৰ-চুবুৰীয়া।

# মেৰাপানীৰ তৰানিত গৰু চুৰিৰ চেষ্টা ব্যৰ্থ



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৯ জুলাই ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ তৰানি গাঁৱৰ পৰা যোৱা নিশা চোৰে গৰু চুৰি কৰি আদবাটত এৰি থৈ যোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, এক নম্বৰ তৰানি গাঁৱৰ নিবাসী ৰমেন বৰা আৰু দুই নম্বৰ তৰানিৰ ৰত্নেশ্বৰ বৰাৰ ঘৰৰ গোহালিৰ পৰা দুটা বলধ আৰু দুজনি গাই চুৰি কৰি আনি তৰানি মূলপথৰ কাষত বিদ্যুতৰ খুঁটাত বান্ধি থৈ গাড়ীত উঠাবলৈ লোৱাৰ সময়তে গাঁৱৰ দুজন যুৱক প্ৰাতঃভ্ৰমণ কৰিবলৈ গৈ চোৰৰ সন্মুখত উপস্থিত হয়। যুৱক দুজনক দেখি লগে লগে চোৰে গৰুকেইটা সেই স্থানতে এৰি থৈ গাড়ী লৈ পলায়ন কৰে। পিছে পিছে যুৱক দুজনে চোৰকেইজনক খেদি যায় যদিও তেওঁলোক পলাই সাৰিবলৈ সক্ষম হয়। পাছত গাঁৱৰ ৰাইজ ওলাই আহি বিদ্যুতৰ খুঁটাত বান্ধি থোৱা গৰুকেইটা গৃহস্থক গতাই দিয়ে।

# আজিও আশ্ৰয় শিবিৰতে আছে বহুতো বন্যাৰ্ত

## ■ গৃহহীন পৰিয়ালৰ চকুত চকুপানী

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৯ জুলাই ঃ** আজিও আশ্ৰয় শিবিৰতে আছে বহুতো বন্যাৰ্ত। ভগ্ন মথাউৰিৰ এটা অংশত অস্থায়ীভাৱে তম্বু টানি শিবিৰ বনাই তাতে দিন নিয়াইছে কে'বাটাও পৰিয়ালে। উল্লেখ্য যে যোৱা ১৬ জুনত বৰলীয়া নৈৰ মথাউৰি দুঠাইত ছিঙি ৰঙিয়া মহকুমাৰ দক্ষিণ দিশৰ আৰু হাজো সমষ্টিৰ উত্তৰাঞ্চলত প্ৰায়বোৰ গাঁৱে জলমগ্ন কৰিছিল। বহুতৰে ঘৰ-দুৱাৰ উটুৱাই নি গৃহহীন কৰিছিল বৰলীয়াৰ বলীয়া বানে। ঘৰ-বাৰীবিহীন বহুতো পৰিয়ালে অস্থায়ী শিবিৰ পাতি আশ্ৰয় লৈছিল। বহুতে অইনৰ গৃহত আশ্ৰয় লৈ পাৰ কৰিছিল বিভীষিকাময় দিনকেইটা। উল্লেখ কৰিবলগীয়া যে সেইদিনা বৰলীয়া নৈৰ মথাউৰি চমুখা আৰু লৰমা গৌৰহাটী দুই ঠাইত মথাউৰি ছিঙি বিভীষিকা চলাইছিল। দুয়ো ঠাইতে কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ উটুৱাই নি গৃহহীন কৰিছিল। বৰ্তমান পানী শুকাইছে যদিও বহুতৰে জীৱনৰ পৰা বিভীষিকা আঁতৰা নাই। বিশেষকৈ লৰমা গৌৰহাটীৰ ভগ্ন অংশই গৃহহীন কৰা কে'বাটাও পৰিয়াল আজিও বৰলীয়া নৈৰ মথাউৰিত তম্বু টানি আশ্ৰয় লৈ আছে। পোহনীয়া জীৱ-জন্তুৰ লগতে একেটা তম্বুতে দুৰ্বিষহ জীৱন কটাইছে



এইসকল বন্যাৰ্তই। তেওঁলোকে কয় যে বানপানীৰ প্ৰথম তিনিদিন চৰকাৰে সাহায্য সামগ্ৰী দিছিল। তাৰ পাছত চৰকাৰীভাৱে একো সহায় পোৱা নাই। মাত্ৰ চৰকাৰে শিবিৰত থকা পৰিয়ালৰ ক্ষেত্ৰত অনুমোদিত ৩৮০০ টকা পাইছে বুলি জানিব দিছে। যিটো শিবিৰত নথকা বহুতো পৰিয়ালেও পাবলৈ সক্ষম হৈছে। গৃহহীনৰ ধন পোৱাৰ এতিয়ালৈ কোনো সংকেত অহা নাই। সেইটো আহিব বুলি তেওঁলোক বিশ্বাসী। ইতিমধ্যে স্থানীয় চক্ৰ বিষয়াই সকলো নথিপত্ৰ প্ৰস্তুত কৰা বুলি তেওঁলোকক জানিব দিছে। ইয়াৰ মাজতে এইসকল বন্যাৰ্তই কয় যে চৰকাৰী সাহায্যতকৈ বেচৰকাৰী সংস্থা (এনজিঅ')ৰ সাহায্যৰ পৰিমাণ যথেষ্ট বেছি আৰু উন্নতমানৰ, যিটো আমি জীৱনত পাহৰিব নোৱাৰিম। এইসকল বন্যাৰ্তই পুনৰ কয় যে আমি এতিয়া নিজৰ বাৰী-বস্তিত গৈ কেতিয়া এখন নতুন ঘৰ সাজিব পাৰো সেইটোহে লক্ষ্যণীয় হ'ব। বৰ্তমান বালিময় বাৰী-বস্তিৰ একপ্ৰকাৰ চিন-মোকাম নোহোৱা অৱস্থা হৈছে। দিনহাজিৰা কৰি জীৱন নিৰ্বাহ কৰা পৰিয়াল কেইটাই প্ৰৱল অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হৈছে। এসাঁজ খাই এসাঁজৰ চিন্তাত নিমগ্ন এইকেইটা দুৰ্ভগীয়া পৰিয়াল। চৰকাৰে নিশ্চয় এই পৰিয়াল কেইটাৰ পুনৰ সংস্থাপন ব্যৱস্থা কৰি উপকৃত কৰিব বুলি সচেতন ৰাইজে আশা প্ৰকাশ কৰিছে।

# ৰাজ্যত ৭০০০ বান বিধ্বস্ত পৰিয়ালক আদানী ফাউণ্ডেছনৰ সহায়ৰ হাত



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৯ জুলাইঃ** বান বিধ্বস্ত ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠৰ আদানী ফাউণ্ডেছনে ৰাজ্যৰ পাঁচখন জিলা ক্ৰমে কামৰূপ, বৰপেটা, দৰং, মৰিগাঁও আৰু নলবাৰী জিলাৰ প্ৰায় ১৫খন গাঁৱত, সাত হেজাৰ পৰিয়ালৰ মাজত যোৱা ২৭ জুনত আৰম্ভ সাহায্য সামগ্ৰী বিতৰণৰ কালি অন্ত পৰে। বৰঝাৰ বিমানকোঠৰ মুখ্য বিষয়া উৎপল বৰুৱা, মুখ্য মানৱ সম্পদ বিষয়া বনজিৎ ওজা, আদানী ফাউণ্ডেছনৰ জ্যেষ্ঠ বিষয়া জয়ন্ত মহান্তিকে আদি কৰি গোপীনাথ বিমানকোঠৰ বিভাগীয় মুখ্য বিষয়াসকলৰ সহযোগত প্ৰত্যেকখন জিলাৰ বান বিধ্বস্ত গাঁৱত উপস্থিত হৈ বন্যাৰ্তসকলৰ মাজত চাউল, দাইল, আটা, চেনি, চাহপাত, বিস্কুট, গাখীৰ, আলু, নিমখ, হালধি, চিৰা, মুৰী, চাবোন আদিৰ লগতে শাক-পাচলি বিতৰণ কৰে।

# দুলীয়াজানত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ১৯ জুলাইঃ** দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা ১৭ জুলাইত দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। দুলীয়াজানৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা এইবছৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সু-খ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন জনোৱাৰ উদ্দেশ্যৰে এখন সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বুবুল তালুকদাৰে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° বিনীতা পাঠক, দুলীয়াজন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° সুৰেন্দ্ৰ নাথ গগৈ, দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈৰ কে'বাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বহুকেইজন সচেতন লোক আৰু ছাত্ৰ-ছাত্ৰী। অনুষ্ঠানত আছুৰ সাধাৰণ সম্পাদক বৰুৱাই সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে পিতৃ-মাতৃসকলক তেওঁলোকৰ সন্তানসকলক সমাজৰ সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিব পৰাকৈ, নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'ব পৰাকৈ গঢ় দিবলৈ আহ্বান জনায়। অনুষ্ঠানত ১৯০ গৰাকী মেধাৰী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়

# লখিমপুৰত সামূহিক বিবাহ সংস্কাৰ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৯ জুলাই ঃ** লখিমপুৰ জিলা বিবাহ সংস্কাৰ সমিতিৰ উদ্যোগত আৰু 'দ্য হান্স ফাউণ্ডেছন'ৰ সহযোগত অহা তিনি আগষ্টত লখিমপুৰ ত্যাগ ক্ষেত্ৰৰ বাকৰিত সামূহিক বিবাহ সংস্কাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সামূহিক বিবাহ সংস্কাৰ 'দ্য হান্স ফাউণ্ডেছন'ৰ প্ৰতিষ্ঠাপক ভোলেজী মহাৰাজ মংগলাজীৰ লগতে কে'বাজনো সত্ৰাধিকাৰ উপস্থিত থাকিব বুলি উদ্যোক্তামণ্ডলীয়ে সদৰী কৰে। ইচ্ছুকসকলে উক্ত অনুষ্ঠানৰ জৰিয়তে বিবাহ কাৰ্য সম্পন্ন কৰিব বিচাৰিলে মুখ্য কাৰ্যালয় সীমান্ত ভৱন, লখিমপুৰ (শিৱ মন্দিৰৰ সমীপৰ) অথবা ৭৬৩৭৯৩০৭২৩, ৯১০১০৩৩৮৭৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# তেজপুৰত গছপুলি ৰোপণ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ জুলাই ঃ** ৰাজ্যৰ অনান্য জিলাৰ লগতে আজি শোণিতপুৰতো মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। গুৰুত্বপূৰ্ণ থলুৱা উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণ, প্ৰাতিষ্ঠানিক চৌহদৰ নান্দনিক সৌন্দৰ্যবৰ্ধন আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰশমনত সামূহিক সজাগতাৰ জৰিয়তে কাৰ্বন ভাণ্ডাৰ বৃদ্ধি কৰাৰ দিশত এই কাৰ্যসূচী কালি জনতা ভৱনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰাৰ পাছত আজি শোণিতপুৰত আৰম্ভ কৰে উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। তেজপুৰৰ বাটমাৰীস্থিত তেজপুৰ সন্মিলনী কেন্দ্ৰত জিলা উন্নয়ন আয়ুক্ত উৎপল বৰা, অতিৰিক্ত উপায়ুক্তদ্বয় ৰমী বৰুৱা, দ্যুতিভা বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক মধুৰিমা দাস, সহকাৰী আয়ুক্ত নম্ৰতা দাস, কবিতা ফাংচো, বৰষা তালুকদাৰ, জিলা প্ৰশাসনৰ অনান্য বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত, জিলাৰ বন বিভাগৰ সহযোগত এই কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। একেদৰে এই কাৰ্যসূচী জিলাখনৰ বিভিন্ন চৰকাৰী কাৰ্যালয়, পৰিষদ, নগৰীয়া স্থানীয় নিকায়-নিগম, শিক্ষানুষ্ঠান সমূহতো আয়োজন কৰা হৈছে। আজি এক পৰা ১৫ আগষ্টলৈ চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত ৰোপণ কৰা প্ৰতিটো গছপুলি জিঅ' টেগ কৰি নিৰ্দিষ্ট প'ৰ্টেলত উপলব্ধ কৰা হ'ব আৰু সঠিক যতন লোৱাৰ লগতে নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে তিনি বছৰলৈ এই পুলিবোৰৰ জিঅ' টেগ কৰা ফটো প্ৰচাৰ কৰি থাকিব লাগিব বুলিও নিৰ্দেশ দিয়া হৈছে।

# কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদানৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৯ জুলাইঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ অধীনস্থ মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাই ধাৰাবাহিকভাৱে আগবঢ়াই অহা বিনামূলীয়া গ্ৰীষ্মকালীন শৈক্ষিক বিনামূলীয়া পাঠদান যোৱা এক জুলাইৰ পৰা আৰম্ভ হোৱা পাঠদান কালি সামৰণি পৰে। সেই উপলক্ষে কমলাবাৰী একাডেমীত অনুষ্ঠিত হয় সামৰণি অনুষ্ঠান। মধ্য মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল কটকীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্বত কৰে মধ্য মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পংকজ বৰুৱাই। সভাপতিৰ আসন গ্ৰহণ আৰু উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই প্ৰায় এশ শিক্ষাৰ্থী আৰু কে'বাগৰাকী সমাজ সচেতক ব্যক্তিৰ উপস্থিতিত ছাত্ৰ সন্থাৰ তৰফৰ পৰা এই গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু ক্ৰমে কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষয়িত্ৰী আশা হাজৰিকা, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ক্ৰমে ভাৰত শইকীয়া, ডিম্বেশ্বৰ ভূএগ, মদন কলিতা, কানকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক কুমুদ বৰা, কমলাবাৰী শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্য প্ৰাঞ্জল দত্ত, বিকাশ বৰা, পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰবীণ শইকীয়া, মধ্য মাজুলী পাৰিজাত উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক যুগল চুতীয়া, কেশৱ ৰাম বৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সমীৰণ কাকতি, ভোগপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক নাৰায়ণ শইকীয়া, বেঙেনাআটী ৰামকান্ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক পংকজ কলিতা, ডিমৌ ঊষাপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক মৃণ্ময় কৌশিক গোস্বামী আদি শিক্ষা গুৰুসকলক একোখনকৈ ফুলাম গামোচা আৰু একোখনকৈ সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি প্ৰধান শিক্ষয়িত্ৰী আশা হাজৰিকা, জ্যেষ্ঠ শিক্ষক ডিম্বেশ্বৰ ভূএগ, কুমুদ বৰা, ভৰত শইকীয়াই গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচী আৰু এই পাঠদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কেনে ধৰণেৰে উপকৃত কৰিব পাৰিলে সেই সন্দৰ্ভত ব্যাখ্যা কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ আৰু প্ৰেৰণা যোগোৱা ভাষণ প্ৰদান কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পৱিত্ৰ গোস্বামী, অসম প্ৰেছ কৰেচম্পণ্ডেন্ট উনিয়নৰ কেন্দ্ৰীয় উপ-সভাপতি জীৱন বৰুৱা আৰু মাজুলী জিলা পৰিবহণ বিষয়াই। ইয়াৰ পাছতে সভাপতি পংকজ বৰুৱাই সমবেত সকলোকে অনুষ্ঠানভাগী সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সকলো পক্ষৰ সক্ৰিয় সহযোগিতাৰ বাবে সম্ভৱ হৈ উঠিল বুলি উল্লেখ কৰাৰ লগতে ভৱিষ্যতৰ দিনত সকলোৰে সহায়- সহগগিতা বিচাৰি সভাপতিৰ মন্তব্য প্ৰদান কৰে।

# গোলাঘাটৰ জামুগুৰিত সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৮ জুলাই ঃ** সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত দণ্ডিৰাম সোণোৱাল সোঁৱৰণী বিশেষ অভিনন্দন অনুষ্ঠান এক নম্বৰ জামুগুৰি ৰাজহুৱা সভাগৃহত অনুষ্ঠিত হয়। উল্লেখ্য যে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। সেই উপলক্ষে যোৱা ১৭ জুলাইত গোলাঘাট জিলা সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি নৃপেন সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সম্পাদক ৰণ্টু সোণোৱালে। উল্লেখ্য যে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেঙে অংশগ্ৰহণ কৰাৰ লগতে সভাত জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠৰ অধ্যক্ষা চিত্ৰলেখা কলিতাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। সভাত সোণোৱাল কছাৰী স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য ৰাজু সোণোৱাল, ডিব্ৰুগড় জিলা সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক পবিত্ৰ সোণোৱাল, জামুগুৰি বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰূপেশ্বৰ বৰুৱা, সোণোৱাল কছাৰী জিলা সাহিত্য সভাৰ সভাপতি হীৰেশ্বৰ সোণোৱাল, সম্পাদক লক্ষীধৰ সোণোৱাল, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সচিব ৰম্য সোণোৱাল, সদৌ অসম সোণোৱাল কছাৰী নাৰী সংগঠনৰ নীনা বৰা সোণোৱাল, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সাংস্কৃতিক সচিব লীলা সোণোৱাল, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক খগেন সোণোৱাল, দৈয়াং আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি উজ্জ্বল শইকীয়া প্ৰমুখ্যে কৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ আৰম্ভণিতে বিনন্দ সোণোৱালৈ বন্তি প্ৰজ্বলন কৰে। সভাত ৪২জন ছাত্ৰ-ছাত্ৰীক গামোচা, অভিনন্দন পত্ৰ আৰু গছপুলিৰে অভিনন্দন জ্ঞাপন কৰা হয়।

# যুৱ-ছাত্ৰ পৰিষদৰ দৈয়াং আঞ্চলিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৯ জুলাইঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৈয়াং আঞ্চলিক সমিতিৰ কালি অনুষ্ঠিত এক প্ৰতিনিধি সভাত ২০২২-২৩ৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। গমাৰিগৰি সাপ্তাহিক মঙলবৰীয়া বজাৰৰ গৃহত অনুষ্ঠিত প্ৰতিনিধি সভাত সভাপতিত্ব কৰে গোলাঘাট জিলাৰ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সম্পাদক নিকুঞ্জ মেধিয়ে। সভাত দৈয়াঙৰ বিভিন্ন শাখাৰ পৰা অহা প্ৰতিনিধিৰ মাজৰ পৰা বিমান দাসক সভাপতি আৰু কিৰণ দাসক সম্পাদকৰূপে লৈ ২৮ জনীয়া এখন পুৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। উল্লেখ্য যে প্ৰতিনিধি সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে জিলাৰ সভাপতি হাচিম আলী।

# অৰূপ কুমাৰ শৰ্মাক কনক চৌধুৰী সোঁৱৰণী গ্ৰাম্য সাংবাদিক ৰাজ্যিক বঁটা


**নলবাৰী, ১৯ জুলাই ঃ** সাংবাদিক-সাহিত্যিকৰ ঐক্যমঞ্চ 'গণকণ্ঠ'ৰ উদ্যোগত ৰাভা দিৱসৰ ৰূপালী জয়ন্তী বৰ্ষ পালনৰ লগত সংগতি ৰাখি যোৱা ১৭ জুলাইত নলবাৰীৰ শ্ৰীশ্ৰী কালী দেৱালয় প্ৰাংগণ, বালিলেছাত বিশেষ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এইবেলি গণকণ্ঠই ২০২১-২২ৰ সমাজহিতৈষী কনক চৌধুৰী সোঁৱৰণী গ্ৰাম্য সাংবাদিকৰ ৰাজ্যিক বঁটা প্ৰদান কৰে প্ৰায় ৩০ বছৰ ধৰি সাংবাদিক ক্ষেত্ৰখনত জড়িত হৈ থকা নলবাৰী জিলাৰ জ্যেষ্ঠ সাংবাদিক তথা সাপ্তাহিক 'লুইত জ্যোতি' কাকতৰ সম্পাদক অৰূপ কুমাৰ শৰ্মাক। এই বঁটাৰ লগত আছে এখন মানপত্ৰ, গামোচা, চেলেং চাদৰ আৰু নগদ ১০,০০১ টকা। উল্লেখ্য যে ১৯৮৮ত 'অসম বাণী' কাকতৰ যোগেদি সাংবাদিকতা আৰম্ভ কৰা শৰ্মাই 'দৈনিক জনমভূমি' কাকতৰ কে'বা বছৰ ধৰি নলবাৰীৰ স্থানীয় সংবাদদাতা হোৱাৰ উপৰি পাছলৈ জনমভূমি কাকতৰ ষ্টাফ ৰিপ'ৰ্টাৰ, অধুনালুপ্ত সাপ্তাহিক 'অসম'ৰ ষ্টাফ ৰিপ'ৰ্টাৰ, দৈনিক 'নিউজ ফ্ৰণ্ট' কাকতৰ ষ্টাফ ৰিপ'ৰ্টাৰৰ উপৰি অৰ্ধসাপ্তাহিক 'অমৰজ্যোতি' কাকতৰ কাৰ্যবাহী সম্পাদক আৰু সাপ্তাহিক 'অগ্ৰগতি' কাকতৰ কাৰ্যবাহী সম্পাদকৰূপে কে'বা বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰাৰ অন্তত নলবাৰীৰ পৰা প্ৰকাশিত 'লুইত জ্যোতি' কাকতৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

# মইনা পাৰিজাতৰ কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৯ জুলাইঃ** শ্ৰীমন্ত শংকৰদেৱৰ মধ্য ইংৰাজী বিদ্যালয়ত মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতে জ্যোতিপ্ৰসাদ, বিষ্ণু প্ৰসাদ, আৰু পাৰ্বতীপ্ৰসাদৰ গীতৰ শুদ্ধ পৰিশীলনৰ অৰ্থে আয়োজন কৰা গীতৰ কৰ্মশালা যোৱা ১৬ জুলাইত সামৰণি পৰে। সেই উপলক্ষে আয়োজিত সামৰণি অনুষ্ঠানত শ্ৰীশংকৰদেৱৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰমেশ্বৰ কৃষ্ণাত্ৰেয় সঞ্চালনাত সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। বিকাশ সন্দিকৈ, আঞ্চলিকৰ সভাপতি অজিত ভূএগ, উপ-সভাপতি নিৰঞ্জন ভূএগসহ সম্পাদক দিগন্ত বৰা, সাহিত্য সম্পাদিকা জীনা বৰুৱা বৰা, প্ৰাক্তন কৃষ্টি সম্পাদিকা ববিতা শইকীয়া ভূএগ আদি কৰি আঞ্চলিকৰ বিভিন্নজন বিষয়ববীয়া, শাখা মইনা পাৰিজাতসমূহৰ বিভিন্নজন পৰিচালক-পৰিচালিকা, শুভাকাংক্ষী ব্যক্তি উপস্থিত থাকে। কৰ্মশালাৰ সমল ব্যক্তি পংকজ জ্যোতি বৰুৱাক এখন চেলেং আৰু অভিনন্দন পত্ৰৰে আদৰণি জনোৱা হয়। আঞ্চলিকৰ উপদেষ্টা প্ৰভাত ৰঞ্জন গগৈ, সভাপতি অজিত ভূএগ, সহকাৰী সম্পাদক দিগন্ত বৰা, বিকাশ সন্দিকৈ, পৰমেশ্বৰ কৃষ্ণাত্ৰেয়, নিৰঞ্জন ভূএগ আদিয়ে মইনাসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে। আঞ্চলিকৰ সম্পাদক দীপক কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানত, কৃষ্টি সম্পাদিকা ৰুণু বৰগোহাঁই বৰা, পংকজ জ্যোতি বৰুৱা, আশীষ ৰঞ্জন গগৈৰ পৰিচালনাত মইনাসকলৰ দ্বাৰা অনুশীলনী গীতসমূহ পৰিৱেশন কৰা হয়। অংশগ্ৰহণ কৰা প্ৰত্যেকজন মইনাই মনৰ ভাব ব্যক্ত কৰে। শ্ৰীমন্ত শংকদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও গীত পৰিৱেশন কৰে। শাখা মইনা পাৰিজাতৰ পৰা অহা বিভিন্ন গৰাকী পৰিচালক-পৰিচালিকাই মনৰ ভাব ব্যক্ত কৰে। পৰমেশ্বৰ কৃষ্ণাত্ৰেয়ই স্থানীয় অঞ্চলটোত এখন মইনা পাৰিজাত গঠন কৰিবলৈ আহ্বান জনায়। বিকাশ সন্দিকৈয়ে আঞ্চলিকখনয়ে লোৱা গীতৰ কৰ্মশালাৰ ভূয়সী প্ৰশংসা কৰে। মইনাসকলক একোখনে মানপত্ৰ প্ৰদান কৰা হয়। জাতীয় সংগীত পৰিৱেশনেৰে কৰ্মশালাৰ কাৰ্যসূচী সামৰণি পেলোৱা হয়।

# শুৱালকুছিৰ স্বাস্থ্যকৰ্মী তথা অভিনেতা ভূপেন দাসৰ অকাল বিয়োগ



**অগ্ৰদূত বাৰ্তা**


**শুৱালকুছি, ১৯ জুলাই ঃ** শুৱালকুছি ৰাজগড় নিবাসী স্বাস্থ্যকৰ্মী তথা বিশিষ্ট অভিনেতা ভূপেন দাস (৫৩)ৰ আজি উত্তৰ গুৱাহাটীৰ জিএনআৰচি হাস্পতালত মৃত্যু হয়। যকৃতৰ অসুখত ভুগি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। দাস এজন আগশাৰীৰ স্বাস্থ্যকৰ্মীৰ লগতে অভিনয় জগতত এক সুকীয়া স্থান আছিল। হাইস্কুল পৰ্যায়ৰ পৰা এশখনতকৈও অধিক নাটকত অভিনয় কৰি অসমৰ নাট্য জগতত সুকীয়া আসন দখল কৰিছিল। শুৱালকুছি নাট্যদল বহ্নিমান নাট্যগোষ্ঠী, 'আবীৰ আলোক', 'সাংস্কৃতিক প্ৰকল্প' আদি নাট্যানুষ্ঠানৰ জৰিয়তে একাংকিকা আৰু পূৰ্ণাংগ নাটৰ জৰিয়তে অসমৰ বিভিন্ন ঠাইত অভিনয় কৰি সমাদৃত হৈছিল। নিশা ফুলা ফুল, বৰদৈচিলা, বৌ জনী, মোৰ মা, ৰূপালীম, তেজেধোৱা, গামোচা, সপ্তৰথী, ৰাম বিজয়, ৰজা হৰিচন্দ্ৰ, তিনি মস্তিষ্ক, এক টেলিভিছন, মক্তিকে ধৰি প্ৰায় এশতকৈও অধিক নাটত অভিনয় কৰিছিল। আনহাতে, বিপিন ভাৰতী, বিপিশ ভাৰতী প্ৰডাকশ্বনে প্ৰযোজনা কৰা 'দিশ' নামৰ ধাৰাবাহিক এখনত অভিনয় কৰিছিল। তেওঁৰ মৃত্যুৰ খবৰে নাট্য কৰ্মীসকলক ব্যথিত কৰিছে। ব্ৰহ্মপুত্ৰৰ বালিচৰত তেওঁৰ শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী জোনালী দাসৰ লগত দুই পুত্ৰৰ ইহসংসাৰত এৰি যায়।

# বৃহত্তৰ হিন্দু সমাজ একগোট হ'লেহে অসম ৰক্ষা পৰিব

## ■ হাউলীত বাঙালী পৰিষদৰ কাৰ্যনিৰ্বাহক সভাত বিজেপি নেতা শিলাদিত্য দেৱ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৯ জুলাই ঃ** 'অসমত বাঙালীসকল শান্তিৰে থাকিব হ'লে অসমৰ ভাষা-সংস্কৃতিৰ লগতে জাতীয় উৎসৱ বিহুকো আঁকোৱালি ল'ব লাগিব। আমাৰ পূৰ্বপুৰুষে যি ভুল কৰি গ'ল সেয়া আমাৰ নৱ প্ৰজন্মই যাতে নকৰে তাৰ প্ৰতি অসমৰ প্ৰতিজন বাঙালীয়ে সচেতন হ'ব লাগিব।' কালি হাউলী মধ্যবজাৰ কমিউনিটি হলত সদৌ অসম বাঙালী পৰিষদৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত প্ৰথম বাৰ্ষিক কাৰ্যনিৰ্বাহক সভাত বিজেপি নেতা শিলাদিত্য দেৱে এই মন্তব্য কৰে। লগতে তেওঁ কয় যে অসমৰ বাঙালীয়ে পশ্চিমবংগলৈ গ'লে পশ্চিমবংগৰ মানুহে অসমৰ বাঙালীৰ বাংলা ভাষা শুনি ইতিকিং কৰে। লগতে অসমৰ বাঙালীয়ে বাংলা ভাষাৰ শ্ৰাদ্ধ পাতিছে বুলি কয়। বংগৰ মানুহৰ নজৰত যদি আমি ইতিকিঙৰ পাত্ৰ, তেন্তে বংগৰ প্ৰতি আমাৰ ইমান মৰম কিহৰ? লগতে য'ত আমি নিজৰ ইচ্ছা মতে থাকিব পাৰিছো সেই ৰাজ্যখনৰ ভাষা-সংস্কৃতিৰ প্ৰতি মনৰ ভিতৰত মৰম কিয় জগাব নোৱাৰো আমি আৰু কিয় আমি আমাৰ মানসিকতা সলনি কৰিব নোৱাৰো বুলি প্ৰশ্ন কৰে। এনআৰচিত নাম নথকাৰ বাবে আক্ষেপ কৰা বাঙালীয়ে ভবা উচিত প্ৰমাণ অবিহনে নাগৰিকত্ব দাবী কৰাটো ভুল। যাৰ শুদ্ধ নথিপত্ৰ আছে তেওঁক কোনেও এনআৰচিৰ পৰা বঞ্চিত কৰিব নোৱাৰে। অসমৰ প্ৰতি অৱদান আগবঢ়োৱা



বহু নমস্য বাঙালী এইখন অসমত আছে, কিন্তু অসমৰ বাঙালীয়ে তেওঁলোকৰ নাম প্ৰচাৰ কৰিবলৈহে আগবাঢ়ি অহা নাই অথচ নিজৰ সমস্যা লৈ চকুপানী টুকিবলৈ পাহৰা নাই। শিলাদিত্যই এই কথাও ব্যক্ত কৰে যে সদৌ অসম বাঙালী পৰিষদৰ উদ্দেশ্য কোনো জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে মাত মাতি কাজিয়াৰ সৃষ্টি কৰা সংগঠন নহয়, এই সংগঠন সমন্বয় সৃষ্টি কৰা সংগঠন। সদৌ অসম বাঙালী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° শান্তনু কুমাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সদৌ অসম বাঙালী পৰিষদৰ জিলা সমিতিৰ সভাপতি প্ৰদীপ ঘোষ, হাউলীৰ বিশিষ্ট সমাজকৰ্মী অনিল ৰয়, হাউলী পৌৰসভাৰ উপ-পৌৰপতি সঞ্জয় ঘোষ, হাউলীৰ উদীয়মান উদ্যমী যুৱক সুনীল কুমাৰ সাহাৰ লগতে বিভিন্ন ঠাইৰ বিভিন্ন পদত থকা বাঙালী পৰিষদৰ সদস্যৰ লগতে বাঙালীৰ শুভাকাংক্ষী উপস্থিত থাকি সভা সাফল্যমণ্ডিত কৰাত সহায় কৰে। সভাৰ শেষত শিলাদিত্যই সাংবাদিকৰ আগত মন্তব্য কৰি কয় যে এটা সম্প্ৰদায়ৰ মানুহে অসমত বেদখল কৰি আছে। এই বেদখলকাৰীসকলৰ জন্ম কিন্তু কালি হোৱা নাই, তেওঁলোকৰ জন্ম হৈছিল চৈয়দ ছাদুল্লাৰ আমোলত। চৈয়দ ছাদুল্লাৰ আমোলৰ পৰাই এই বেদখলকাৰী আহি আছে, বেদখল কৰি আছে। অসমক ইছলামীস্থানত পৰিণত কৰি অসমীয়া মানুহক ভগনীয়াত পৰিণত কৰাৰ ষড়যন্ত্ৰ চলি আহিছে যদিও সেই পৰিকল্পনা আজিও বাস্তৱায়িত কৰাত সফল হোৱা নাই। তেওঁ আৰু কয়, 'অসমীয়া মানুহ জাগ্ৰত হৈছে, অসমীয়া মানুহে এতিয়া গম পাইছে যে কোন অসমপ্ৰেমী, কোন অসমপ্ৰেমী নহয়। বাংলাদেশী মুছলমানসকলে যি প্ৰকাৰে আগ্ৰাসন চলাই গৈছে, তেওঁলোকে সত্ৰৰ মাটি বেদখল কৰিছে, তেওঁলোকে অসমীয়া মহিলাক ওপৰত নিৰ্যাতন কৰিছে, তেওঁলোকে চৰকাৰী আঁচনি কাঢ়ি লৈছে। আনকি খিলঞ্জীয়াই কৰ পৰিশোধ কৰে যদিও চৰকাৰী আঁচনিৰ সুফল লাভৰ ক্ষেত্ৰত অসমীয়াসকলতকৈ বাংলাদেশী মুছলমানসকলহে অধিক উপকৃত হৈছে। বৃহত্তৰ হিন্দু সমাজ একগোট হ'লেহে অসম ৰক্ষা পৰিব। ইতিহাসে কয় যে কোনো এখন ঠাইত কুৰি শতাংশতকৈ অধিক মুছলমান লোকৰ বসতি হ'লেই তাত অশান্তি আৰম্ভ হয়। এইবিলাক অঞ্চলত এতিয়া ৬০ শতাংশতকৈয়ো অধিক মুছলমান লোক বৃদ্ধি হৈছে। ফলত কেইবছৰমান পাছত ইয়াত মেখেলা পিন্ধি মহিলা ওলাব নোৱাৰিব আৰু অসমত বিহু পাতিব নোৱাৰিব।

# 'সুন্দৰম'ৰ উদ্যোগত সদৌ অসম ভিত্তিত কবিতা আবৃত্তি প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৯ জুলাইঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'সুন্দৰম'ৰ উদ্যোগত অহা ২৩ জুলাইত আমগুৰি ৰাজহুৱা ভৱনত সদৌ অসম ভিত্তিত খগেশ্বৰ বৰুৱা আৰু জয়ন্তী বৰুৱাৰ সোঁৱৰণত' এখন প্ৰাইজমানি কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। নৱম শ্ৰেণীৰ পৰা ঊৰ্ধ্বৰ সকলো বয়সৰ লোকৰ বাবে নিৰ্বাচিত কবিতা হৈছে কবি নীলমণি ফুকনৰ 'সুন্দৰ তুমি ক'ত'? প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিতসকলক পুৰস্কাৰ হিচাপে প্ৰথম ৫০০০, দ্বিতীয় ৩০০০ আৰু তৃতীয় ২০০০ টকাৰ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। উল্লেখ্য যে আমগুৰিৰ চিকিৎসক ডাঃ ৰুবুল চন্দ্ৰ বৰুৱাই তেওঁৰ প্ৰয়াত পিতৃ-মাতৃৰ সোঁৱৰণত পুৰস্কাৰৰ সমুদায় ধনৰাশি আগবঢ়াইছে। ইচ্ছুক প্ৰতিযোগীসকলক অংশগ্ৰহণৰ বাবে ৮৮৭৬৯৯৬১৫৭ আৰু ৬০০৩২১৮২৮৪ ফোন নম্বৰত যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে।






# ৰাষ্ট্ৰীয় সাঁতোৰত ছটা পদক জয়ৰে অসমৰ অংশুমান কাশ্যপৰ চমক

**গুৱাহাটী,১৯ জুলাই ঃ** ভূবনেশ্বৰত চলি থকা ৪৮ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত দুৰ্দান্ত প্ৰদৰ্শনেৰে ছটাকে পদক অৰ্জনেৰে চমক সৃষ্টি কৰিছে অসমৰ অংশুমান কাশ্যপে। উল্লেখ্য যে ১৪ বছৰ অনুৰ্ধ্ব ল'ৰাৰ দ্বিতীয় গ্ৰুপত খেলত আজি অংশুমানে পাঁচটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে । ইয়াৰ ভিতৰত চাৰিটা ব্যক্তিগত আৰু দুটা দলীয় ইভেণ্টত । লৰাৰ ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰিষ্টাইলত ৰূপ আৰু ২০০ মিটাৰ ফ্ৰিষ্টাইলত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে দলীয় ১০০ আৰু ২০০ মিটাৰ ফ্ৰিষ্টাইল ৰীলেত ৰূপৰ পদক জয় কৰে । ইফালে কাইলৈ এটা ইভেণ্টৰ প্ৰতিযোগিতাত নামিবলৈ বাকী থকা অংশুমানে আজি ২০০ মিটাৰ একক মেডলেত ৰূপৰ পদক লাভ কৰি বৰ্তমানলৈকে অসম দলৰ সৰ্বাধিক পদকজয়ী প্ৰতিযোগী হিচাপে পৰিগণিত হৈছে । উল্লেখ্য যে, ২০১৮ ত হাৰিয়ানাৰ সোনিপটত অনুস্থিত তৃতীয় সংখ্যক এচ এফ আই ৰাষ্ট্ৰীয় ক্লাৱ মীট সাঁতোৰ প্ৰতিযোগিতাত ব্যক্তিগত শাখাৰ ৫০ মিটাৰ ফ্ৰী ষ্টাইল,৫০ মিটাৰ বেক ষ্ট্ৰক আৰু ৫০ মিটাৰ বাটাৰ ফ্লাইত সোণ, ফ্ৰী ষ্টাইল ৰিলে আৰু মেদলিত ৰূপৰ পদক অৰ্জনেৰে শ্ৰেষ্ঠ সাতোৰবিদৰ সন্মান লাভ কৰি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছিল অংশুমান। কৃষি বিপনন পৰিষদৰ পৰিদৰ্শক পংকজ তামুলী আৰু দেৱজ্যোতি ওজা তামূলীৰ একমাত্ৰ সন্তান তথা যোৰহাট বাঘচোং ডনবস্কৰ নৱম শ্ৰেণীৰ ছাত্ৰ অংশুমানে পাঁচ বছৰ বয়সৰ পৰাই যোৰহাট চুইমিং চচাইটিত নিয়মীয়াকৈ সাঁতোৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে।



## আই এছ এছ এফ শ্বুটিং বিশ্বকাপ
# তালিকাৰ শীৰ্ষত ভাৰত



**নতুন দিল্লী, ১৯ জুলাই ঃ** চলিত আই এছ এছ এফ শ্বুটিং বিশ্বকাপত আজি অনুষ্ঠিত হোৱা ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল মিক্সড টিম ইভেণ্টত ভাৰতৰ কিশোৰ শ্বুটাৰ অনিশ ভানৱালা আৰু ৰিদম ছাংৱানে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ব্ৰঞ্জৰ পদকৰ খেলখনত চেক গণৰাজ্যৰ আন্না ডেডোভা আৰু মাৰ্টিন প'ধ্ৰাস্কিৰ বিৰুদ্ধে ১৬-১২ ৰ ব্যৱধানত জয়লাভ কৰে ভাৰতীয় যুটিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে চলিত বৰ্ষৰ মাৰ্চত কায়ৰো বিশ্বকাপত ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল মিক্সড দলীয় ইভেণ্টত সোণৰ পদক লাভ কৰা অনিশ ভানৱালা আৰু ৰিদম ছাংৱানে আজি আই এছ এছ এফ শ্বুটিং বিশ্বকাপত তৃতীয় হৈ দ্বিতীয়টো পদক অৰ্জন কৰিলে। স্মৰ্তব্য যে চাংৱন বিশ্বকাপত এতিয়ালৈকে ভাৰতে ১৪ টা পদক লাভ কৰি তালিকাৰ শীৰ্ষত আছে। ভাৰতে পাঁচটা সোণ, সমসংখ্যক ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। উল্লেখ্য যে কালি পুৰুষৰ শাখাত দেশৰ হৈ সোণ লাভ কৰিছিল মৈৰাজ আহমেদ খানে। পদক নিৰ্ণায়ক ৰাউণ্ডত ৪০ শ্বট কৰি ফাইনেলত উত্তৰ প্ৰদেশৰ ৪৬ বছৰীয়া মৈৰাজ আহমেদ খানে সোণ লাভ কৰে। ভাৰতীয় দলটোৰ জ্যেষ্ঠ সদস্য হিচাপে পৰিগণিত হোৱা তথা দুবাৰৰ অলিম্পিয়ানগৰাকীয়ে ২০১৬ ত ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত বিশ্বকাপতো ৰূপৰ পদক লাভ কৰিছিল। ইফালে, চলিত আই এছ এছ এফ বিশ্বকাপ শ্বুটিঙত ইয়াৰ পূৰ্বে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী প্ৰি দলীয় ইভেণ্টত ভাৰতৰ অঞ্জুম মৌদগিল, আশী চৌকছে আৰু ছিফট কৌড়ে দলীয় ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

## প্ৰথম টেষ্টৰ আজি অন্তিম দিন ঃ দ্বিতীয় ইনিংছত ছফিকৰ শতক
# শ্ৰীলংকাৰ বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ পাকিস্তানৰ



**গল, ১৯ জুলাই ঃ** শ্ৰীলংকাৰ বিৰুদ্ধে খেলা চলিত শৃংখলাৰ প্ৰথমখন টেষ্টত পাকিস্তানে ঘৰুৱা দলটোৰে দিয়া ৩৪২ ৰাণৰ বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ কৰি সুন্দৰ স্থিতিত উপনীত হৈছে। উল্লেখ্য যে টেষ্টখনৰ আজি চতুৰ্থ দিনাৰ খেলৰ অন্তত শ্ৰীলংকাই দিয়া ৩৪২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি পাকিস্তানে দ্বিতীয় ইনিংছত তিনিটা উইকেট হেৰুৱাই দিয়া ২২২ ৰাণ কৰিছে। দলৰ অপেনাৰ আব্দুলা ছফিকে ১১২ ৰাণৰ শতকীয় ইনিংছ খেলি বেটিং কৰি থকাৰ বিপৰীতে বাবৰ আজমে কৰে ৫৫ ৰাণ। টেষ্ট খনৰ কাইলৈ অন্তিম দিনা হাতত সাতটা উইকেট থকা অৱস্থাত বিজয়ৰ বাবে পাকিস্তানক প্ৰয়োজন ১২০ ৰাণৰ। অৱশ্যে অন্তিম দিনা শ্ৰীলংকাৰ বলাৰেও প্ৰত্যাৱৰ্তন কৰিব পাৰে উইকেটৰ সহায় লৈ। উল্লেখ্য যে আজি শ্ৰীলংকাই আটাইকেইটা উইকেট হেৰুৱাই ৩৩৭ ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু ঘৰুৱা দলটোৰে মুঠ ৩৪২ ৰাণত অগ্ৰগতি লয়। প্ৰথম ইনিংছত শ্ৰীলংকাৰ হৈ ৭৬ ৰাণ কৰা চন্দিমলে দ্বিতীয় ইনিংছত অনবদ্য ৯৪ ৰাণ কৰি অপৰাজিত থাকে। আনহাতে, দলৰ হৈ কুশল মেণ্ডিছে ৭৬ আৰু ফাৰ্ণাণ্ডোৱে ৬৪ ৰাণ কৰে। পকিস্তানৰ হৈ মহম্মদ নাৱাজে পাঁচটা উইকেট দখল কৰে। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাই প্ৰথম ইনিংছত ২২২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, পাকিস্তানে বাবৰ আজমৰ (১১৯ৰ শতক সত্তেও ২১৮ ৰাণত প্ৰথম ইনিংছ সামৰিছিল।

# আজিৰে পৰা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী,১৯ জুলাই ঃ** ১২টা দলৰ অংশগ্ৰহণেৰে কাইলৈৰ পৰা নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব গুৱাহাটী ক্ৰীড়া সন্থাৰ অনুৰ্ধ ১৩ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজন । কাইলৈৰপৰা নেহৰু ষ্টেডিয়ামৰ দুয়োখন গ্ৰাউণ্ডত দুপৰীয়া ২-৩০ আৰু ৩-৪০ বজাত মুঠ চাৰিখনকৈ খেল অনুষ্ঠিত হ'ব । প্ৰতিযোগিতাত অংশ লোৱা দলকেইটা হ'ল যোৱাবাৰৰ চেম্পিয়ন গুৱাহাটী চিটী এফচি, আছাম ৱাৰিয়ৰ্ছ এফচি, এনকেএছএফচিচি, কাজিৰঙা এফচি, চন্দ্ৰপুৰ এফচিচি, হাণ্টোছ এফচি, নাৰেংগী এফচিচি, লায়নফৰ্'ডএফচি, আকাশ এফচি, উদয়ন কৃষ্টি সংঘ, পেগাছাছ এফচি আৰু চান্দমাৰী এফচিচি । ২৮ জুলাইত প্ৰতিযোগিতাৰ ছেমিফাইনেল আৰু ৩০ জুলাইত ফাইনেল অনুষ্ঠিত হ'ব । চেম্পিয়ন দলটোৱে অসম ফুটবল সন্থাৰ ৰাজ্যিক অনুৰ্ধ ১৩ লীগৰ মণ্ডল পৰ্যায়ত অংশগ্ৰহণ কৰিব।

## নুৰুল আমিন আন্তঃক্লাব ফুটবল
# ৰাজস্থানী যুৱক সংঘৰ জয়

**বেবেজীয়া, ১৯ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত নগাঁও ৰাজস্থানী যুৱক সংঘই ৰেডিয়েল ক্লাবক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমুল প্ৰতিদ্বন্দিতামূলক খেলখনত নগাঁও ৰাজস্থানী যুৱক সংঘৰহৈ বিজয়সূচক গ'লটো অন্তিম সময়ত বিনন্দ খাটনিয়াৰে (৯০মিনিট) দিয়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে কৃষ্ণকান্ত দাস, পাৰ্শজ্যোতি দাস আৰু অ'হিদুজ জামানে। উল্লেখ্য যে, খেলখনত এন আৰ ৱাই এছৰ চন্দ্ৰ বসুমতাৰী শ্ৰেষ্ঠ খেলুৰৈৰূপে পৰিগণিত হয়।



# নগাঁৱত ৰাজ্যিক পাঞ্জাৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা, নগাঁও,১৯ জুলাই ঃ** অসম পাঞ্জা সংস্থাৰ উদ্যোগত আৰু সংস্থাৰ নগাঁও জিলা সমিতিৰ সহযোগত অহা ২২ আৰু ২৩ জুলাইত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব চলিত বৰ্ষৰ ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ। এই কথা প্ৰকাশ কৰিছে অসম পাঞ্জা সংস্থাৰ নগাঁও জিলা সমিতিৰ সভাপতি অভিজিত কুমাৰ নাথ আৰু সম্পাদক মাধূৰ্য ডেকাই। অভ্যৰ্থনা সমিতিৰ সভাপতি কনক হাজৰিকা আৰু সম্পাদক ভাস্কৰ জ্যোতি মেধিয়ে জানিবলৈ দি কয় যে ৰাজ্য খনৰ বিভিন্ন জিলাৰ প্ৰায় চাৰি শতাধিক পাঞ্জা খেলুৱৈয়ে অংশগ্ৰহণ কৰিব লগা এই চেম্পিয়নশ্বিপ খনৰ খেলুৱৈ সকলক আদৰিবলৈ নগাঁৱত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। চেম্পিয়নশ্বিপ খনৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পিয়ুষ হাজৰিকাৰ লগতে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী।

# অসম যুৱ অলিম্পিক গেমছৰ শিখা ৰেলী

**গুৱাহাটী,১৯ জুলাই ঃ** অসমৰ ক্ৰীড়া ক্ষেত্ৰত নতুন নতুন প্ৰতিভা সন্ধানৰ উদ্দেশ্যৰে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত অহা ২২ ৰ পৰা ২৭ জুলাইলৈ গুৱাহাটীত প্ৰথম যুৱ অলিম্পিক গেমছ অনুষ্ঠিত কৰিব । সেয়ে উক্ত প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি অসম অলিম্পিক সন্থাই প্ৰতিখন ক্ৰীড়া জিলাৰ সহযোগত আজিৰে পৰা অলিম্পিক শিখালৈ সামূহিক দৌৰ কাৰ্যসূচী ৰূপায়ন কৰি আহিছে । আজি কাৰ্বি আংলং, হোজাই, গোৱালপাৰা, কোকৰাঝাৰ, ডিব্ৰুগড় আজি কৰি উজনি-নামনি, পাহাৰ-ভৈয়ামত অলিম্পিক শিখালৈ সামূহিক দৌৰ আয়োজন হয়।



# কোকৰাঝাৰত যুৱ অলিম্পিক শিখাৰ আদৰণি অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা,**
**কোকৰাঝাৰ,১৯ জুলাই ঃ** অহা ২২ ৰ পৰা ২৭ জুলাইলৈ গুৱাহাটী অনুষ্ঠিত হ'বলগীয়া প্ৰথম অসম ইউথ অলিম্পিক গেমছৰ শিখা লৈ অহা দলটোক আজি কোকৰাঝাৰ ক্ৰীড়া সন্থাই বিপুল আদৰণি জনায়। উল্লেখ্য যে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এই খেলত মুঠ ৩২ বিধ খেল অনুষ্ঠিত হ'ব। প্ৰথম অসম ইউথ অলিম্পিক গেমছত কোকৰাঝাৰ জিলাৰ পৰাও অংশগ্ৰহণ কৰিব মুঠ সাতটা ইভেণ্টত। আজি কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাই আদৰণি জনাই খেলুৱৈসকলক লৈ অলিম্পিক শিখাৰে ৰেলী উলিয়ায়। কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত অলিম্পিক গেমছক আদৰণি জনাই উলিওৱা শিখা ৰেলীত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি শুভৰাম্ভ কৰে অসম অলিম্পিক সন্থাৰ উপ সভাপতি বিষ্ণু নুনিছাই । উক্ত অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰী, এমচিএলএ দনেশ্বৰ গয়াৰী, জিলা অতিৰিক্ত উপায়ুক্ত শুভ্ৰম আদিত্য বৰাকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি আৰু ৰাষ্ট্ৰীয় খেলুৱৈসহ শতাধিক ক্ৰীড়াবিদে অংশগ্ৰহণ কৰে ।



# গোৱালপাৰাত অলিম্পিকৰ শিখা লৈ খেলুৱৈৰ সামূহিক দৌৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৯ জুলাই ঃ** অসম যুৱ অলিম্পিক গেমছৰ শিখালৈ আজি গোৱালপাৰাত সামূহিক দৌৰ অনুষ্ঠিত হয় । উল্লেখ্য যে নতুন প্ৰতিভা সন্ধানৰ উদ্দেশ্যৰে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত অহা ২২ জুলাইৰ পৰা গুৱাহাটীত যুৱ অলিম্পিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব । সেয়ে উক্ত প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি অসম অলিম্পিক সন্থাই প্ৰতিখন জিলাতে অলিম্পিক শিখালৈ সামূহিক দৌৰ কাৰ্যসূচী ৰূপায়ন কৰিছে । আজি অসম অলিম্পিক সন্থাৰ উপ সভাপতি বিষুণ্ৰাম ননিছাই অলিম্পিক শিখালৈ গোৱালপাৰাৰ ডি এন সিংহ ষ্টেডিয়ামত উপস্থিত হোৱাৰ পিছতে গোৱালপাৰা ক্ৰীড়া সন্থাৰ সহযোগত অলিম্পিক শিখালৈ সামূহিক দৌৰ অনুষ্ঠিত হয় । গোৱালপাৰাৰ অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কুমাৰ কোঁৱৰ অতিথি হিচাপে উপস্থিত থাকি সামূহিক দৌৰৰ শুভাৰম্ভ কৰে । কাৰ্যসূচীটোত গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ



# নলবাৰী ভলীবল দল ঘোষণা

**নলবাৰী,১৯ জুলাই ঃ** অহা ২২ ৰ পৰা ২৭ জুলাইলৈ গুৱাহাটী মালিগাওঁ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া অসম ইউথ অলিম্পিকৰ ভলীবল প্ৰতিযোগিতাত অংশ গ্ৰহন কৰাৰ বাবে নিৰ্বাচিত হোৱা নলবাৰী জিলাৰ ল'ৰা আৰু ছোৱালীৰ দল দুয়োটা নলবাৰী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে ঘোষণা কৰিছে। ল'ৰাৰ দলটো হ'ল ঃ নীলকণ্ঠ তালুকদাৰ, আনোৱাৰ হুছেইন, প্ৰীতম শৰ্মা, পৰশমণি শৰ্মা, অভিজিৎ ডেকা, পৃথু বৰুৱা, ৰিতু মণ্ডল, সঞ্জু দাস, গৌৰৱজ্যোতি ভূএঞা, মৃনালজ্যোতি হালৈ, ভাৰ্গৱ ৰাজবংশী, অচিন্ত কলিতা। দলটোৰ প্ৰশিক্ষক গিৰীশ তালুকদাৰ, মেনেজাৰ বিপুল কুমাৰ সাউদ।
আনহাতে ছোৱালী দলটো হ'ল ঃ ৰুমা বেগম, জেচমিন চুলতানা, পল্লৱী শৰ্মা, মমিনা বেগম, নিলাক্ষী ডেকা, দিক্ষীতা সাউদ, দুৰৱী তালুকদাৰ, বিপাশা দাস, ডলী তালুকদাৰ, জুৰী তালুকদাৰ,ভূপালী বৰুৱা, দিপান্দীতা ডেকা। দলটোৰ প্ৰশিক্ষক কল্পনা কলিতা, মেনেজাৰ অংকুৰ ডেকা।

# ডিব্ৰুগড়ত অসম যুৱ অলিম্পিকৰ শিখা প্ৰজ্বলন

**বিশেষ সংবাদদাতা,**
**ডিব্ৰুগড়, ১৯ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ সহযোগত অহা ২২ জুলাইৰ পৰা গুৱাহাটীত অনুষ্ঠিত হবলগীয়া অসম যুৱ অলিম্পিকৰ শিখা আজি ডিব্ৰুগড়ত প্ৰজ্বলন কৰা হয়। ডিব্ৰুগড় জিলাৰ পৰা যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈ সকল আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত এই



সন্থাৰ সদস্য ডাক্টৰ ভাস্কৰ জ্যোতি গগৈ, সন্থাৰ উপ সভাপতি মানস জ্যোতি দত্ত , কোষধ্যক্ষ ইমদাদ আহমেদ , আন আন বিষয়বীয়াসকলৰ ক্ৰমে - প্ৰীতম দাস, প্ৰশান্ত দত্ত, বিদ্যুৎ বিকাশ দেউৰী, অঞ্জন বৰুৱাৰ উপৰিও ডিব্ৰুগড় জিলাৰ ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায় উপস্থিত থাকে। ইয়াৰ পিছতে শিখা প্ৰজ্বলন কৰি প্ৰতিযোগী সকলে জিলা উপায়ুক্ত কাৰ্য্যালয়ৰ পৰা ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ জালান আউটডৰ ষ্টেডিয়ামলৈ এক

অলিম্পিক শিখা আনুষ্ঠানিক ভাৱে প্ৰজ্বলন কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুই। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ মানৱজিত শইকীয়াৰ পৰা অলিম্পিক শিখা গ্ৰহণ কৰি জিলা উপায়ুক্ত পেগুৱে প্ৰজ্বলন কৰি অংগ্ৰহণকাৰীসকলক প্ৰতিযোগিতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। লগতে ডিব্ৰুগড় জিলালৈ সুনাম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে । এই অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি তথা অসম অলিম্পিক শোভাযাত্ৰা উলিয়ায় । জালান আউটডৰ ষ্টেডিয়ামত এই শোভাযাত্ৰাৰ আদৰণী কৰে ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক এছ মিশ্ৰই। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক নিৰঞ্জন শইকীয়াই জনাইছে যে জিলাৰ পৰা ৩০০ খেলুৱৈয়ে যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিব। উল্লেগ্য যে তিনিচুকীয়াৰ পৰা অহা এই শিখা ডিব্ৰুগড় জিলাৰ পৰা চৰাইদেউ, নাজিৰা, শিৱসাগৰ, যোৰহাট হৈ গুৱাহাটী লৈ নিয়া হ'ব।



পি এছ জিৰ অনুশীলনত মেছি, নেইমাৰ, এমবাপ্পে।

# যোৰহাট টাউন ক্লাব ছেমিত

**যোৰহাট, ১৯ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা এ ডিভিজন ফুটবল লীগৰ আজি বি গ্ৰুপৰ খেলত যোৰহাট টাউন ক্লাবে কেন্দ্ৰীয় ক্লাবক ২-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে। উল্লেখ্য যে বি গ্ৰুপৰ পৰা যোৰহাট টাউন ক্লাবে তিনিখন খেলত জয়ী হৈ ৯ পইন্ট সংগ্ৰহ কৰি প্ৰথমটো দল হিচাপে ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। আজি খেলৰ প্ৰথমাৰ্ধৰ ১৬ মিনিটত যোৰহাট টাউন ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈ দেৱাশীষ শইকীয়াই টাউনৰ গ'ল বক্সত কেন্দ্ৰীয় ক্লাবৰ ফৰৱাৰ্ড খেলুৱৈ গৰাকীক ফাউল কৰাত ৰেফাৰী পৱন পাঠকে পেলান্টি নিৰ্দেশ কৰে। টীয়ক কেন্দ্ৰীয় ক্লাবৰ বিকাশ কৰ্মকাৰে পেলান্টি কাৰ্যকৰী কৰি কেন্দ্ৰীয় ক্লাবক ১-০ গ'লত অগ্ৰগতি প্ৰদান কৰে। কিন্তু দ্বিতীয়ৰ্ধত যোৰহাট টাউন ক্লাবে সংঘবদ্ধ ভাৱে কৌশল ৰচনা কৰি কেইবাটাও আক্ৰমণ ৰচনা কৰে আৰু ৮৩ মিনিটত যোৰহাট টাউন ক্লাবৰ ভৰত শইকীয়াই গ'ল দি ১-১ ৰ সমতা স্থাপন কৰে। ৯১ মিনিটত পুনৰ যোৰহাট টাউন ক্লাবৰ ভৰত শইকীয়াই গ'ল দি টাউন ক্লাবক ২-১ গ'লত জয়ী কৰায়। আজি খেল পৰিচালনা কৰে পৱন পাঠকে । লাইনত সুমন্ত দত্ত আৰু ত্ৰিনোজ বড়া তথা চতুৰ্থ ৰেফাৰী কুশল মিলি। ২০ জুলাই খেল ঃ ভিক্টোৰিয়াচ ক্লাব বনাম ৰমাকান্ত ফুটবল ক্লাব।

# মৰিয়নি ফুটবল লীগ আৰম্ভ, উদ্বোধনী খেলত কঁঠালগুৰিৰ জয়

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১৯ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত মুক্তিযোদ্ধা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগ আজিৰে পৰা আৰম্ভ হৈছে । আজিৰ উদ্বোধনী খেলত কঁঠালগুৰি এফ চিয়ে দিহিঙীয়াপাৰ চাহ বাগিচাক ২-১ গ'লত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । খেলৰ ন মিনিটতে বিকাশ কৰ্মকাৰৰ গ'লেৰে কঁঠালগুৰিয়ে অগ্ৰগতি লাভ কৰে । কিন্তু দ্বিতীয়াৰ্ধৰ পাঁচ মিনিটত দিহিঙীয়াপাৰৰ অনিমেষ কৰ্মকাৰে এটা গ'ল দি সমতা স্থাপন কৰে । ইয়াৰ পিছত অধিক গতিশীল হৈ পৰে খেলখন । খেলৰ অন্তিম মিনিটত কঁঠালগুৰিৰ ললিত চবৰে এটা গ'ল দি দলক বিজয়ী কৰোৱাৰ লগতে সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । খেলখন পৰিচালনা কৰে ৰাজীৱ কৰ্মকাৰ, মৃগন্ত হাজৰিকা, নিত্যৰঞ্জন ফুকন আৰু প্ৰাঞ্জল পাওগামে । ইয়াৰ পূৰ্বে মৰিয়নি ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্তই । প্ৰতিযোগিতাখন উদ্বোধন কৰে মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হৰেন গোৱালাই । দাতা পৰিয়ালৰ হৈ অনিল বৰা আৰু ৰেনু বৰা উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত এইবাৰ অসম ক্ৰিকেট দলৰ নিৰ্বাচনী শিবিৰলৈ আমন্ত্ৰণ লাভ কৰা মৰিয়নিৰ ক্ৰিকেট খেলুৱৈ পিয়ুছ প্ৰধানক শুভেচ্ছা জ্ঞাপন কৰা হয় । দীপেন দাসে আঁত ধৰা অনুষ্ঠানটোত জ্যেষ্ঠ ফুটবল সংগঠক প্ৰদীপ মজুমদাৰ, প্ৰাক্তন ফুটবলাৰ মহেশ্বৰ গোৱালা, দীপক তাঁতী, মুন নায়ক, দেবু গোৱালা, অনিল উৰাং, উইলিয়াম ভালুৰী, এন্ড্ৰিয়াছ তাঁতী, উৎপল গগৈ, নেইনা ভূমিজ, মইনা গগৈ, মিকু পাওগাম আদি উপস্থিত থাকে। ২০ জুলাইৰ খেল ঃ কাটনিবাৰী চাহ বাগিচা বনাম বাহনী চাহ বাগিচা।



দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ২০ জুলাই, ২০২২ বুধবাৰ পৃষ্ঠা ১৬

# বানৰ পাছত খৰাঙৰ তাণ্ডৱ ঃ কৃষকসমাজৰ মাজত হাহাকাৰ

## ঘগ্ৰাপাৰত পানীৰ অভাৱত খেতিপথাৰত মেলিছে ছিৰাল ফাট

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৯ জুলাই ঃ বানপানীৰ তাণ্ডৱৰ পাছত উৎকট গৰম আৰু খৰাঙে ত্ৰাহি মধুসূদন সোঁৰৰাইছে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৮৬খন গাঁৱৰ অধিকাংশ কৃষক ৰাইজক। সম্প্ৰতি পানীৰ অভাৱত পথাৰত এতিয়া ছিৰাল ফাট মেলিছে। নলবাৰী জিলাৰ কৃষক ৰাইজে প্ৰকৃতিৰ ওপৰতে ভৰসা কৰি কৃষিকাৰ্য সম্পন্ন কৰাৰ লগতে জিলাখনৰ লগতে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সংশ্লিষ্ট গাঁৱৰ অধিকাংশ লোক কৃষিজীৱী। এই সময়ত খেতিপথাৰত এটুপিও পানী নোহোৱাত কৃষকে ৰোপণ কৰিব পৰা নাই ভূঁই বা কঠীয়া। তাকে লৈ চিন্তিত হৈ পৰিছে ঘগ্ৰাপাৰ ৰাজহৰ চটাইবাৰী, বালিতাৰা, খাতিকুছি, আল্লিয়া, দিহজাৰী, পূব বনভাগ, ঘগ্ৰাপাৰ, দতৰা আদি গাঁও পঞ্চায়তৰ কৃষক ৰাইজে। উল্লেখ্য যে বিগত সময়ত আহাৰত ৰাজহ চক্ৰটোৰ কৃষকে কঠীয়া ৰোপণৰ কাম সম্পূৰ্ণ কৰিছিল যদিও এইবাৰ চ'তৰ পৰা মুষলধাৰে অহা বৰষুণে কৃষি কাৰ্যত বিধি-পথালি দি আহিছে। ৰাজহ চক্ৰটোৰ কৃষকে সময় অনুসৰি



কঠীয়াৰ বীজ সিঁচিছিল যদিও বানপানীয়ে কৃষক সমাজৰ সেই বীজ নষ্ট কৰাত এতিয়া পুনৰবাৰ কঠীয়াৰ বীজ সিঁচিবলৈ বৰষুণৰ বাবে প্ৰাৰ্থনা কৰিবলগীয়া হৈছে। ইফালে একাংশ কৃষকৰ কিছু কঠীয়া কোনো মতে বানৰ কবলৰ পৰা ৰক্ষা পৰিছিল যদিও পানীৰ অভাৱত কঠীয়া ৰোপণ কৰিব পৰা নাই, দুই -এজনে ৰোপণ কৰিলে যদিও সেয়া ছিৰাল ফাট মেলিছে। ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ সমান্তৰালভাৱে দেহাৰকুছি আৰু দতৰা গাঁও পঞ্চায়তত উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা নথকাত কৃষক ৰাইজে প্ৰকৃতিৰ ওপৰতে ভৰসা কৰিব লগা হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইফালে যদিহে এনেদৰে আৰু কিছুদিন বৰষুণ নহয়, তেন্তে ৰাজহ চক্ৰটোৰ কৃষক সমাজ অধিক লোকচানৰ সন্মুখীন হোৱাৰ লগতে কৃষিপথাৰ উকা হৈ থাকিব। ইতিমধ্যে ভূঁই ৰোপণ কৰিব লগা ঘগ্ৰাপাৰৰ খেতিপথাৰত পানী নথকাত কৃষকে গৰু-ছাগলী এৰাল দিয়া পৰিলক্ষিত হৈছে। ইপিনে অঞ্চলটোৰ কৃষক সমাজকে ধৰি বিভিন্ন দল-সংগঠনে বৃহত্তম অঞ্চলটোত প্ৰকৃত কৃষক ৰাইজ উপকৃত হোৱাকৈ আগন্তুক দিনত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ নলবাৰী বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দাবী জনাইছে।

# তেজপুৰত জলসংকটৰ সন্মুখীন হোৱা কৃষকে ঘগৰা নৈত নাম-কীৰ্তন কৰি ভোগ আগবঢ়ালে



ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৯ জুলাই ঃ আত্মনিৰ্ভৰশীলতা আৰু কৃষিক্ষেত্ৰৰ উন্নয়নৰ বিভিন্ন কৃতিত্ব দাবী কৰি অহা চৰকাৰৰ কাৰ্যকালত বৰ্তমান বান আৰু খৰাঙে ৰাজ্যৰ কৃষকসকলৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে কৰিছে। সম্প্ৰতি শোণিতপুৰৰ বিভিন্ন অঞ্চলত দুবাৰকৈ বানে সৰ্বস্বান্ত কৰা কৃষকে কঠীয়া ৰোপণ কৰিবলৈ গৈ প্ৰয়োজনীয় পানীৰ অভাৱত হতাশ হ'বলগীয়া হোৱাই নহয় তেজপুৰত আজি একাংশ কৃষকে নৈৰ পাৰত নাম গাই, ভোগ দি নেদেখাজনৰ ওচৰত পথাৰত পানীৰ বাবে প্ৰাৰ্থনা জনাবলগীয়া হৈছে। উল্লেখ্য যে তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি, বাঁহবাৰী মৌজাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ পথাৰসমূহ পানীৰ অভাৱত শুকাই গৈছে আৰু ইয়াত সম্প্ৰতি কঠীয়া পাৰিব পৰা অৱস্থা নোহোৱা হৈছে। জিলাখনৰ বাঁহবাৰী মৌজাৰ তথা তেজপুৰৰ নিকটৱৰ্তী নতুন ঘগৰা, মণি ঝাৰণি, বেছেৰীয়া পাম, পুৰণা ঘগৰা, বৰচন, পাহৰণি, মোৱামাৰী, গণকচুবুৰি, ডেকাচুবুৰি, বতনি, বৰাচুবুৰি, ছিঙাচুবুৰি, থিয়আটি, গুতিবৰা চুবুৰি, বান্দৰমাৰীকে ধৰি ২০খনৰো অধিক গাঁৱৰ কৃষকৰ মাজত হাহাকাৰ অৱস্থাৰ উদ্ভৱ হৈছে পথাৰত পানীৰ অভাৱত। উল্লেখ্য যে এই কৃষি প্ৰধান অঞ্চলসমূহৰ পথাৰত আজিলৈকে জলসিঞ্চন ব্যৱস্থাৰ সুবিধা কৃষকসকলে লাভ কৰিবলৈ সক্ষম নহ'ল। এনে পৰিস্থিতিত উপায়ান্তৰ হোৱা কৃষক ৰাইজে সমীপৰ ঘগৰা নৈৰ পাৰত আজি পুৱা প্ৰায় আঠ বজাত সমবেত হৈ নাম-প্ৰসংগ কৰাৰ লগতে ঘগৰা নৈত ভোগ দি কৃষকসকলে তেওঁলোকৰ পথাৰত প্ৰয়োজনীয় পানীৰ বাবে প্ৰাৰ্থনা জনায়। উল্লেখ্য যে কৃষি নিৰ্ভৰ অৱশিষ্ট অঞ্চলসমূহৰ অন্যতম এই গাঁওসমূহৰ কৃষক ৰাইজে ধান খেতিৰ বাবে পথাৰত পানীৰ অভাৱ হ'লে পৰম্পৰাগতভাৱে ঘগৰা নৈৰ পাৰত নাম-কীৰ্তন কৰি আহিছে। সুদীৰ্ঘকালৰ পাছত এইবাৰ এনে জলসংকটৰ বাবেই আজি পুৱা গণকচুবুৰিৰ, ডেকাচুবুৰিৰ, থিয়আটি, ঘগৰাকে ধৰি কে'বাখনো গাঁৱৰ ৰাইজে ঘগৰা নৈৰ পাৰত পৰম্পৰাগতভাৱে নাম-কীৰ্তন কৰে। উল্লেখযোগ্য যে ঘগৰা নৈখনৰ সোঁত আন নৈতকৈ ব্যতিক্ৰমীভাৱে পশ্চিমৰ পৰা পূবলৈহে প্ৰবাহিত হয়। ৰাইজে নাম- কীৰ্তন সমাপন কৰি নৈত ভোগ অৰ্পণ কৰে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলসমূহৰ পথাৰ পানীৰ অভাৱত ছিৰাল ফাট দিছে। অঞ্চলটোৰ এজন কৃষক সাংবাদিক মনোজ কুমাৰ শইকীয়াই কয় যে যিসকল কৃষকৰ পুখুৰী আছে তেওঁলোকে পুখুৰীৰ পানী পথাৰৰ কিছু অংশলৈ বোৱাই নি সামান্য একোটা অংশত কঠীয়া ৰোপণ কৰিব পাৰিছে। শইকীয়াই এনেদৰে এই পৰ্যন্ত তেওঁৰ প্ৰায় ৫০বিঘা মাটিৰ ভিতৰত আধা অংশতো কঠীয়া ৰোপণ কৰিব পৰা নাই পানীৰ অভাৱতে। একেদৰেই আনসকল কৃষকেও মূৰে কপালে হাত দিবলগীয়া হোৱাত উপায়ান্তৰ হৈ আজি ঘগৰা নৈত ভোগ দিয়ে যাতে তেওঁলোকৰ পথাৰত এই নৈখনৰ জৰিয়তেই খেতি উপযোগী পানী লাভ কৰিব পাৰে। উল্লেখ্য যে অঞ্চলসমূহত ঘগৰা নৈৰ বানে দুবাৰকৈ সকলো খেতিপথাৰ বুৰাই পেলোৱাত স্থানীয় কৃষকসকলৰ কঠীয়া নষ্ট হয় আৰু ইয়াৰ পাছত তেওঁলোকে বিভিন্ন অঞ্চলৰ পৰা কঠীয়া সংগ্ৰহ কৰি পথাৰত ৰোপণ কৰিবৰ সময়তে পানীৰ অভাৱৰ সন্মুখীন হয়। এনেদৰেই কঠীয়া ৰোপণৰ সময় উকলিবলৈ ওলোৱাত দুশ্চিন্তাত ভোগা কৃষকসকলে ঘগৰা নৈতে ভোগ আগবঢ়াই তেওঁলোকৰ পথাৰত পানীৰ বাবে প্ৰাৰ্থনা জনাবলগীয়া হোৱা ঘটনাই দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উদযাপনৰ সময়তো প্ৰকৃত কৃষক ৰাইজে জলসিঞ্চন ব্যৱস্থাৰ সুবিধা লাভ নকৰা আৰু এইক্ষেত্ৰত চৰকাৰী বিভাগৰ ব্যৰ্থতা স্পষ্ট ৰূপত উন্মোচিত হৈছে।

# হোটেল ব্যৱসায়ৰে আত্মনিৰ্ভৰশীলতাৰ পথ দেখুৱাইছে ৰীণা মেধিয়ে



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৯ জুলাই ঃ** স্বাভিমান আৰু আত্মনিৰ্ভৰশীলতাক মূল মন্ত্ৰ হিচাপে লৈ হোটেল ব্যৱসায়ৰে আদৰ্শ দেখুৱাইছে ৰীণা মেধি নামৰ এগৰাকী মহিলাই। মহিলা হোৱাৰ বাবেই সমালোচনা আৰু প্ৰত্যাহ্বানক অস্ত্ৰ বুলি গ্ৰহণ কৰি বিগত দুটা বছৰে সফল মহিলা ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠা লাভ কৰি আন ১০গৰাকী মহিলাৰ বাবে আদৰ্শ আৰু সাহসৰ প্ৰতীক হিচাপে পৰিচিত হৈছে ৰীণা মেধি। শুৱালকুছি বাঘেশ্বৰী পাহাৰৰ এটি মধ্যবিত্ত পৰিয়ালত বোৱাৰী হিচাপে গৈ তাঁতশালৰ ব্যৱসায় চলাই আছিল। বস্ত্ৰ উদ্যোগলৈ নামি অহা সংকটৰ বাবে ব্যৱসায় কৰাৰ কথা চিন্তা কৰি হোটেল ব্যৱসায়কে স্থিৰ কৰি লয়। উদ্দেশ্য এটাই নিজৰ লগতে আন ১০জনক সংস্থাপিত কৰা। প্ৰথমাৱস্থাত এগৰাকী মহিলাই হোটেল ব্যৱসায় কৰাটো কটু কথাৰে সমালোচনা কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ স্বামী বিৰাজ মেধিয়ে সাহস দিয়াত সকলো প্ৰত্যাহ্বানক নেওচি প্ৰাৰ্থনা নামৰে এখন হোটেল আৰম্ভ কৰে। ভাৰতীয় ষ্টেট বেংক শুৱালকুছি শাখাৰ পৰা দুই লাখ টকা ঋণ হিচাপে লৈ ব্যৱসায় আৰম্ভ কৰিছিল। শুৱালকুছি-গুৱাহাটী ঘাইপথৰ পেট্ৰ'ল পাম্পৰ সন্মুখত আৰম্ভ কৰা হোটেলৰ খাদ্য সম্ভাৰ, সুস্বাদু, সীমিত মূল্যৰ নিৰিখৰ মাত্ৰাই গাঁওখনৰ লগতে দাঁতি কাষৰীয়া অঞ্চলটো জনপ্ৰিয়তা অৰ্জন কৰিছে হোটেলখনে। এজাইকা ষ্ট'ৰ পাৰ্টনাৰ নামৰ এপৰ জৰিয়তে গ্ৰাহকক খাদ্য হোম ডেলিভাৰী কৰিও সমাদৰ লাভ কৰিছে হোটেলখনে। বৰ্তমান হোটেলখনত সাতগৰাকী মহিলা আৰু তিনিগৰাকী পুৰুষ কৰ্মচাৰী সংস্থাপিত হৈ আছে।

# কামপুৰত কপিলী নদীৰ ভয়াবহ খহনীয়া ঃ পৰিত্ৰাণ পাবলৈ ৰাইজৰ প্ৰাৰ্থনা



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** কপিলী নদীৰ বানৰ পাছত শেহতীয়াকৈ কামপুৰ-যমুনামুখ গড়কাপ্টানী পথৰ মেধি গাঁও, দেউৰী গাঁৱত কপিলী নদীৰ ভয়াবহ খহনীয়া সৃষ্টি হোৱাত অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে। নিতৌ চপৰা-চপৰে মাটি খহাৰ লগতে যিকোনো মুহূৰ্তত গড়কাপ্টানী পথটো খহাই নিয়াৰ আশংকা কৰা হৈছে। এই পথছোৱা খহাই নিলেই পথটোৰ কাষৰীয়া প্ৰায় ১৫খন গাঁও কপিলীৰ বুকুত জাহ যোৱাটো নিশ্চিত হৈ পৰিছে। ৰাইজে বানপানীৰ আগতে আৰু বানপানী হোৱাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধিক খহনীয়া ৰোধৰ বাবে বাৰম্বাৰ আবেদন জনাই আহিছে যদিও আজি পৰ্যন্ত কোনো সুফল নাপালে। বানপানীৰ সময়ত খবৰ ল'বলৈ আহি জনপ্ৰতিনিধিসকলে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা শীঘ্ৰে লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দি যায় যদিও মূৰকত পিঠি দিয়াৰ হে অভিযোগ উত্থাপিত হৈছে। সেয়ে আজি অঞ্চলটোৰ ৰাইজে খহনীয়াস্থলীত উপস্থিত হৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। বানত সকলো হেৰুৱাই ৰাইজে এতিয়া নেদেখা জনৰ ওপৰত ভৰসা কৰিবলগীয়া হৈছে।

আজি অঞ্চলটোৰ পুৰুষ-মহিলা সমবেত হৈ কপিলীৰ খহনীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ কপিলীৰ পাৰত নদীক ক্ষান্ত হ'বলৈ সেৰাৰে ঘোষা গাই প্ৰাৰ্থনা জনায়। খহনীয়াগ্ৰস্ত অঞ্চলটোৰ ৰাইজে শীঘ্ৰে খহনীয়া ৰোধ কৰিবৰ বাবে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসক পুনৰবাৰ দাবী জনাইছে।

## শাওণ মাহতো নাঙল জুৰিব পৰা নাই কৃষকে

# অনাবৃষ্টিৰ কবলত উত্তৰ শালমাৰা-পথাৰত ছিৰাল ফাট

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৯ জুলাই ঃ** শাওণ পৰাৰ পাছতো কৃষকে ধান ৰুবৰ বাবে পথাৰ চহাব নোৱাৰাত মূৰে-কপালে হাত দিছে কৃষকে। উল্লেখ্য যে ৰাজ্যখনৰ আন আন প্ৰান্তৰ দৰে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত পথাৰসমূহত দীৰ্ঘদিনে বৰষুণ নপৰাৰ ফলত ছিৰাল ফাট দিবলৈ লৈছে। বৰষুণৰ অভাৱত মাজতে খাল, ডোং আদিৰ পৰা কোনোমতে পানী সিঁচি কঠীয়া পাৰে যদিও পানীৰ অভাৱৰ বাবে থমকি ৰ'বলগীয়া হৈছে। উল্লেখ্য যে বিগত তিনিমাহ ধৰি নেৰানেপেৰা বৰষুণ আৰু বাঢ়নী পানীৰ ফলতেই শাক-পাচলিৰ খেতি তহিলং হোৱাৰ পাছত প্ৰখৰ ৰ'দ, অনাবৃষ্টিৰ ফলত খেতিপথাৰ শুকাই কৰাল বান্ধিছে। বিশেষকৈ মহকুমাটোৰ সৃজনগ্ৰাম, দেওহাটী, উত্তৰ শালমাৰা, কাকৈজানা, খগৰপুৰ, ঘিলাগুৰি, ইকৰাবাৰী, সাকোমুৰা, শংকৰঘোলা, মালেগড়, পাচনীয়া, খোৰাগাঁও, চাৰিপুনীয়া, সোণাখুলি, দহেলাপাৰা, কলবাৰী, চিল্যাপাৰা, হুৰামাৰা আদি বাম অঞ্চলসমূহৰ কৃষকে বৰষুণ নোহোৱাত হাহাকাৰত পৰা পৰিলক্ষিত হৈছে। কৃষকে আহাৰৰ পৰা মাটি চহাই শালি ধানৰ খেতি আৰম্ভ কৰাত এনে সময়ত হালোৱা, ৰোৱনীৰে পথাৰসমূহ ৰজনজনাই থাকে যদিও শাওণ মাহ পৰাৰ পাছতো কৃষকে মাটি চহাব নোৱাৰাত নিমাওমাও পৰিবেশৰ সৃষ্টি হৈছে পথাৰসমূহত। ফলত হেজাৰ হেজাৰ হেক্টৰ কৃষিভূমি ছন পৰাৰ আশংকাই দেখা দিছে।



# ধূপ-দ্বীপ-নৈবেদ্য আগবঢ়াই গণেশ বন্দনাৰে কঠীয়াৰ প্ৰথমটো গোজ

## বন্যহস্তীৰ বাবে পুনৰ ধান খেতি ৰংহাং পথাৰত



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুলাই ঃ** ক্ৰমাগত তিনিটাকৈ বছৰত সফল পৰিসমাপ্তি হোৱাৰ পাছত পুনৰ চতুৰ্থ বৰ্ষৰ বাবে কাৰ্বি পাহাৰৰ হস্তীদণ্ডীত থকা ৰংহাংৰ পথাৰত বন্যহস্তীক খাদ্য যোগান ধৰিবৰ বাবে 'হাতীবন্ধু'ৰ নামৰ প্ৰকৃতিপ্ৰেমী সংগঠনটোৱে আৰম্ভ কৰিছে বৃহৎ কৃষিকাৰ্য। সংগঠনটোৰ পৃষ্ঠপোষক তথা গুৱাহাটীৰ জ্যেষ্ঠ নাগৰিক প্ৰদীপ কুমাৰ ভূঞা আৰু সমগ্ৰ পৰিকল্পনাটোৰ নেতৃত্ব বহন কৰা প্ৰকৃতিপ্ৰেমী যুৱক বিনোদ দুলু বৰাই আজি স্থানীয় গাঁওবাসীৰ সহযোগত কৃষিকাৰ্যটোৰ আৰম্ভণি হিচাপে ধূপ-দীপ-নৈবদ্য আগবঢ়াই গণেশ বন্দনাৰে বছৰটোৰ বাবে পথাৰত মাৰে কঠিয়াৰ প্ৰথমটো গোজ। আগন্তুক ডেৰমাহৰ ভিতৰতে গাঁওখনৰ প্ৰতিটো পৰিয়ালৰে শতাধিক ৰোৱনী লগ-লাগি প্ৰায় ২৫০ বিঘা মাটিত শালিধানৰ কঠীয়া ৰোপণ কৰি অন্ত পেলোৱাৰ পৰিকল্পনা কৰা হৈছে। যি ডৰা ধাননিত আঘোন মহীয়া বন্যহস্তীৰ জাকক অন্ততঃ এমাহ ব্যস্ত কৰি ৰখাৰ পৰিকল্পনা 'হাতীবন্ধু'ৰ। যিখিনি সময়ত ভৈয়ামৰ কৃষকে অনায়াসে চপাই নিব পাৰিব নিজৰ কষ্টোপাৰ্জিত ধানখিনি। শেহতীয়াকৈ হস্তী-মানৱৰ সংঘাত ৰোধৰ ক্ষেত্ৰত এক যুগান্তৰকাৰী পদক্ষেপ হিচাপে পৰিগণিত হোৱা এই কৃষিকাৰ্যই বিগত তিনি বছৰৰ দৰে এই বছৰতো সুফল প্ৰদান কৰিব বুলি আশাবাদী 'হাতীবন্ধু'ৰ পৰিয়াল।


# খেতি পথাৰত ছিৰাল ফাট, বৰষুণৰ অপেক্ষাত কৃষক ৰাইজ

## জলসিঞ্চন মন্ত্ৰীৰ নিজ জিলাত জলসিঞ্চনৰ সু-ব্যৱস্থা নথকাত খৰাঙত মূৰে-কপালে হাত দিছে কৃষকে

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৯ জুলাই ঃ** শেহতীয়াকৈ সমগ্ৰ ৰাজ্যতেই প্ৰবল বৃষ্টিপাতৰ পাছত এতিয়া উৎকট গৰমে দহিছে ৰাজ্যবাসীক। প্ৰচণ্ড ৰ'দৰ ফলত ৰাজ্যৰ ঠায়ে ঠায়ে খৰাং পৰিস্থিতিৰ বাবে কৃষকে হাহাকাৰ কৰিবলগীয়া হৈছে। সমান্তৰালকৈ শোণিতপুৰ জিলাৰ ঠেলামৰা কৃষি চক্ৰৰ বৃহৎ অঞ্চলত বৰষুণৰ অভাৱত পথাৰত ছিৰাল ফাট মেলিছে। ফলত কৃষক ৰাইজে অতি কষ্টৰে ভূইৰোৱা পথাৰসমূহত এতিয়াও ৰুব পৰা নাই কঠীয়া। গুৰুত্বপূৰ্ণ কথা যে যি সময়ত কৃষি বিভাগে কৃষকৰ বাবে কোটি কোটি টকা খৰচ কৰি কৃষকৰ আয় দুগুণ বৃদ্ধিৰ পৰিকল্পনা কৰিছে, তেনে, সময়ত ঠেলামৰা কৃষি চক্ৰৰ অন্তৰ্গত বামুণ পুখুৰী, বৰবিল, বৰবিল পথাৰ, ঔবাৰী, হাবিগাঁও, তেলিয়াগাঁও, বৰগাঁও, গৰুডুবা, উলুবাৰী, নাহৰবাৰী, জহামাৰী, নবিল, হোজাই গাঁও, বৰপুখুৰী আদি অঞ্চলত অধিকাংশ কৃষিজীৱী লোক থকা সত্ত্বেও এই অঞ্চলসমূহত কোনো ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা নাই। ফলত বছৰ বছৰ ধৰি আকাশলৈ বাট চাই বৰষুণক অপেক্ষা কৰি খেতি কৰিবলগীয়া হৈছে। বৃহৎ অঞ্চলজুৰি কোনো ধৰণৰ জলসিঞ্চন ব্যৱস্থা নথকাৰ পাছতো বিয়াগোম কৃষি বিভাগে এই সংক্ৰান্তত কৃষকৰ কোনো ধৰণৰ খা-খবৰ নোলোৱাত বিভাগটোৰ বিৰুদ্ধে অতিষ্ঠ হৈ পৰিছে কৃষক ৰাইজে।

খৰাং সদৃশ পৰিস্থিতিৰ বাবে কৃষকসকলে এতিয়া বৰষুণৰ পানীৰ অপেক্ষাত ক্ষণ গণিবলগীয়া হৈছে। ভৰপক খেতিৰ সময়তো খেতিয়কে বৰষুণৰ অভাৱত ৰুব পৰা নাই কঠীয়া, যাক লৈ যথেষ্ট চিন্তিত হৈছে গ্ৰামাঞ্চলৰ কৃষকসকল। স্বয়ং জলসিঞ্চন মন্ত্ৰীৰ গৃহ সমষ্টিতে জলসিঞ্চন আঁচনিৰ এনে ফোঁপোলা স্বৰূপে বিভাগটোৰ ব্যৰ্থতাকেই উদঙাইছে বুলি প্ৰকাশ কৰিছে কৃষক ৰাইজে। যদি এনেদৰেই জিলাখনত বতৰ আৰু কিছুদিনলৈ ফৰকাল হৈ থাকে তেন্তে কৃষি উৎপাদনৰ ক্ষেত্ৰত যে ব্যাপক প্ৰভাব পৰিব সেয়া নিশ্চিত।




প্ৰচণ্ড ৰ'দৰ তাপৰ ফলত ছিৰাল ফাট মেলাৰ লগতে বহু কৃষকৰে

# বিশ্বনাথৰ পুখুৰীত ওপঙিছে লাখ লাখ মাছ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ জুলাই ঃ** বিশ্বনাথৰ এটা বিয়াগোম পুখুৰীত ওপঙিছে লাখে লাখে মাছ। কোনো দুষ্টচক্ৰই পুখুৰীটোতবিহ ঢলাৰ বাবে সংঘটিত হৈছে এই ঘটনা। উল্লেখ্য যে বিশ্বনাথৰ গড়েহাগী গাঁৱৰ ছয় নম্বৰ চালিয়া চাপৰিৰ সীমান্ত বৰা নামৰ মীন পালকজনে নিজ গাঁৱতে প্ৰায় সাত-আঠ বিঘা ভূমিত মৎস্য পালনৰ বাবে পুখুৰী খান্দি সেই পুখুৰীত কৰিছিল মৎস্য পালন। ১০-১২ লাখ টকা ব্যয় কৰি মীনপালক সীমান্তই পুখুৰীটোত দিছিল ৫০-৬০ লাখতকৈ অধিক মাছৰ পোনা। মীন পালনৰে নিজকে স্বাৱলম্বী হ'বলৈ সপোন ৰচা সীমান্তৰ সপোন ভাঙি চূৰমাৰ কৰি পেলায় কোনো দুষ্টচক্ৰই। আজি দুপৰীয়া সীমান্তই পুখুৰীত মাছৰ দানা দিবলৈ আহি চকু কপালত উঠে। কাৰণ পুখুৰীত থকা মাছ মৰি পানীত ওপঙি থাকে। যাৰ বাবে এতিয়া যুৱ মীনপালক সীমান্তৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আনহাতে, বিশ্বনাথ চাৰিআলি আৰক্ষী থানাত এই সন্দৰ্ভত এক গোচৰ ৰুজু কৰে যুৱ কৃষকজনে।






বজ্ৰাঙ্গ

এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ

নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।

অম্লশূলশমন চূৰ্ণ

অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্ঠবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।

শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন

(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)

মুৰলীধৰ শৰ্মা ৰোড, ফাটী বজাৰ, গুৱাহাটী-১ (অসম)

ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE

H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।

ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।

E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com